# তৃতীয় অধ্যায়
# মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিষয়বস্তুৰ মনস্তাত্ত্বিক তাৎপৰ্য

# তৃতীয় অধ্যায়
# মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিষয়বস্তুৰ মনস্তাত্ত্বিক তাৎপৰ্য

উপন্যাস হৈছে এক আধুনিক শিল্পকৰ্ম। সাহিত্যৰ বিভিন্ন বিভাগৰ ভিতৰত উপন্যাসতেই মানৱ জীৱন পূৰ্ণৰূপত প্ৰতিভাত হয়। জীৱন সম্পৰ্কীয় ৰহস্যৰ উন্মোচন হয় উপন্যাসৰ পাতত। উপন্যাস এক কলা হোৱা হেতুকে ইয়াত কলাত্মক ৰূপত জীৱনৰ অনুসন্ধান চলোৱা হয়— "জীৱনৰ বৈচিত্ৰ্যপূৰ্ণ ঘটনাসমূহৰ কলাসন্মত গাঁথনিৰে ৰসোত্তীৰ্ণ ৰূপত জীৱনৰ সমগ্ৰতা প্ৰকাশ কৰিব পৰা কথাশিল্পই উপন্যাস।"[১] উপন্যাসৰ বিভিন্ন উপাদানৰ ভিতৰত বিষয়বস্তুৰ প্ৰাধান্য সৰ্বাধিক। বিষয়বস্তুৰ মাধুৰ্য্য আৰু গাম্ভীৰ্যই উপন্যাসৰ মহত্ত্ব বৃদ্ধি কৰাত অগ্ৰণী ভূমিকা পালন কৰে। সেয়েহে এজন ঔপন্যাসিকে বিষয়বস্তু নিৰ্বাচন কৰাৰ ক্ষেত্ৰত যথেষ্ট সতৰ্কতা অৱলম্বন কৰিবলগীয়া হয়। বিভিন্ন পটভূমিৰ পৰা ঔপন্যাসিক এগৰাকীয়ে বিষয়বস্তু তুলি আনি উপন্যাসত উপস্থাপন কৰিব পাৰে যদিও কিছুক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবলগীয়া হয়—

> কিন্তু, ঔপন্যাসিকৰ কাৰ্যক্ষেত্ৰ যিমান কি সুবিস্তীৰ্ণ নহ'ক, তেওঁৰ কথাবস্তু যিমান কি বিচিত্ৰধৰ্মী নহ'ক, সি মানৱজীৱনৰ লগত বিশেষভাৱে সম্পৰ্কিত হ'ব লাগিব। অৱশ্যে সেইবুলি যেই সেই ঘটনা এটাৰ বৰ্ণনা আৰু চৰিত্ৰৰ বাহ্যিক ৰূপৰেখা অঙ্কনতে উপন্যাসৰ শ্ৰেষ্ঠতা নিৰ্ভৰ নকৰে- উপন্যাসৰ শ্ৰেষ্ঠতা নিৰ্ভৰ কৰে মানৱজীৱনৰ সুগভীৰ অনুভূতিৰাজিৰ স্বৰূপ চিত্ৰতহে। গতিকে মানৱজীৱন সংপৃক্ত উৎকৃষ্ট কথাবস্তু উপন্যাসৰ প্ৰাথমিক প্ৰয়োজনীয়তা।[২]

এই বক্তব্যই সুস্পষ্ট কৰে যে জীৱনৰ প্ৰতিনিধিত্ব কৰাৰ লগতে মানৱ জীৱনৰ প্ৰতিফলন ঘটোৱাটোৱেই উপন্যাসৰ উদ্দেশ্য। মানৱ জীৱনৰ লগত স্বত:স্ফুৰ্তভাৱে মানুহৰ মনস্তত্ত্ব জড়িত। ই অৱধাৰিতভাৱে উপন্যাসৰ পাতত প্ৰৱেশ লাভ কৰে।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহৰ বিষয়বস্তু ভিন্ন। বিষয়বস্তুৰ উপস্থাপন কৌশলো পৃথক। বিভিন্ন পটভূমিৰপৰা ঔপন্যাসিকাই বিষয়বস্তু আহৰণ কৰিছে। উপন্যাসৰ পটভূমি, বিষয়বস্তুৰ বিচিত্ৰতাৰ মাজত মানৱ জীৱনৰ বিভিন্ন ৰহস্য প্ৰতিভাত হৈছে। সমান্তৰালভাৱে মানুহৰ অন্তৰৰ অতিকৈ গোপন দিশ কিছুমানৰ উন্মোচন ঘটিছে। এই দিশসমূহে ঔপন্যাসিকাৰ উপন্যাসৰ বিষয়বস্তুৰ মনস্তাত্ত্বিক বিশ্লেষণৰ অৱকাশ সৃষ্টি কৰিছে।

## ৩.০১ শৈশৱৰ অভিজ্ঞতাৰ উপস্থাপন ঃ

শৈশৱ হৈছে মানুহৰ জীৱনৰ এটি গুৰুত্বপূৰ্ণ অংশ। শৈশৱতেই মানুহৰ অন্তৰত কিছুমান ধাৰণাই গঢ় লয় আৰু বয়সৰ লগে লগে তাৰ বিস্তাৰ ঘটে। মানুহৰ মনস্তত্ত্ব গঠনত শৈশৱত প্ৰাপ্ত অভিজ্ঞতাৰ গুৰুত্ব অধিক। ফ্ৰয়েডে ব্যক্তিৰ শৈশৱৰ অভিজ্ঞতাৰ প্ৰসংগত গুৰুত্ব প্ৰদান কৰিছে। এই সম্পৰ্কে প্ৰথম অধ্যায়ত উল্লেখ কৰা হৈছে। ব্যক্তিৰ ব্যক্তিত্ব গঠনত শৈশৱৰ অভিজ্ঞতাৰ অৱদান সম্পৰ্কে মণিকুন্তলা ভট্টাচাৰ্যইও স্বীকাৰ কৰিছে। এই সম্পৰ্কে ঔপন্যাসিকাগৰাকীয়ে সাক্ষাতকাৰত অৱগত কৰিছে—“শৈশৱ মানুহৰ জীৱনৰ এক এৰাব নোৱাৰা অধ্যায়। শৈশৱ কালছোৱা বা অতীতক আমি আমাৰ জীৱনৰপৰা কেতিয়াও বিচ্ছিন্ন কৰিব নোৱাৰোঁ। বহুসময়ত এনেকুৱা হয় যে শৈশৱতে পঢ়া কিছুমান অভিজ্ঞতা এতিয়াও লিখিবলৈ বহিলে স্বত:স্ফুৰ্তভাৱে ওলাই আহে। সেইবিলাক কথা সঞ্চিত হৈ ৰৈ যায় নিজেই গম নোপোৱাকৈয়ে।”[৩]

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত শৈশৱৰ অভিজ্ঞতাক বিষয় হিচাপে উপস্থাপন কৰা হৈছে। *অনুৰোধ* আৰু *মই ডেচডিমʼনা হʼব খোজোঁ* উপন্যাস দুখনত প্ৰধান চৰিত্ৰ ক্ৰমে ৰঘুপতি দাস আৰু নয়নাই শৈশৱত লাভ কৰা বাস্তৱ অভিজ্ঞতাৰ আলমত বিষয়বস্তু নিৰ্মাণ কৰা হৈছে। *অনুৰোধ* উপন্যাসখনত এজন ৪০ বছৰীয়া অবিবাহিত পুৰুষৰ জীৱন চিত্ৰ অংকন কৰা হৈছে। এগৰাকী কৰ্তব্যপৰায়ণ ইঞ্জিনিয়াৰ হিচাপে খ্যাত ৰঘুপতি দাস সাংসাৰিক জীৱনৰ প্ৰতি সম্পূৰ্ণই উদাসীন। তেওঁৰ এই উদাসীনতাৰ মূলতে হʼল তেওঁৰ শৈশৱৰ অভিজ্ঞতা। ৰঘুপতি দাসৰ জন্মৰ সময়তে মাকৰ মৃত্যু ঘটাত দেউতাকে আন এগৰাকী নাৰীক বিয়া পাতি আনিছিল। আইতাকৰ সৈতে ডাঙৰ-দীঘল হোৱা ৰঘুপতি দাস মাতৃস্নেহৰ পৰা বঞ্চিত। মাহীমাকৰ মাজত মাকক বিচাৰি ৰঘুপতি দাসে হাবাথুৰি খাইছিল যদিও মাহীমাকে তেওঁক কোনোকালে আদৰি নʼললে। মাকৰ মৰম অবিহনে ডাঙৰ হোৱা ৰঘুপতি দাসে নতুন মাকগৰাকীৰ ওচৰত মাতৃস্নেহৰ সন্ধান কৰি অৱশেষত নিৰাশ হৈ পৰিছিল—

> তেওঁৰ দৃষ্টিত নতুন মাকগৰাকী পৃথিৱীৰ আটাইবোৰ সাধুকথাৰে আটাইতকৈ ধুনীয়া আৰু ভাল ৰাজকন্যাজনী হৈ উঠিছিল। তেওঁ বোলে কইনাৰ আঁচলখনি এৰিবকে খোজা নাছিল। আইতাকেহে ফুচুলাই মেলি ওভোটাই লৈ আনিছিল। ... বাৰে বাৰে উপস্থিত হৈছিলগৈ তেওঁ নতুন মাকৰ ওচৰত, বাৰে বাৰে টানিছিলগৈ চেনেহৰ আঁচলখনি। কিন্তু কেনেবাকৈ মাতৃহাৰা শিশুটিয়ে বুজি উঠিছিল যে মানুহে যিমান কলেও সেইগৰাকী তেওঁৰ মাতৃ নহয়।[৪]

মাহীমাকৰ ব্যৱহাৰত কণমানি ৰঘুপতি দাসৰ বাস্তৱ উপলব্ধি হৈছিল। তেওঁ যি আগ্ৰহ আৰু আন্তৰিকতাৰে মাহীমাকক মাক হিচাপে গ্ৰহণ কৰিছিল সেই সকলোবোৰ মাহীমাকৰ অনাদৰিত নিৰ্বিকাৰ আচৰণে নস্যাৎ কৰি তুলিছিল। ৰঘুপতি দাসে শৈশৱতে লাভ কৰা এই অভিজ্ঞতাই তেওঁৰ পিছৰ জীৱনতো প্ৰভাৱ পেলাইছিল। তেওঁৰ অন্তৰত পৰিয়ালৰ প্ৰসংগই এনেদৰে সাঁচ বহুৱালে যে তেওঁৰ ব্যক্তিত্বই সুকীয়া ৰূপ লাভ কৰিলে। যি সময়ত সাধাৰণতে এজন ল'ৰা মানসিকভাৱে চঞ্চল হৈ উঠে, বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰে সেই সময়ত ৰঘুপতি দাস সম্পূৰ্ণ উদাসীন হৈ ৰৈছিল। মাহীমাকৰ বাবেই সমগ্ৰ নাৰী জাতিৰ প্ৰতি ৰঘুপতি দাসৰ অন্তৰত নেতিবাচক ধাৰণাৰ উদয় হৈছিল। ৪০ বছৰ বয়সলৈকে অবিবাহিত জীৱন-যাপন কৰি ৰঘুপতি দাসে অন্তৰত নাৰী সম্পৰ্কত শৈশৱৰ অভিজ্ঞতাকেই বহন কৰি ফুৰিছিল। ৰঘুপতি দাসৰ শৈশৱৰ অভিজ্ঞতাই উপন্যাসখনৰ মূল বিষয়বস্তু। ইয়াক কেন্দ্ৰ কৰিয়েই উপন্যাসখনৰ সম্পূৰ্ণ জঁকা নিৰ্মিত হৈছে।

*মই ডেচডিমনা হ'ব খোজোঁ* উপন্যাসখনত নয়নাৰ পৰিয়ালত হোৱা শৈশৱৰ অভিজ্ঞতাই উপন্যাসখনৰ বিষয়বস্তু হিচাপে গুৰুত্ব লাভ কৰিছে। শৈশৱতে নয়নাই দেউতাক আৰু মামীয়েকৰ অবৈধ প্ৰেমৰ ভয়ংকৰ স্বৰূপ নিজ চকুৰে প্ৰত্যক্ষ কৰিছিল। স্বামীৰ আন নাৰীৰ সৈতে থকা প্ৰেমৰ সম্পৰ্কক সহজভাৱে গ্ৰহণ কৰিব নোৱাৰা মাকে কণমানি নয়না আৰু ভায়েকক এৰি আত্মহত্যা কৰে। প্ৰেম নিষ্কলুষ, পবিত্ৰ আত্মাৰ মিলন আখ্যা দিয়া হয়। তেনেস্থলত প্ৰেম সম্পৰ্কত শৈশৱতে নয়নাৰ অন্তৰত ব্যভিচাৰী ৰূপ এটাহে সঞ্চিত হৈ ৰৈছিল। দেউতাকৰ প্ৰতি মনত গঢ় লোৱা খং, অভিমান আৰু জেদৰ ফলশ্ৰুতিতেই নয়নাই ডাঙৰ হৈয়ে ঘৰ ত্যাগ কৰি থিয়েটাৰত যোগ দিছিল। কহিনুৰ পাৰ্টীলৈ আহি নয়নাই *অথেল'* নাটকৰ নায়িকা চৰিত্ৰত অভিনয় কৰাৰ সুযোগ লাভ কৰিছিল। এনেকুৱা এটা ভাল সুযোগ লাভ কৰাৰ পিছতো কিন্তু নয়নাই ডেচডিমনা চৰিত্ৰৰ লগত নিজকে খাপ খুৱাই ল'ব পৰা নাছিল। *অথেল'* নাটকৰ মূল বিষয়বস্তু আৰু নয়নাৰ শৈশৱৰ অভিজ্ঞতাৰ মাজত নয়নাই সাদৃশ্য পৰিলক্ষিত কৰিছিল। **সাহিত্যৰ মনস্তাত্ত্বিক তাৎপৰ্য** এইখিনিতে যে ই মানুহৰ সমগ্ৰ মনস্তত্ত্বক প্ৰতিভাত কৰে। পতি-পত্নীৰ মাজত সংশয় আৰু বিশ্বাসহীনতাই *অথেল'* নাটকত মানসিক দ্বন্দ্বৰ সূত্ৰপাত ঘটাইছে। মাকৰ পৰা লাভ কৰা সৌভাগ্যৰ ৰুমালখন অথেল'ই মৰমৰ পত্নী ডেচডিমনাক উপহাৰ দিছিল। ডেচডিমনাই অসাৱধানবশতঃ অথেল'ই দিয়া ৰুমালখন হেৰুৱাই পেলাইছে আৰু অথেল'ই বিচৰাত তেওঁ সেইখনৰ কোনো সম্ভেদ দিব পৰা নাই। ইপিনে ডেচডিমনাই কোনোবা এজন পুৰুষক ৰুমালখন মনে মনে দিয়াৰ খবৰ অথেল'ই

জানিব পাৰিছে। এনেদৰেই নাটখনত অথেল' আৰু ডেচডিম'নাৰ মাজত মানসিক সংঘাতৰ সৃষ্টি হৈছে। সকলো সময়তে অথেল'ক সুখী কৰি ৰখাৰ প্ৰচেষ্টাত থকা ডেচডিম'নাক অথেল'ৰ সন্দেহজনক ব্যৱহাৰে বিতত কৰি তুলিছে। প্ৰেম, সন্দেহ আৰু বিশ্বাসহীনতাক মূল আধাৰ হিচাপে লৈ ৰচনা কৰা এই নাটখনকেই কহিনুৰৰ মঞ্চত মঞ্চস্থ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। য'ত মূল নায়িকা চৰিত্ৰত অভিনয়ৰ বাবে নয়নাক নিৰ্বাচন কৰা হয়। নয়নাৰ দেউতাক আৰু মামীয়েকৰ মাজত থকা অবৈধ সম্পৰ্কৰ ফলত নয়নাৰ ঘৰখন ধ্বংস হৈছিল। সেয়েহে আখৰাগৃহত অথেল'ই ডেচডিম'নাক অবৈধ সম্পৰ্কৰ সন্দেহত যেতিয়া নিৰ্যাতন চলাইছিল তেতিয়াই নয়নাৰ শৈশৱৰ স্মৃতিসমূহে মনত দোলা দি ৰৈছিল। শৈশৱৰ অভিজ্ঞতাই নয়নাক চৰিত্ৰটোৰ সৈতে সহাৱস্থান কৰাত একপ্ৰকাৰে বাধা দিছিল। যিবোৰ অসহনীয় পৰিৱেশৰ পৰা আঁতৰি থাকিবৰ বাবে নয়নাই কহিনুৰত যোগদান কৰিছিল সেইবোৰ নাটকৰ মাজেৰে পুনৰ নয়নাৰ জীৱনলৈ উভতি আহিছিল। নয়নাৰ শৈশৱৰ অভিজ্ঞতাৰ লগত *'অথেল'* নাটকৰ কাহিনীভাগৰ সাদৃশ্যই উপন্যাসখনৰ বিষয়বস্তুৰ মনস্তাত্ত্বিক দিশটো অধিক স্পষ্ট কৰি তুলিছে। শৈশৱৰ তিক্ত অভিজ্ঞতাই নয়নাৰ জীৱন যাত্ৰাত এনেদৰে ক্ৰিয়া কৰিছিল যে তাই সকলো সময়তে মানসিক যন্ত্ৰণাত ভুগিছিল। আনকি অভিনয় কৰিবলৈ লোৱা নাটখনৰ লগতো নয়নাৰ নিজৰ জীৱনৰে প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। এইটো কাৰণতেই অভিনয় পৰিৱেশনত প্ৰকৃত সাঁচ বহুৱাব নোৱাৰা নয়নাই পৰিচালকৰ সতৰ্কবাণী শুনিবলগীয়া হৈছিল। বাৰে প্ৰতি ডেচডিম'না হ'বলৈ গৈ উজুটি খাইছিল। এনেদৰে শৈশৱত পৰিয়ালত লাভ কৰা অভিজ্ঞতাই *অনুৰোধ* আৰু *মই ডেচডিম'না হ'ব খোজোঁ* উপন্যাস দুখনত প্ৰধান চৰিত্ৰ দুটাক সহজ জীৱন-যাপন কৰাৰ পৰা আঁতৰাই ৰাখিছে।

*সন্ধ্যা* উপন্যাসত শৈশৱৰ অভিজ্ঞতাই পাৰ্থৰ চৰিত্ৰত ক্ৰিয়া কৰাৰ লগতে বৈবাহিক জীৱনতো প্ৰভাৱ বিস্তাৰ কৰিছে। সৰুতেই মাক-দেউতাকৰ বিচ্ছেদ ঘটাত পাৰ্থ মাতৃস্নেহৰ পৰা বঞ্চিত হৈছিল। মাকৰ প্ৰতি অন্তৰত খং-অভিমান কঢ়িয়াই লৈ ফুৰা পাৰ্থই এক উচ্ছৃংখল জীৱন যাপন কৰিছিল। শৈশৱৰেপৰা মাকৰ পৰা পৃথকে থকাত পাৰ্থৰ ব্যক্তিত্বত নাৰীৰ প্ৰতি কোনোধৰণৰ সন্মান তথা উচ্চ ভাৱ গঢ়ি উঠা নাছিল। নাৰীক কেৱল উপভোগৰ সামগ্ৰী হিচাপে গ্ৰহণ কৰা পাৰ্থই বহু নাৰীৰ সৈতে শাৰীৰিক সম্পৰ্কত লিপ্ত হৈছিল। শৈশৱতে পৰিয়ালৰ পৰা লাভ কৰা অভিজ্ঞতাই পাৰ্থৰ আচাৰ-আচৰণত ক্ৰিয়া কৰাত ই পাৰ্থ আৰু সন্ধ্যাৰ বৈবাহিক জীৱন তিক্ততাময় কৰি তুলিছিল। পাৰ্থৰ ব্যৱহাৰ, আচাৰ-আচৰণে সিহঁতৰ সম্পৰ্কত দূৰত্ব আনিছিল। অত্যাধিক মদ্যপান কৰাৰ উপৰিও নাৰীৰ সৈতে থকা সম্পৰ্কৰ কথা পাৰ্থই সন্ধ্যাৰ সন্মুখত দ্বিধাহীনভাৱে

মুকলিকৈ প্ৰকাশ কৰিছিল। বহু নাৰীৰ লগত শাৰীৰিক সম্পৰ্ক স্থাপন কৰাৰ ফলত পাৰ্থই কম বয়সতে এইড্‌ছ ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰাৰ লগতে সন্ধ্যা আৰু সিহঁতৰ সন্তানটিৰ গালৈও এই বীজাণু বিয়পিছিল। পাৰ্থৰ চৰিত্ৰ স্খলনৰ মূলতে হ'ল পৰিয়ালৰ প্ৰসংগ। সন্তানৰ চৰিত্ৰ গঠনত পিতৃ-মাতৃৰ সম্পৰ্কই বিশেষ প্ৰভাৱ পেলায়। মাতৃৰ সৈতে সন্তানৰ সম্পৰ্ক অতি নিবিড়। সেয়ে মাতৃৰ মমতাৰপৰা বঞ্চিত সন্তান বিপথে পৰিচালিত হোৱাৰ সম্ভাৱনা অধিক বুলি কোৱা হয়। পিতৃ-মাতৃৰ মৰম, সাহচৰ্যত ডাঙৰ-দীঘল হোৱা সন্তানৰ মানসিকতাও সুষ্ঠ-সবল হোৱা দেখা যায়। পাৰ্থৰ ক্ষেত্ৰতো এই কথাষাৰেই প্ৰযোজ্য হৈছে। মাতৃৰ প্ৰতি খং-ক্ষোভ বুকুত পুহি ৰাখি পাৰ্থই নিজেই মানসিক যন্ত্ৰণাত ভোগাৰ লগতে এখন সংসাৰো ধ্বংস হৈছিল। উপন্যাসখনৰ বিষয়বস্তুৰ মাজেৰে এনেদৰে পৰিয়াল তথা শৈশৱৰ অভিজ্ঞতাৰ ঋণাত্মক দিশটো উন্মোচন কৰা হৈছে। ঔপন্যাসিকাই *যমুনা* উপন্যাসখনতো মানুহৰ জীৱনত শৈশৱৰ অভিজ্ঞতাৰ গুৰুত্ব সম্পৰ্কে এনেদৰে কৈছে—"আচলতে শৈশৱ মানুহৰ জীৱনৰ মূল ভেটি। তেতিয়াৰ অনেক কথা, ভাল লগা-বেয়া লগা প্ৰায়খিনিয়ে ৰৈ যায় একেবাৰে অমৰ হৈ।"[৫]

মাতৃস্নেহৰপৰা বঞ্চিত হোৱা পাৰ্থই গোটেই জীৱন মাকক দোষাৰোপ কৰিছিল। ফলশ্ৰুতিত মাকৰ প্ৰতি মনত এক বিদ্ৰোহৰ জন্ম হৈছিল। মাক অবিহনেও যে ভালদৰে জীয়াই আছে সেয়া প্ৰতিপন্ন কৰিবলৈ গৈ পাৰ্থই নিজৰ জীৱনলৈকেই বিপদ চপাই আনিছিল। মাক-দেউতাকৰ বিচ্ছেদ তথা তিনি বছৰ বয়সতে দেউতাকৰ সৈতে পাৰ্থক এৰি যোৱা সমস্ত ঘটনাৰ বাবে পাৰ্থই একমাত্ৰ মাকক দোষাৰোপ কৰা হেতুকে মাকৰ সৈতে প্ৰতিদ্বন্দ্বিতামূলক আচৰণ কৰিছিল। পিতৃ-মাতৃৰ বিবাহ বিচ্ছেদে শিশুৰ মনস্তত্ত্বত পেলোৱা বিৰূপ প্ৰভাৱ পাৰ্থৰ জৰিয়তে উপন্যাসখনত প্ৰতিফলিত কৰা হৈছে। ব্যক্তিৰ জীৱনত শৈশৱতে ঘটা এনেধৰণৰ ঘটনাপ্ৰবাহে গোটেই জীৱনৰ বাবে ব্যক্তিক মানসিকভাৱে আচ্ছন্ন কৰি ৰাখে। ইয়ে ব্যক্তিৰ জীৱন যন্ত্ৰণাময় কৰি তোলাত অৰিহণা যোগায়।

*মুক্তি* উপন্যাসত পৰিয়ালকেন্দ্ৰিক অশান্তিবোৰে বুজন হোৱাৰে পৰা শংকৰৰ চেতনাত নেতিবাচক প্ৰভাৱ পেলাইছিল। এই সকলোবোৰে কম বয়সতে শংকৰক বাস্তৱ পৃথিৱীৰ লগত পৰিচয় কৰাই দিছিল। পিতৃৰ উচ্ছৃংখল আচৰণ আৰু মাকৰ যন্ত্ৰণাময় জীৱন সংগ্ৰামে শৈশৱতে জীৱন বিষয়ক ৰহস্যসমূহ অনুধাৱন কৰাত শংকৰক সহায় কৰিছিল। আন ল'ৰা-ছোৱালীয়ে খেল-ধেমালিৰে শৈশৱ উপভোগ কৰি থকাৰ সময়ছোৱাত পিতৃৰ দায়িত্বজ্ঞানহীন কৰ্ম-কাণ্ডই শংকৰৰ হাতৰপৰা শৈশৱ কাঢ়ি লৈ গৈছিল। মাকৰ সৈতে পেটৰ ক্ষুধা নিবাৰণৰ যুঁজত ব্যস্ত শংকৰ সময় সাপেক্ষে ভায়েক-ভনীয়েকৰ অভিভাৱকো হৈ উঠিছে। নিজৰ লগতে ল'ৰা-ছোৱালীকেইটাৰ পেটৰ

ভোক নিবাৰণৰ বাবে বাধ্যত পৰি বেশ্যা বৃত্তি অৱলম্বন কৰা মাকৰ অসহায়তাৰ সাক্ষী হৈ ৰৈছে শিশু শংকৰ। শংকৰৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখিয়েই ৰৌশন শেঠৰ হাতত মাকে শংকৰক অৰ্পণ কৰিছিল। তেনেস্থলত ৰৌশন শেঠে শংকৰক নিজৰ কামনা পূৰণৰ আহিলা হিচাপে ব্যৱহাৰ কৰাত শংকৰে তেওঁক হত্যা কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। মাকৰ লগত দেউতাকে কৰা অন্যায়ৰ বিষময় পৰিস্থিতিৰ সমভাগী হোৱা শংকৰে দেউতাকৰ অন্যায়ৰ প্ৰতিবাদ কৰি মাকক ন্যায় প্ৰদান কৰিব নোৱাৰিলে। কিন্তু অন্তৰত অনবৰতে যন্ত্ৰণা কঢ়িয়াই ফুৰা শংকৰে ৰৌশন শেঠক হত্যা কৰি নিজৰ লগত হোৱা অন্যায়ৰ প্ৰতিশোধ লৈছে। শৈশৱৰেপৰা মানুহৰ কদাৰ্যময় ৰূপৰ লগত পৰিচয় হৈ অহা শংকৰৰ মনস্তত্ত্বত এইবোৰে নেতিবাচক প্ৰভাৱ পেলাইছিল। দেউতাকৰ পিছতে ৰৌশন শেঠৰ পৰা লাভ কৰা অভিজ্ঞতাই সংসাৰৰ সকলো ব্যক্তিৰ প্ৰতিয়েই শংকৰৰ মনত অবিশ্বাস তথা শংকাৰ জন্ম দিছিল।

এনেদৰেই উপন্যাসসমূহত শৈশৱৰ অভিজ্ঞতাক বিষয় হিচাপে উপস্থাপন কৰা হৈছে। শৈশৱ তথা অতীত অভিজ্ঞতাই ব্যক্তি জীৱনৰ লগতে পৰিয়াল তথা সমাজ জীৱনকো প্ৰভাৱিত কৰে। চৰিত্ৰই শৈশৱতে লাভ কৰা অভিজ্ঞতাই চৰিত্ৰৰ বৰ্তমানৰ জীৱন প্ৰবাহতো প্ৰভাৱ বিস্তাৰ কৰা দেখা গৈছে। পৰিয়াল চক্ৰৰ প্ৰসংগত লাভ কৰা অভিজ্ঞতাই চৰিত্ৰসমূহৰ চিন্তা-চেতনা তথা আচাৰ-আচৰণত প্ৰভাৱ পেলাইছে। শৈশৱৰ অভিজ্ঞতাসমূহ চৰিত্ৰবোৰে গোটেই জীৱন কঢ়িয়াই লৈ ফুৰিছে। সেইগতিকে ইয়াৰ পৰিপেক্ষিতত তেওঁলোকৰ মনস্তত্ত্ব যিধৰণে গঢ় লৈ উঠিছে সেয়া উপন্যাসসমূহৰ বিষয়লৈ ৰূপান্তৰিত হৈছে।

**৩.০২ অৱচেতন প্ৰৱণতা আৰু অৱদমন ঃ**

ফ্ৰয়েডে মানুহৰ অৱচেতন স্তৰৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। ফ্ৰয়েডৰ মতে মানুহৰ অপূৰণীয় আশা-আকাংক্ষা, কামনা-বাসনা সকলো অৱচেতন স্তৰত অৱদমিত ৰূপত স্থিতি লাভ কৰে। মানুহৰ আচাৰ-আচৰণ সকলোতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অৱচেতন মনৰ অৱদমিত ইচ্ছাকাংক্ষাই প্ৰভাৱ বিস্তাৰ কৰে। এই সম্পৰ্কে প্ৰথম অধ্যায়ত উল্লেখ কৰা হৈছে। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত অৱচেতন মনৰ প্ৰৱণতাই বিশেষ ভূমিকাত অৱতীৰ্ণ হৈছে। উপন্যাসৰ চৰিত্ৰৰ অৱদমিত আশা-আকাংক্ষাই উপন্যাসৰ মূল পৰিকাঠামো নিৰ্মাণ কৰিছে। ই উপন্যাসসমূহৰ মনস্তাত্বিক বিশ্লেষণৰ বাট মুকলি কৰিছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ *অৰুন্ধতী* উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ অনন্যা। বিবাহ বিচ্ছেদিত

সন্তানহীনা অনন্যাৰ ইচ্ছাকাংক্ষা, হতাশাগ্ৰস্ততাৰ মাজেৰেও জীৱনৰ প্ৰকৃত প্ৰেমৰ অনুসন্ধান কৰাই হৈছে *অৰুন্ধতী* উপন্যাসৰ মূল বিষয়। উপন্যাসখনত পৰম্পৰাগত আৰু আধুনিক মানসিকতাৰ দ্বন্দ্ব প্ৰকাশ পাইছে। কম বয়সতে বিবাহপাশত আৱদ্ধ হোৱা এগৰাকী নাৰীৰ সাংসাৰিক জীৱনৰ অসন্তুষ্টি, বিচ্ছেদৰ পিছতো নতুনকৈ জীৱন উদযাপন কৰাৰ বাবে প্ৰকৃত প্ৰেমৰ সন্ধানৰত নাৰী মনৰ গোপন কক্ষত নিহিত থকা ৰহস্যময় দিশসমূহ ঔপন্যাসিকাই স্পষ্টৰূপত উপস্থাপন কৰিছে। অনন্যাৰ অৱচেতন মনৰ প্ৰৱণতা আৰু অৱদমিত ইচ্ছাকাংক্ষাই উপন্যাসখনত গুৰুত্ব লাভ কৰিছে। বিবাহৰ পিছত অনন্যাই স্বামীৰ সৈতে মানসিক সম্পৰ্ক সুদৃঢ় কৰিব নোৱাৰাৰ মূলতে হ'ল অনন্যাৰ অৱদমিত ইচ্ছাকাংক্ষা। প্ৰত্যেক মানুহৰে নিজৰ জীৱনসংগী সম্পৰ্কত কিছুমান পূৰ্বধাৰণা থাকে। বিবাহিত জীৱনত তাৰ ব্যতিক্ৰম ঘটিলে মানসিক অন্তৰ্দ্বন্দ্বৰ সৃষ্টি হয়। অনন্যাইও জীৱনসংগী সম্পৰ্কত বিবাহৰ পূৰ্বেই কিছুমান কল্পনা কৰিছিল। কিন্তু তেওঁৰ কল্পনাৰ মানুহজনৰ সৈতে বাস্তৱৰ মানুহজনৰ কোনো সাদৃশ্য নাছিল। যাৰফলত স্বামী সম্পৰ্কত কল্পনাত গঢ় লৈ উঠা সকলো ইচ্ছাকাংক্ষা, আৱেগ-অনুভূতি বুকুৰ ভিতৰত দমন কৰি অনন্যাই সংসাৰ ধৰ্ম পালনত অগ্ৰসৰ হৈছিল। কিন্তু অৱচেতন মনত অৱদমিত ভাৱ-কল্পনাই অনন্যাৰ সংসাৰত আউল লগাইছিল। নিজৰ ফালৰপৰা সকলো ধৰণে চেষ্টা কৰাৰ পিছতো অৱচেতন মনৰ বাসনাই স্বামীৰ সৈতে এক মজবুত সম্পৰ্ক গঢ়ি তোলাত প্ৰাচীৰৰ সৃষ্টি কৰিছিল। এই সম্পৰ্কত অনন্যাই কৈছে—"কিয় নাজানো, তেওঁ মোক একো নক'লেও তেওঁৰ উপস্থিতিত অহৰহ মই সংকুচিত, ভীত হৈ ৰৈছিলোঁ। মোৰ কল্পনাৰ মানুহজনৰ স'তে তেওঁক মিলাবলৈ গৈ প্ৰায়ে মই কামবোৰত আউল লগাই পেলাইছিলোঁ।"[৬] অনন্যাৰ অৱচেতন মনৰ অৱদমিত আশা-আকাংক্ষাই তেওঁলোকৰ বৈবাহিক জীৱনত প্ৰভাৱ পেলাইছিল। কল্পনাৰ মানুহজনৰ সৈতে মিলাবলৈ গৈ স্বামীৰ সান্নিধ্যত অনন্যাই সুখী হ'ব পৰা নাছিল। অনন্যাৰ অৱদমিত ইচ্ছাকাংক্ষাৰ দ্বাৰা পৰিচালিত আচৰণে স্বামী আৰু তেওঁৰ মাজৰ সম্পৰ্কত জটিলতাৰ সৃষ্টি কৰিছিল। মানসিক সম্পৰ্ক দৃঢ় নোহোৱাৰ বাবেই তেওঁলোকৰ সম্পৰ্কৰ বিচ্ছেদ ঘটিছিল। অনন্যাৰ কাম-কাজ, আচাৰ-আচৰণ সকলোতে অৱচেতন মনে ক্ৰিয়া কৰিছিল। অৱচেতন মনৰ আকাংক্ষাই চেতন মনতো সময়ে সময়ে ভুমুকি মাৰিছিল। অনন্যাই নিজ ইচ্ছামতে স্বামীৰ সৈতে বিবাহ বিচ্ছেদ কৰি ঘৰলৈ উভতি অহাৰ পিছতো স্বামীৰ সৈতে পুনৰ্মিলনৰ আশা বুকুত সংগোপনে ধাৰণ কৰিছিল। সেয়েহে স্বামীৰ সংগ বিচাৰি মানসিক অশান্তিত ভুগিছিল। আনকি বিবাহ বিচ্ছেদৰ পিছতো অনন্যাই স্বামীৰ ওচৰলৈ গৈ স্বামীৰ সৈতে একেখন বিচনাত নিশা কটাই আহিছিল। এই সম্পৰ্কত অনন্যাৰ স্বীকাৰোক্তিয়ে তাইৰ অন্তৰৰ অৱদমিত কামনা-বাসনাৰ ইংগিত বহন কৰিছে।

*সন্ধ্যা* উপন্যাসতো সন্ধ্যাৰ বৈবাহিক জীৱনত অৱচেতন মনৰ অৱদমিত আকাংক্ষাই প্ৰভাৱ বিস্তাৰ কৰিছিল। *অৰুন্ধতী* উপন্যাসৰ অনন্যাৰ নিচিনাকৈ সন্ধ্যাইও বৈবাহিক জীৱনত সুখ লাভৰ পৰা বঞ্চিত হৈছিল। পিতৃৰ আজ্ঞা পালন কৰি সন্ধ্যাই ইৰফানৰ লগত থকা প্ৰেমৰ সম্পৰ্ক ত্যাগ কৰি পাৰ্থৰ সৈতে বিয়াত বহিছিল। ইৰফানৰ সৈতে গোটেই জীৱন একেলগে থকাৰ ইচ্ছাকাংক্ষাক অৱদমন কৰি পিতৃৰ কথামতে পাৰ্থৰ লগত বৈবাহিক জীৱন আৰম্ভ কৰা সন্ধ্যাই ইৰফান আৰু পাৰ্থৰ মাজত সাদৃশ্য বিচাৰি হাহাকাৰ কৰিছিল। শক্তিশালী ব্যক্তিত্বৰ অধিকাৰী ইৰফানৰ বিপৰীতে পাৰ্থৰ উচ্ছৃংখল জীৱন-যাপনে বৈবাহিক জীৱনত সন্ধ্যাক মনোকষ্ট দিছিল। ইৰফানৰ সৈতে বৈবাহিক জীৱন-যাপন কৰিব বিচৰা সন্ধ্যাৰ অৱদমিত আকাংক্ষাই সুৰুঙা পালেই চেতন মনত প্ৰৱেশ কৰিছিল আৰু সচেতনভাৱে তাইৰ চিন্তাধাৰা, আচৰণতো প্ৰকাশ পাইছিল। উপন্যাসখনত এই সম্পৰ্কত কোৱা হৈছে—

> এৰা, অসন্তুষ্ট বাঢ়ি গ'ল তাইৰ। .... ইস্ ইস্ আজিতো পাৰ্থৰ ঠাইত ইৰফানেই ৰৈ থকাৰ কথা আছিল তাইৰ কাষত। এটা কথা নিশ্চয়কৈ জানে যে ইৰফানে কাহানিও মুখত মদৰ গিলাচ তুলিব নোৱাৰে। আজি পাৰ্থৰ সলনি ইৰফানৰ সৈতে বিয়া হোৱা হ'লে ৰুগ্ন স্বামীৰপৰা পোৱা নিৰাপত্তাহীনতাতো নুভুগিলেহেঁতেন তাই। কিমান আদৰ আৰু উষ্ণ স্বাগতম পালেহেঁতেন তাইৰ এই সন্তান।[৭]

*অৰুন্ধতী* উপন্যাসত অনন্যাৰ কল্পনাৰ মানুহজনৰ সৈতে প্ৰথম স্বামীৰ মিল নথকা বাবে সংসাৰত সমস্যা সৃষ্টি হোৱাৰ দৰে সন্ধ্যাইও একে মানসিক সমস্যাৰ সন্মুখীন হৈছে। অনন্যাই নিজৰ ইচ্ছাকাংক্ষাক অৱদমন কৰি স্বামীৰ সৈতে সহজ সম্পৰ্ক গঢ়িবলৈ আগবাঢ়ি আহিলেও কল্পনাৰ মানুহজন আৰু বাস্তৱৰ মানুহজন একে নোহোৱাত ব্যৰ্থ হৈ পৰিছে। একেদৰে প্ৰেমিক ইৰফানৰ লগত বিয়া হোৱাৰ আকাংক্ষাক অৱদমন কৰি পাৰ্থৰ সৈতে বিয়াত বহাৰ পিছতো সন্ধ্যা সুখী হ'ব পৰা নাই। অৱদমিত আকাংক্ষাই যেন বাৰে বাৰে বৈবাহিক সম্পৰ্কত স্থিৰতা অনাত ব্যাঘাত জন্মাইছে। মনৰ ইচ্ছাকাংক্ষাক জোৰকৈ দমন কৰিলেও ই বিশেষ কিছুমান মূহুৰ্তত ব্যক্তিৰ অগোচৰে চেতন অৱস্থাত প্ৰৱেশ লাভ কৰে। এই সম্পৰ্কে প্ৰথম অধ্যায়ত উল্লেখ কৰা হৈছে। মানুহৰ মনস্তত্ত্বৰ লগত জড়িত এই বিষয়টোৱেই উপন্যাস দুখনত গুৰুত্বতা লাভ কৰিছে। অনন্যাৰ স্বামী সম্পৰ্কত যিবোৰ কল্পনা বুকুত অৱদমন কৰি পুলিচ বিষয়াজনৰ লগত বৈবাহিক জীৱন কটাইছিল সেই অৱদমিত অপূৰণীয় ইচ্ছাকাংক্ষাবোৰ পূৰণ হৈছিল হৃদয়ক লগ পোৱাৰ পিছত। দ্বিতীয় স্বামী হৃদয়ৰ মাজত অনন্যাই প্ৰকৃত প্ৰেমৰ সন্ধান লাভ কৰিছিল। প্ৰথম স্বামীৰ সৈতে

বিচ্ছেদৰ পিছত হৃদয়ক লগ পোৱাত অনন্যাৰ অৱদমিত সকলো আকাংক্ষাই সাৰ্থকতা লাভ কৰিছিল। একেদৰে ইৰফানৰ সৈতে সাংসাৰিক জীৱন যাপন কৰাৰ ইচ্ছাকাংক্ষাক অৱদমন কৰি পাৰ্থৰ সৈতে বিয়াত বহা সন্ধ্যাৰো অপূৰণীয় আকাংক্ষাই পূৰ্ণতা লাভ কৰিছিল। স্বামী আৰু সন্তানৰ মৃত্যুৰ পিছত এইড্‌ছ ভাইৰাছৰ সৈতে যুঁজি থকা সন্ধ্যাক বিয়া পাতিবলৈ স্বইচ্ছাই ইৰফান আগবাঢ়ি আহিছিল।

অৱচেতন স্তৰত অৱদমিত ইচ্ছাকাংক্ষাই ব্যক্তিক অসুখী কৰি তোলাৰ লগতে বিভিন্ন মানসিক ৰোগৰো কাৰক। সেয়েহে ফ্ৰয়েডে তেওঁৰ ওচৰলৈ চিকিৎসাৰ বাবে অহা ৰোগীসকলৰ অৱদমিত ইচ্ছাকাংক্ষা জানিবলৈ প্ৰয়াস কৰিছিল। ইয়াৰ জৰিয়তে তেওঁ ৰোগৰ কাৰক নিৰ্ণয়ৰ লগতে চিকিৎসাও আগবঢ়াইছিল। প্ৰথম অধ্যায়ত এই সম্পৰ্কত আলোচনা কৰা হৈছে। *অৰুন্ধতী* আৰু *সন্ধ্যা* উপন্যাস দুখনতো অৱচেতন প্ৰৱণতাৰ দ্বাৰা পৰিচালিত প্ৰধান চৰিত্ৰ দুটাই মানসিক অসুস্থতাত ভোগা পৰিলক্ষিত হৈছে। তেওঁলোকৰ অৱচেতন স্তৰত অৱদমিত ইচ্ছানুভূতিয়ে প্ৰথম বৈবাহিক জীৱনত ধ্বংসাত্মক ক্ৰিয়া কৰাৰ বিপৰীতে দ্বিতীয় বিবাহত ইয়াৰ পৰিপূৰ্ণতাই গঠনাত্মক ৰূপ লাভ কৰিছে। অপূৰণীয় ইচ্ছাকাংক্ষাই প্ৰথম অৱস্থাত অনন্যাৰ মানসিক সন্তোলন ক্ৰমাৎ হ্ৰাস কৰি আনিছিল। বৈবাহিক জীৱনৰ অসন্তুষ্টিৰ বাবেই অনন্যাই হাতত মদ আৰু এলজোলাম তুলি লৈছিল। অৱশেষত বিভিন্নজনৰ পৰামৰ্শত অশান্ত মানসিক অৱস্থাক শান্ত কৰিবলৈ অনন্যাই ৰেইকিৰ আশ্ৰয় লৈছিল। অনন্যাৰ নিচিনাকৈ সন্ধ্যাইও মানসিক অশান্তিৰ বাবে নিজকে শেষ কৰাৰ প্ৰস্তুতি লৈছিল। সাতমাহৰ অন্তঃসত্বা সন্ধ্যাই শ্লিপিং টেবলেট সেৱন কৰি সম্পূৰ্ণ দুদিন হাস্পতালত পৰি ৰৈছিল— “এৰা, তীব্ৰ মানসিক অন্তৰ্দ্বন্দ্বত ভুগি সন্ধ্যাই শেষ কৰি দিব বিচাৰিছিল নিজকে। হয়, অগণন শ্লিপিং টেবলেট এক ঘোটতে গিলি পেলাইছিল তাই। ইমানবোৰ ঔষধ এটি—দুটিকৈ শহুৰেকৰ ড্ৰয়াৰৰ পৰা কিদৰে সংগ্ৰহ কৰিছিল তাই, এই বিষয়ে অৱশ্যে কোনেও মুখ খুলি কথা নাপাতিলে। সম্পূৰ্ণ দুটা দিন হাস্পতালত কটাই দেউতাকৰ ঘৰলৈ উভতি গৈছিল তাই।”[৮]

*বাঁহী* উপন্যাসত যৌৱনকালত ওপজা প্ৰেমানুভূতিক অৱদমন কৰি নয়নতৰাই মৌজাদাৰৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছিল। *সন্ধ্যা* উপন্যাসত সন্ধ্যাই দেউতাকক সুখী কৰিবৰ বাবে ইৰফানক এৰি পাৰ্থৰ লগত বিয়াত বহাৰ দৰে নয়নতৰাইও বিধৱা মাক আৰু খুড়াকৰ ইচ্ছা পূৰণৰ বাবে নিজতকৈ বহুগুণে ডাঙৰ পত্নী বিয়োগ ঘটা দুটি সন্তানৰ পিতৃৰ লগত বিয়াত বহিছিল। ললিতৰ প্ৰতি থকা প্ৰেমানুভূতিক অন্তৰত দমন কৰি মৌজাদাৰৰ লগত বিয়াত বহিলে যদিও

হোমৰ গুৰিত তাইৰ ওচৰত একান্তই ললিতৰ উপস্থিতি কামনা কৰিছিল। পৰিয়াল আৰু সমাজক সাক্ষী কৰি মৌজাদাৰ আৰু সন্তান দুটিক আদৰি ল'লেও নয়নতৰাৰ অৱচেতন স্তৰত ললিতৰ উপস্থিতি আছিল। সেয়েহে বিয়াৰ পিছতো সকলোৰে মাজত থাকিও নয়নতৰাই শূন্যতা অনুভৱ কৰিছিল। নয়নতৰাৰ অৱচেতন স্তৰত অৱদমিত ললিতৰ অস্তিত্বই নয়নতৰাক বিষাদগ্ৰস্ত কৰি তুলিছে।

*বৰদোৱানী* উপন্যাসত বৰদোৱানীৰ অৱদমিত ইচ্ছাকাংক্ষাই প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। গোটেই উপন্যাসখন পৰিচালিত হৈছে বৰদোৱানীৰ অৱদমিত ইচ্ছাকাংক্ষাৰে। শাহুৱেকৰ বচন আৰু সকলোৰে হেঁচাত বৰদোৱানীয়ে পুণ্যধৰক দ্বিতীয় বিবাহ কৰাবলৈ বাধ্য কৰাইছিল। কোনো নাৰীয়ে নিজৰ স্বামীক আনৰ সৈতে ভাগ-বটোৱোৱা কৰিবলৈ মানসিকভাৱে প্ৰস্তুত নহয়। বৰদোৱানীও এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। তাই সন্তানহীনা বাবে ঘৰত পুণ্যধৰৰ দ্বিতীয় বিবাহৰ প্ৰসংগ ওলোৱাৰ সময়ত বৰদোৱানী মানসিকভাৱে ভাগি পৰিছিল। একমাত্ৰ ঘৰৰ মানুহক সন্তুষ্ট কৰিবলৈকে বৰদোৱানীয়ে পুণ্যধৰৰ দ্বিতীয় বিবাহত সন্মতি দিছিল যদিও পুণ্যধৰৰ জীৱনত তাইৰ স্থান আন এগৰাকী নাৰীক দিয়াতো বৰদোৱানীয়ে কেতিয়াও বিচৰা নাছিল। পুণ্যধৰক নিজৰ কৰি ৰখাৰ ইচ্ছাকাংক্ষা বুকুত অৱদমন কৰি বৰদোৱানীয়ে পুণ্যধৰক ৰেণুমাইৰ ওচৰত সমৰ্পণ কৰিছিল। বংশৰক্ষাৰ বাবে পুণ্যধৰ ৰেণুমাইৰ সম্পৰ্ক দৃঢ় কৰিবলৈকেই বৰদোৱানীয়ে নিজকেপুণ্যধৰৰ পৰা আঁতৰাই ৰাখিছিল যদিও প্ৰতিটো মুহুৰ্ততপুণ্যধৰক কাষত পাবলৈ বিচাৰিছিল। এনেদৰেই বৰদোৱানীয়ে নিজৰ সমস্ত আৱেগ-অনুভূতিক দমন কৰি এক যন্ত্ৰৱৎ জীৱন-যাপন কৰিছিল। উপন্যাসখনতপুণ্যধৰৰ অৱদমিত ইচ্ছাংকাক্ষাও বিষয়ৰ ৰূপত প্ৰকাশ ঘটিছে। বৰদোৱানীৰ লগত সম্পৰ্কৰ নিবিড়তাৰ বাবেই পুণ্যধৰে বৰদোৱানীক এৰি আন এগৰাকীক বিয়া পাতিবলৈ সন্মত হোৱা নাছিল। কিন্তু বৰদোৱানী আৰু পৰিয়ালৰ হেঁচাত বাধ্য হৈ এই কাম কৰিবলগীয়া হ'লেও ৰেণুমাইৰ সৈতে শাৰীৰিক সম্পৰ্ক স্থাপনৰ পক্ষপাতী নাছিল। ৰেণুমাইক বিয়া কৰোৱাৰ পিছতোপুণ্যধৰে শাৰীৰিক আৰু মানসিক সংগ বিচাৰি বৰদোৱানীৰ কাষ চাপিছিল। কিন্তু বৰদোৱানীৰ নিস্পৃহতাই প্ৰতিবাৰেই পুণ্যধৰক বিমুখ কৰিছিল। যাৰবাবে পিছলৈ পুণ্যধৰে ৰেণুমাইক আদৰি লৈ অপূৰণীয় যৌন বাসনা চৰিতাৰ্থ কৰিছিল। পুণ্যধৰৰ এই কাৰ্যই বৰদোৱানীৰ লগত তেওঁৰ সম্পৰ্কৰ দূৰত্ব অধিক বৃদ্ধি কৰিছিল। এনেদৰেই *বৰদোৱানী* উপন্যাসখনত বিষয়বস্তুৰ জটিলতা বৃদ্ধি পাইছে।

*অনুৰোধ* উপন্যাসত মনস্তাত্বিক অৱদমনৰ প্ৰসংগ বিষয়বস্তু হিচাপে ৰূপায়ণ হৈছে।

উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ জন্মৰ পিছতেই মাতৃহাৰা হোৱা ৰঘুপতি দাসে দেউতাকৰ দ্বিতীয়গৰাকী পত্নীৰপৰা মাতৃস্নেহ বিচাৰিছিল। ৰঘুপতি দাসে মাক হিচাপে আদৰি ল'লেও সেই নাৰীগৰাকীয়ে তেওঁক সন্তান হিচাপে আদৰি ন'ললে। আনকি মাহীমাকৰ বাবেই পিতৃৰ সান্নিধ্যৰপৰাও তেওঁ বঞ্চিত হৈ ৰৈছিল। সেয়েহে মাতৃৰ আদৰ-যতন নোপোৱাকৈ ডাঙৰ হোৱা ৰঘুপতি দাসৰ অৱচেতন স্তৰত মাতৃস্নেহ লাভৰ আকাংক্ষা অৱদমিত ৰূপত ৰৈ গ'ল। এই অৱদমিত ইচ্ছাংকাক্ষাই সময়ে সময়ে তেওঁক বিচলিত কৰা উপন্যাসখনত প্ৰত্যক্ষ কৰা হয়। মাহীমাকৰ চৰিত্ৰই সমগ্ৰ নাৰীজাতিৰ প্ৰতি বিমুখ কৰি তোলা ৰঘুপতি দাসে অৱশেষত এগৰাকী মাতৃৰ মাজতেই প্ৰকৃত প্ৰেমৰ সন্ধান লাভ কৰিলে। চেতন-অৱচেতন কোনো অৱস্থাতে নাৰীৰ কাষ নচপা ৰঘুপতি দাসৰ অন্তৰত এগৰাকী বিবাহিত নাৰীয়ে প্ৰেম জাগ্ৰত কৰিছিল। ৰঘুপতি দাসৰ শৈশৱ-কৈশোৰ কেৱল যন্ত্ৰণাৰ মাজেৰে পাৰ হৈছিল। আন্তৰিকতাৰ অভাৱে তেওঁক বিষাদগ্ৰস্ত কৰি তুলিছিল। সেয়েহে তেওঁ আনৰ যন্ত্ৰণাৰ প্ৰতিও সচেতন হৈ ৰৈছিল। ৰঘুপতি দাসে ধৰ্মৰঞ্জনৰ পত্নী নীলিৰ আগত ব্যক্ত কৰা মন্তব্যৰ পৰা ৰঘুপতি দাসৰ অৱদমিত মনস্তত্ত্বৰ বহিৰ্প্ৰকাশ ঘটিছে—

> ঃ মই মানুহ ভালপাওঁ, নেছাৰ ভালপাওঁ, শব্দ-শস্য-কবিতা সকলো ভালপাওঁ। বিশেষকৈ ভালপাওঁ নাৰীক। তুমি জানানে মই মাৰ আদৰ পাবৰ যোগ্য আছিলোঁ, অথচ নাপালোঁ। আইতাৰ লগত ডাঙৰ হৈছোঁ। মা ঢুকুৱাৰ পাছতে আইতাক পাইছোঁ, আইতাৰ মাজতে মাক বিচাৰি ফুৰিলোঁ। মা মানেই যেন উদাৰ-ক্ষমাশীল-স্নেহময়ী আৰু মোৰ এই নিঃসংগ ৰূপ দেখি বিষাদ-যন্ত্ৰণাত ভোগা নাৰী। ... কোনো নাৰীৰ যন্ত্ৰণা মোৰ সহ্য নহয়।[৯]

ৰঘুপতি দাসৰ সমগ্ৰ কাৰ্য-কলাপত অৱচেতন প্ৰৱণতাই ক্ৰিয়া কৰিছে। তেওঁ নিজেই নিঃসংগ আৰু বিষাদগ্ৰস্ততাত দিন কটাইছে যদিও নীলিৰ বিষাদগ্ৰস্ততাক অৱহেলা কৰিব পৰা নাই। মাকৰ মৰমৰপৰা বঞ্চিত হৈ জীৱন-যাপন কৰা ৰঘুপতি দাসে পৃথিৱীৰ প্ৰত্যেকগৰাকী নাৰী সুখী হোৱাটো বিচাৰে। তেওঁ সহমৰ্মিতা উপলব্ধি কৰিব পৰাৰ ক্ষমতা অৰ্জন কৰিছে ব্যক্তিগত জীৱন অভিজ্ঞতাৰপৰা। শেহান্তৰত ৰঘুপতি দাসে নীলিৰ প্ৰতি প্ৰেম নিবেদন কৰি নাৰীৰ প্ৰকৃত স্নেহ লাভৰ যি অৱদমিত ইচ্ছাকাংক্ষা সেয়া চৰিতাৰ্থ কৰাৰ লগতে নীলিৰ বেদনাও লাঘৱ কৰিবলৈ সক্ষম হৈছে।

পুৰণি আৰু আধুনিক প্ৰজন্মৰ মানসিক ব্যৱধানৰ ফলত সৃষ্টি হোৱা দ্বন্দ্ব *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসখনত বিষয়বস্তু হিচাপে ৰূপায়ণ কৰা হৈছে। আধুনিক আৰু পৰম্পৰাগত মূল্যবোধৰ

মাজত পিষ্ট এগৰাকী নাৰী হৈছে নিৰ্মলা। বিবাহৰ পূৰ্বে প্ৰত্যেক নাৰীয়ে দেখাৰ দৰে এখন সুখৰ সংসাৰৰ সপোন নিৰ্মলাইও দেখিছিল। কিন্তু সেই সপোন বাস্তৱত পৰিণত ন'হল। স্বামীৰদ্বাৰা শাৰীৰিক আৰু মানসিকভাৱে অপদস্থ নিৰ্মলাৰ শেষ আশা আছিল সন্তান তিনিটা। তেওঁৰ সন্তান তিনিটাই সকলো যন্ত্ৰণাৰ পৰা মুক্ত কৰাৰ আশা এগৰাকী মাতৃ হিচাপে তেওঁৰ অৱচেতনাত স্থান পাইছিল। অৱচেতন মনত কঢ়িয়াই লৈ ফুৰা তেওঁৰ ইচ্ছাকাংক্ষা পূৰণ কৰাৰ বিপৰীতে সন্তান তিনিটাৰ তেওঁৰ প্ৰতি অৱহেলাৰ মাত্ৰা বাঢ়ি গৈছিল। সন্তানৰ উচ্ছৃংখল আচৰণ তথা জীৱন প্ৰণালীয়ে নিৰ্মলাৰ বিয়াৰ পিছৰে পৰা কঢ়িয়াই ফুৰা যন্ত্ৰণাত সাৰ-পানী দিছিল। জী-জোঁৱাই, পুত্ৰ-বোৱাৰীৰে আবৃত হৈ থকাৰ পিছতো নিৰ্মলা ক'ৰবাত যেন শূন্য হৈ ৰৈছিল। ঘৰৰ মানুহৰপৰা পোৱা অনাদৰ-অৱহেলাৰ বাবেই অৱশেষত তেওঁ স্বইচ্ছাই বৃদ্ধাশ্ৰমৰ বাসিন্দা হৈছিল। অৱদমিত ইচ্ছাকাংক্ষাই বৃদ্ধাশ্ৰমলৈ যোৱাৰ পিছতো তেওঁৰ মানসিক যন্ত্ৰণা লাঘৱ হ'বলৈ দিয়া নাই। এনেদৰে মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয়ৰ প্ৰভাৱত এগৰাকী নাৰীয়ে কিদৰে নিজৰ ইচ্ছাকাংক্ষাক অৱচেতন স্তৰত অৱদমিত কৰি যন্ত্ৰণাময় জীৱন কটাবলগীয়া হৈছিল সেয়া বিষয়বস্তু হিচাপে ৰূপায়ণ ঘটিছে।

*যমুনা* উপন্যাসত অকালতে স্বামী আৰু সন্তানক হেৰুৱাই নিঃসংগ হৈ পৰা যমুনাৰ মানসিক যন্ত্ৰণাৰ প্ৰতিফলন ঘটোৱা হৈছে। স্বামী আৰু একমাত্ৰ সন্তানৰ মৃত্যুক গ্ৰহণ কৰিছে যদিও অৱচেতন মনত তেওঁলোকৰ উপস্থিতিয়ে যমুনাৰ আচাৰ-আচৰণত প্ৰভাৱ পেলাইছে। যাৰবাবে কেতিয়াবা স্বামী-পুত্ৰৰ উপস্থিতি মনতে কল্পনা কৰিছে আৰু কেতিয়াবা তেওঁলোকে আহি যমুনাক মতা ভ্ৰম শুনিছে। সম্পূৰ্ণৰূপে অকলশৰীয়া হৈ পৰা যমুনাই মৃত সন্তানৰ প্ৰেয়সীক বুকুত আদৰি লৈছে। একমাত্ৰ পুত্ৰৰ সংসাৰ পাতি বোৱাৰী আদৰি অনাৰ যি ইচ্ছাকাংক্ষা মাতৃ হিচাপে তেওঁৰ অন্তৰত থিতাপি লৈছিল সোণকণৰ মৃত্যুৰ লগে লগেই সকলো নিঃশেষ হৈছিল। পল্লৱীক বোৱাৰী হিচাপে পোৱাৰ যি বাসনা বুকুত গঢ় লৈ উঠিছিল সেয়া যমুনাৰ অৱদমিত ইচ্ছাকাংক্ষাত পৰিণিত হৈছিল। এই অৱদমিত ইচ্ছাকাংক্ষাই সময়ে সময়ে তেওঁৰ অগোচৰে চেতনাত প্ৰৱেশ কৰি মানসিক যন্ত্ৰণা বৃদ্ধি কৰিছিল। যমুনাই বিচাৰিছিল তেওঁৰ নিচিনাকৈ পল্লৱীয়েও সোণকণৰ স্মৃতিকে বুকুত সাৱটি জীৱন কটোৱাটো। কিন্তুপল্লৱীয়ে যেতিয়া জীৱনত আগবাঢ়িছিল তেতিয়াই যমুনাৰ অৱচেতনৰ স্তৰত অৱদমিত বাসনাই অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰিছিল। যমুনাৰ চিন্তা-ধাৰণা, ক্ৰিয়া-কলাপত অৱচেতনাৰ যি প্ৰভাৱ সিয়েই উপন্যাসখনৰ মূল চালিকা শক্তি।

উপন্যাসসমূহত চৰিত্ৰৰ অৱচেতন স্তৰত অৱদমিত ইচ্ছাকাংক্ষাসমূহে চৰিত্ৰৰ জীৱন

পৰিচালিত কৰিছে। অৱদমিত ইচ্ছাকাংক্ষাসমূহে সময়ে সময়ে চেতন স্তৰলৈ অহাৰ ফলশ্ৰুতিত চৰিত্ৰই মানসিক দ্বন্দ্বৰ সন্মুখীন হৈছে। ই চৰিত্ৰৰ কাৰ্য-কলাপ আৰু আচাৰ-আচৰণত বহিৰ্প্ৰকাশ ঘটিছে। চৰিত্ৰসমূহে কটাই থকা সুস্থিৰ জীৱনত অৱচেতন স্তৰৰ অৱদমিত ইচ্ছাকাংক্ষাসমূহে অস্থিৰতা কঢ়িয়াই আনিছে। ইয়ে উপন্যাসকেইখনৰ কাহিনী নিৰ্মাণত গুৰুত্বপূৰ্ণ বিষয় হিচাপে ক্ৰিয়া কৰিছে। এনেদৰেই উপন্যাসসমূহত অৱচেতন প্ৰৱণতা আৰু অৱদমন গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে।

**৩.০৩ ইলেক্‌ট্ৰা কমপ্লেক্সৰ প্ৰকাশ ঃ**

ফ্ৰয়েডে ইডিপাছ কমপ্লেক্সৰ ধাৰণা আগবঢ়াই পুত্ৰ সন্তানে মাতৃৰ প্ৰতি আৰু কন্যা সন্তানে পিতৃৰ প্ৰতি আকৰ্ষিত হোৱাৰ কাৰণ সম্পৰ্কে বিশ্লেষণ কৰিছিল। এই সম্পৰ্কে প্ৰথম অধ্যায়ত আলোচনা কৰা হৈছে। প্ৰাপ্তবয়স্ক হোৱাৰ লগে লগে সন্তান কম-বেছি পৰিমাণে পিতৃ-মাতৃৰপৰা মুক্ত হয় আৰু অৱচেতন মনৰ আশা-আকাংক্ষাৰো পৰিৱৰ্তন ঘটে। অৱশ্যে পিতৃৰ প্ৰতি কন্যা আৰু মাতৃৰ প্ৰতি পুত্ৰৰ শৈশৱত গঢ় লৈ উঠা যৌনকাংক্ষা সময়ত লুপ্ত হয় যদিও এটি আকৰ্ষণ ৰৈ যায়। এই আকৰ্ষণৰ বাবেই কন্যা সন্তানৰ বাবে পিতৃ আৰু পুত্ৰ সন্তানৰ বাবে মাতৃ অধিক প্ৰিয় হয়। মানুহৰ মনস্তত্ত্বৰ লগত জড়িত এই জটিল ৰহস্যৰ অনুধাৱন কৰি মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহ অধ্যয়ন কৰিলে *অৰুন্ধতী* উপন্যাসত ইলেক্‌ট্ৰা কমপ্লেক্সৰ কিছু প্ৰভাৱ পৰিলক্ষিত হোৱা বুলি ক'ব পৰা যায়। পিতৃৰ সৈতে অনন্যাৰ যি মানসিক সম্বন্ধ সিয়েই উপন্যাসখনত গভীৰভাৱে ৰেখাপাত কৰিছে। উপন্যাসখনত বৰ্ণনা কৰা অনুসৰি পিতৃৰ মৃত্যুৰ পিছত অনন্যাৰ সংসাৰলৈ অধিক জটিলতা নামি আহিছিল। পিতৃৰ মৃত্যু শোক সহজভাৱে গ্ৰহণ কৰিব নোৱাৰা অনন্যা সংসাৰৰ প্ৰতি সম্পূৰ্ণই উদাসীন হৈ পৰিছিল। যাৰ পৰিপেক্ষিতত বিয়াৰ পিছৰে পৰা স্বামীৰ সৈতে যি মানসিক সংঘাতৰ সূত্ৰপাত হৈছিল সি অধিক গাঢ় হৈ উঠিছিল। পিতৃৰ মৃত্যুৰ সুৰুঙাৰে সিহঁতৰ সম্পৰ্কলৈ দূৰত্ব বাঢ়ি আহিছিল। অনন্যাৰ পিতৃৰ সৈতে কোনো যৌন সম্পৰ্ক স্থাপনৰ আসক্তি নাছিল যদিও অধিক একাত্মতা আছিল। এই সম্পৰ্কত অনন্যাই কৈছে—

> আগতে পিতা বহুদিনৰ বাবে ঘৰ এৰি ক'ৰবালৈ গ'লে মই তেওঁৰ কামিজ শুঙিছিলোঁ, গাৰুটোত নিজে শুই তেওঁৰ শৰীৰৰ গোন্ধ লৈছিলোঁ। নিবিড় আছিলোঁ পিতাৰ স'তে। ইমানেই নিবিড় যে মোক দৰাৰ স'তে আগবঢ়াই কলৰ তলত যিখন ৰুমালেৰে তেওঁ মোৰ চকুলো মচি দিছিল, সেইখনো মই সযতনে সামৰি আনিছিলোঁ। ঘৰলৈ মনত পৰিলেই সেইখন উলিয়াই দুচকু মুদি বহু সময় শুঙি ৰৈছিলোঁ।[১০]

পিতৃৰ প্ৰতি অনন্যাৰ এই প্ৰেম আৰু পিতৃৰ মৃত্যুৰ পিছত অনন্যাৰ আচৰণ সেই সমগ্ৰকে উপলক্ষ্য কৰি চৰিত্ৰটোৱে ইলেক্ট্ৰা কমপ্লেক্সত ভোগা বুলি কোৱাৰ থল আছে। *অৰুন্ধতী* উপন্যাসত অনন্যাৰ প্ৰথম বিবাহ বিচ্ছেদৰ পৰ্যায়লৈ যোৱাৰ এটি অন্যতম কাৰণ হিচাপে অনন্যাৰ ইলেক্ট্ৰা কমপ্লেক্সৰ কথা উনুকিয়াব পাৰি। পিতৃৰ অনুপস্থিতিত স্নেহ আৰু নিৰাপত্তাৰ অভাৱত অনন্যাক একাকীত্বই গ্ৰাস কৰিছিল। ইয়ে বৈবাহিক জীৱনতো বিৰূপ প্ৰভাৱ পেলায়। উপন্যাসখনত অনন্যাই এইকথা অকপটে স্বীকাৰ কৰিছে। উপন্যাসখনত সাহিত্য সভাৰ সভাপতিজনে ইলেক্ট্ৰা কমপ্লেক্স সম্পৰ্কে অনন্যাক অৱগত কৰোৱা কথাখিনিৰ পৰাও অনন্যা ইলেক্ট্ৰা কমপ্লেক্সত ভোগাতো নিশ্চিত হৈ পৰে। পৰৱৰ্তী সময়ত অনন্যাই নিজেও ইলেক্ট্ৰা কমপ্লেক্সত ভোগা কথাষাৰ স্বীকাৰ কৰি লৈছে।

ফ্ৰয়েডে কৈ যোৱাৰ দৰে অনন্যাই পিতৃৰ প্ৰতি কোনোধৰণৰ যৌন আকৰ্ষণ অনুভৱ কৰা নাই। পিতৃৰ সৈতে তেওঁৰ সম্পৰ্ক অতি নিবিড় আছিল। যাৰবাবেই পিতৃৰ মৃত্যুই তেওঁৰ ব্যক্তি জীৱন আৰু পৰিয়াল জীৱনত বিশেষভাৱে প্ৰভাৱ পেলাইছিল। পিতৃৰ মৃত্যুত নিৰাপত্তা আৰু স্নেহছায়াৰ পৰা বঞ্চিত হোৱা অনন্যাই পিতৃবিহীন পৃথিৱীখনৰ সৈতে সহাৱস্থান কৰিবলৈ মানসিকভাৱে অপাৰগ হৈছিল। ফ্ৰয়েডে পিতৃ আৰু কন্যাৰ আত্মীয়তাৰ কথাকেই কোৱা হেতুকে উপন্যাসখনত ঔপন্যাসিকাইও অনন্যাই ইলেক্ট্ৰা কমপ্লেক্সত ভোগা বুলি কৈছে। উপন্যাসখনত অনন্যাৰ ইলেক্ট্ৰা কমপ্লেক্সে বিষয় হিচাপে এনেদৰেই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

**৩.০৪ সন্তানৰ প্ৰসংগ আৰু মনস্তত্ত্ব ঃ**

মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসসমূহৰ ভিতৰত *অৰুন্ধতী, বৰদোৱানী, বাঁহী, মুক্তি, যমুনা,* আৰু *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসকেইখনত সন্তানৰ প্ৰসংগই বিষয়বস্তু হিচাপে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। বৈবাহিক জীৱনত সন্তান সকলো দম্পতীৰে কাম্য বিষয় হৈ পৰে। সন্তানক কেন্দ্ৰ কৰি নাৰী আৰু পুৰুষৰ বিভিন্ন মনস্তাত্ত্বিক দিশ প্ৰকট হয়। বৈবাহিক জীৱনত সন্তানৰ অনুপস্থিতিয়ে সংসাৰত কিদৰে যন্ত্ৰণাৰ সৃষ্টি কৰে সেয়া মণিকুন্তলা ভট্টাচাৰ্যৰ *অৰুন্ধতী* আৰু *বৰদোৱানী* উপন্যাসত অংকন কৰা হৈছে। *অৰুন্ধতী* উপন্যাসত অনন্যাৰ প্ৰথম বিবাহ বিচ্ছেদৰ কাৰণ হৈছে সন্তানহীনতা। অনন্যাই নিজৰ বন্ধ্যাত্ব সম্পৰ্কে অৱগত হৈ স্বইচ্ছাই স্বামীক এৰি নিজৰ ঘৰলৈ উভতি আহিছিল। বিবাহৰ পিছৰেপৰা তেওঁলোকৰ সংসাৰত যিবোৰ সমস্যাৰ সৃষ্টি হৈ আছিল তাৰ সমাধান হিচাপে অনন্যাই এটি সন্তানৰ আগমন আন্তৰিকতাৰে কামনা কৰিছিল। মাতৃ হোৱাৰ সকলো আশা-

আকাংক্ষাক বুকুত সামৰি অনন্যাই নিঃসংগতা আৰু একাকীত্বক আকোঁৱালী লৈছিল। *বৰদোৱানী* উপন্যাসখনতো সন্তান জন্ম দিব পৰাৰ ক্ষমতা নথকাৰ বাবেই বৰদোৱানীৰ সংসাৰলৈ জটিলতা আহিছিল। একমাত্র পুত্র পুণ্যধৰৰ বংশৰক্ষাৰ বাবে উঠিপৰি লগা ঘৰৰ মানুহৰ হেঁচাত বাধ্য হৈ বৰদোৱানীয়ে নিজৰ আৱেগক নিয়ন্ত্রণ কৰিপুণ্যধৰক আন এগৰাকী নাৰীৰ ওচৰত সমৰ্পণ কৰিছিল। *অৰুন্ধতী* উপন্যাসত অনন্যাই স্বামীৰ দ্বিতীয় বিবাহৰ বাট মুকলি কৰি বিবাহ বিচ্ছেদ ঘটোৱাৰ নিচিনাকৈ বৰদোৱানীয়েও স্বামীক দ্বিতীয় বিবাহৰ বাবে মান্তি কৰাইছিল।পুণ্যধৰৰ দ্বিতীয় বিবাহ সম্পৰ্কত বৰদোৱানীয়ে এনেদৰে কৈছে—“ঃ মই একো নকওঁ লাহৰী, তেওঁ বিয়া পাতক সতিনী নহয়, তিৰোতা বুলিয়েই সহিম সিজনীক, ল’ছালীক ডাঙৰ কৰিম ... ...।” [১১] দুয়োখন উপন্যাসতে সন্তানৰ সুখ দিবৰ বাবে অনন্যা আৰু বৰদোৱানীয়ে নিজ নিজ স্বামীৰ পৰা দূৰত্বত অৱস্থান কৰিছে। স্বামীক নিজে দিবলৈ অপাৰগ সন্তানৰ সুখ আনৰ মাজেৰে পোৱাৰ বাট কাটি দিছে। বন্ধ্যা নাৰীৰ জীৱন যন্ত্রণাৰ লগতে তেওঁলোকৰ আশা-আকাংক্ষাকো উপন্যাস দুখনত গুৰুত্ব দিয়া হৈছে। সন্তান লাভৰ আকাংক্ষা বুকুত পুহি ৰখা এইসকল নাৰীয়ে নিজৰ অৱদমিত ইচ্ছাকাংক্ষা আনৰ সন্তানৰ মাজেৰে পৰিপূৰ্ণ কৰিব বিচাৰিছে। সেয়েহে *অৰুন্ধতী* উপন্যাসত অনন্যাৰ স্বামীৰ দ্বিতীয় পত্নীয়ে সন্তান প্ৰসৱ কৰাৰ বাতৰি পাইয়ে অনন্যাই নাচিংহোমলৈ গৈ সন্তানটিক বুকুত মাতৃত্বৰ উমেৰে সামৰি লৈছে। বিবাহ বিচ্ছেদৰ পিছত অনন্যালৈ বিভিন্নজনৰ প্ৰেমৰ প্ৰস্তাৱ আহিছিল। এই প্ৰস্তাৱ দিয়া ব্যক্তিসকলৰ ভিতৰত বিজয় কুমাৰৰ প্ৰতিও আনকি অনন্যাৰ অন্তৰত পুত্ৰৱৎ স্নেহ জাগি উঠিছিল। *বৰদোৱানী* উপন্যাসত বৰদোৱানীয়েও পুণ্যধৰ আৰু ৰেণুমাইৰ সন্তানক নিজৰ গৰ্ভজাত সন্তানৰ দৰে আঁকোৱালী লৈ অৱদমিত অপূৰ্ণ বাসনা পূৰ্ণ কৰিছিল। বৰদোৱানীয়ে ৰেণুমাইৰ সন্তানক বুকুৰ সমস্ত প্ৰেম উজাৰি স্নেহ দিছে। সন্তানটো যেন ৰেণুমাই আৰু পুণ্যধৰৰ নহৈ তাইৰ আৰু পুণ্যধৰৰহে সন্তান। কেঁচুৱাটিৰ শুশ্রূষাত ব্যস্ত বৰদোৱানী নিজেই এগৰাকী মাতৃ হৈ উঠিছিল। এনেদৰেই উপন্যাস দুখনত বন্ধ্যা নাৰী মনস্তত্ত্ব বিষয়বস্তু ৰূপত প্ৰকাশ ঘটিছে।

*মুক্তি* আৰু *যমুনা* উপন্যাসত সন্তানৰ মৃত্যু আৰু পৰৱৰ্তী সময়ত আনৰ সন্তানৰ মাজেৰে মাতৃত্বৰ সুখ অনুভৱ কৰিব বিচৰা নাৰী মনস্তত্ত্বৰ প্ৰকাশ ঘটিছে। ব্যক্তিৰ অৱচেতন মনৰ অৱদমিত আকাংক্ষাই পৰিপূৰ্তিৰ পথ বিচাৰে। এইক্ষেত্ৰত ব্যক্তিয়ে যিকোনো প্ৰকাৰে নিজৰ ইচ্ছাকাংক্ষা পূৰণৰ পথ নিজেই নিৰ্মাণ কৰি লয়। এয়া ব্যক্তি মনস্তত্ত্বৰ এটি অন্যতম দিশ। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ সন্তানহীনা নাৰীসকলেও নিজৰ অৱদমিত ইচ্ছাকাংক্ষা পৰিপূৰ্তিৰ পথ হিচাপে আনৰ সন্তানক মমতাৰে আকোঁৱালী লৈছে। *মুক্তি* উপন্যাসত ডাক্তৰ-নাৰ্চৰ অসতৰ্কতাৰ বাবে জন্মৰ

পিছতে ওজন জুখিবলৈ নিয়া স্মৃতিৰ সন্তানটোৱে মূৰত ঠোকৰ খাই মৃত্যুক আঁকোৱালী ল'বলগীয়া হৈছিল। একমাত্ৰ সন্তানক হেৰুৱাই দুখত কাতৰ হৈ পৰা স্মৃতিৰ সন্মুখলৈ অহা প্ৰত্যেকটো সন্তানেই যেন তেওঁৰ হেৰাই যোৱা সন্তানটোৰ ৰূপ লৈ আহিছিল। মৃত সন্তানৰ উপস্থিতি চেতন-অৱচেতন মনত কঢ়িয়াই ফুৰা এগৰাকী মাতৃয়ে নিজৰ মৃত সন্তানক আনৰ মাজত চলাথ কৰাৰ এক হৃদয়স্পৰ্শী বৰ্ণনা উপন্যাসখনত দিয়া হৈছে। স্মৃতিয়ে নিজৰ মানসিক অৱস্থা সম্পৰ্কত কৈছে— "মৰি যোৱা পুত্ৰ বাৰে বাৰে অন্যৰ মাজেৰে যন্ত্ৰণা হৈ কিয় উভতি আহি থাকে?"[১২] *যমুনা* উপন্যাসতো একমাত্ৰ পুত্ৰক হেৰুওৱা যমুনাই ভাৰাতীয়া মানুহঘৰৰ পুত্ৰৰ মাজত নিজৰ মৃত পুত্ৰৰ অস্তিত্ব অনুভৱ কৰিছে। নিজৰ সন্তানক অকালতে হেৰুৱাই স্মৃতিয়ে গোটেই জীৱনৰ বাবে যি যন্ত্ৰণা কঢ়িয়াই ফুৰিছে তাৰ পৰিণতিতে তেওঁৰ সকলো ল'ৰা-ছোৱালীৰ প্ৰতিয়েই মমতাৰ উদ্ৰেক ঘটিছে। সেয়েহে নিজৰ লগত হোৱা অন্যায়ৰ প্ৰতিবাদস্বৰূপে ৰৌশন শেঠক হত্যা কৰি জেললৈ যাবলগীয়া হোৱা বচন্তীৰ পুত্ৰ শংকৰক ন্যায় দিবৰ বাবে স্মৃতি উঠিপৰি লাগিছিল। কিয়নো তাৰ মাজতো স্মৃতিয়ে মৃত সন্তানৰ অস্তিত্বই কল্পনা কৰিছিল। সন্তানৰ প্ৰতি বুকুত কঢ়িয়াই লৈ ফুৰা মাতৃস্নেহৰ বাবেই শংকৰৰ পঢ়া-শুনাৰ দায়িত্বকে আদি কৰি বস্তিৰ সকলো শিশুকে একো একোজন সুনাগৰিক হিচাপে গঢ়ি তোলাৰ দায়িত্ব স্মৃতিয়ে মূৰ পাতি লয়। স্বামীৰ পিছতে একমাত্ৰ সন্তানক হেৰুৱাই নিঃসংগ হৈ পৰা যমুনাই মৃত সন্তানৰ প্ৰেয়সী পল্লৱীক মাতৃত্বৰ উমেৰে আৱৰি ৰাখিছিল যদিও পল্লৱী গুচি যোৱাত পুনৰ অকলশৰীয়া হৈ পৰিছিল। স্বামী আৰু সন্তানৰ বাবে হাহাকাৰ কৰি ফুৰা যমুনাই অৱশেষত ৰঞ্জিতৰ মাতৃহাৰা কেঁচুৱাটোক আদৰি লৈ সন্তানহীনতাৰ যন্ত্ৰণা কিছুপৰিমাণে লাঘৱ কৰাৰ প্ৰয়াস কৰিছে।

*বন্ধ ঘৰৰ খিৰিকী* উপন্যাসখনত তিনিটাকৈ সন্তান থকাৰ পিছতো সন্তানৰ সুখৰ পৰা বঞ্চিত এগৰাকী বৃদ্ধ নাৰীৰ মৰ্মবেদনাক বিষয়বস্তু হিচাপে উপস্থাপন কৰা হৈছে। স্বামীৰদ্বাৰা শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ বলি হোৱা নিৰ্মলাই সন্তান তিনিটাৰ মাজত সুখৰ সন্ধান কৰিছিল। কিন্তু পুত্ৰ-কন্যাৰ মাকৰ প্ৰতি দিনে দিনে বাঢ়ি অহা অৱহেলা-অনাদৰে নিৰ্মলাৰ মানসিক যন্ত্ৰণা বৃদ্ধি কৰিছিল। এহাতে মাতৃৰ মমতা আৰু আনহাতে সন্তানৰ ঔদ্ধ্যতালি তথা নিৰ্মলাৰ প্ৰতি নিস্পৃহতাই নিৰ্মলাৰ অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰিছিল।

*সন্ধ্যা* উপন্যাসত পাৰ্থৰ পিছতে এইড্ছত আক্ৰান্ত একমাত্ৰ সন্তানটিৰো মৃত্যু ঘটাত সন্ধ্যা নিঃসংগতাত ভুগিছিল। পাৰ্থৰ স্খলিত চৰিত্ৰ সম্পৰ্কে জ্ঞাত হোৱাৰ পিছত গৰ্ভত থিতাপি লোৱা সন্তানটিয়েই সন্ধ্যাৰ জীৱনৰ শেষ সম্বল আছিল। সন্তানটি গৰ্ভত থাকোতেই পাৰ্থৰ জৰিয়তে

সন্ধ্যা আৰু সন্তানটিৰ গালৈও এইড্‌ছৰ বীজাণু বিয়পে। যাৰপৰিণতিত দিনে দিনে সন্তানটিৰ ৰোগ প্ৰতিৰোধ কৰাৰ ক্ষমতা হ্ৰাস পাই আহিছিল। অৱশেষত সন্ধ্যাক অকলশৰীয়া কৰি এবছৰীয়া সন্তানটিয়ে মৃত্যুক আকোঁৱালি লয়। সন্তানক হেৰুৱাই একাকীত্বত ভোগা সন্ধ্যাইও কলকাতাৰ ৰাজপথত লগ পোৱা অশোকক সন্তান হিচাপে তুলি ল'ব বিচাৰিছিল। নিজৰ সন্তানক হেৰুৱাই আনৰ সন্তানৰ মাজেৰে মাতৃত্বৰ সুখৰ অনুসন্ধান কৰিব বিচৰা সন্ধ্যাৰ মনস্তাত্ত্বিক দিশৰ প্ৰকাশ ঘটিছে উপন্যাসখনত।

আলোচ্য উপন্যাসসমূহত সন্তানৰ প্ৰসংগত প্ৰতিগৰাকী নাৰীয়ে মানসিক যন্ত্ৰণাত ভুগিছে। বন্ধ্যাত্বই অনন্যা, বৰদোৱানীৰ সহজ জীৱন যাত্ৰাৰ পথ ৰুদ্ধ কৰি তুলিছে। সন্তান নথকাৰ বাবেই স্বামীৰ লগতো সম্পৰ্কৰ অৱনতি ঘটা এইসকল নাৰীয়ে একাকীত্বৰ মাজত দিন কটাবলগীয়া হৈছে। একেদৰে সন্তান থকাৰ পিছতো সন্তানৰ পৰা বিচ্ছেদ হ'বলগীয়া হোৱা নাৰীৰ মানসিক যন্ত্ৰণাও উপন্যাসসমূহৰ বিষয়বস্তু হিচাপে সুন্দৰভাৱে ৰূপায়ণ কৰা হৈছে। সন্তানৰ লগত মাতৃৰ আৱেগিক সম্পৰ্ক আৰু সন্তানৰ পৰা বিচ্ছেদিত মাতৃৰ দুখ-যন্ত্ৰণাই **সমূহীয়া নাৰী মনস্তত্ত্ব**ক পোহৰলৈ আনিছে। অৰ্থাৎ সন্তানৰ প্ৰসংগত উদ্ভূত কোনো নাৰীৰ মনস্তত্ত্ব ব্যক্তিগত প্ৰপঞ্চ নহয়। বন্ধ্যাত্বই অনন্যাৰ জীৱনলৈ যি দুখ কঢ়িয়াই আনিছে বৰদোৱানীয়েও এই একেখিনিৰে সন্মুখীন হৈছে। আকৌ সন্তান নথকাৰ যন্ত্ৰণা আৰু সন্তানৰ পৰা বিচ্ছেদিত হোৱা স্মৃতি ভট্টাচাৰ্য, যমুনা, সন্ধ্যা, নিৰ্মলাৰ যন্ত্ৰণা একাকাৰ হৈ গৈছে। ব্যক্তিৰ সমূহীয়া যন্ত্ৰণাময় জীৱন সম্পৰ্কত ইয়ুঙে ব্যাখ্যা আগবঢ়াই কৈছে—

> বৰ্তমান পৃথিৱীত ব্যক্তিগত জীৱন, ব্যক্তিগত ৰোগ বিশেষজ্ঞ আৰু ব্যক্তিগত স্নায়ৱিক (মানসিক) উত্তেজনা এক কল্পকাহিনী হৈ পৰিছে। পুৰণি পৃথিৱীত বাস কৰা অতীতৰ মানুহজন প্ৰতিনিধিত্বৰ সমষ্টি হিচাপে পুনৰ দৃশ্যমান হোৱাৰ লগতে বেদনাদায়ক বাস্তৱ জীৱনলৈও উভতি আহিছে। এয়া কেৱল কেইজনমান অসন্তুলিত ব্যক্তিৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়। বহু মিলিয়ন মানুহৰ মাজত বৰ্তি আছে।[১৩]

পৃথিৱীৰ আটাইবোৰ সম্পৰ্কতকৈ মাতৃ আৰু সন্তানৰ সম্পৰ্কক শ্ৰেষ্ঠ হিচাপে গণ্য কৰা হয়। প্ৰত্যেক নাৰীৰ অৱচেতন মনত মাতৃ হোৱাৰ অদম্য বাসনা সন্তৰ্পণে লুকাই থাকে। এক নিৰ্দিষ্ট সময় গৰ্ভত ৰাখি জন্ম দিয়া সন্তানৰ সৈতে মাকগৰাকী আৱেগিকভাৱে সংপৃক্ত হৈ পৰে। তেনেস্থলত সন্তানৰ মৃত্যু তথা বিচ্ছেদে জীৱনলৈও গভীৰ নৈৰাশ্য কঢ়িয়াই আনে। *মুক্তি*, *যমুনা*, *সন্ধ্যা* উপন্যাসত সন্তানৰ মৃত্যুৱে স্মৃতি ভট্টাচাৰ্য, যমুনা আৰু সন্ধ্যাক শোকত দগ্ধ কৰিছে। *বন্ধ*

*ঘৰৰ খিৰিকী* উপন্যাসখনত তিনিটাকৈ সন্তান থকাৰ পিছত সন্তানৰ অৱহেলাৰ বাবেই মাক নিৰ্মলাই সন্তানহীনতাৰ দৰেই মনোকষ্ট লাভ কৰিছে। সন্তান নথকা বা থাকিও সন্তানৰ পৰা বিচ্ছেদিত সকলো নাৰী হতাশা, নিঃসংগতাৰে জৰ্জৰিত। ঔপন্যাসিকাই নিজেও সন্তানৰ পৰা ক্ষন্তেকীয়া সময়ৰ বিচ্ছেদে তেওঁৰ জীৱনলৈ আনি দিয়া নিঃসংগতা সম্পৰ্কত সাক্ষাতকাৰত স্পষ্টকৈ উল্লেখ কৰিছে—

> মই যিটো বয়সত মাতৃ হৈছিলোঁ সেইটো বয়সত মোৰ লগৰ ছোৱালীবিলাকৰ বিয়া হোৱাই নাই। মই মোৰ সন্তানটিক লৈ খুবেই সুখী আছিলোঁ। মই নিজহাতেৰে অতি যত্নেৰে তাইক প্ৰতিপালন কৰিছিলোঁ আৰু তাইৰ সৈতে প্ৰতিটো মূহুৰ্ত উপভোগ কৰিছিলোঁ। তাই তিনি বছৰ বয়সত যেতিয়া স্কুললৈ গৈছিল সেইখিনি সময়ত মই বৰ অকলশৰীয়া হৈ পৰিছিলোঁ। তেতিয়াৰপৰাই মোৰ নিঃসংগতাৰ আৰম্ভণি হ'ল আৰু ক্ৰমাৎ ই বাঢ়িবলৈ ধৰিলে।[১৪]

ঔপন্যাসিকা আৰু উপন্যাসত প্ৰতিফলিত নাৰী চৰিত্ৰসমূহৰ মনস্তত্ত্বৰ এই দিশটোৱে সন্তানৰপৰা বিচ্ছেদিত সমূহীয়া নাৰী মনস্তত্ত্বৰ ইংগিত বহন কৰিছে। সন্তানৰ প্ৰসংগ লৈ এই নাৰীসকলে কঢ়িয়াই ফুৰা যন্ত্ৰণা লাঘৱ কৰাৰ উদ্দেশ্যে যি পথ নিৰ্মাণ কৰি লৈছে সিও সমূহীয়া মনস্তাত্ত্বিক দিশক প্ৰতিনিধিত্ব কৰিছে। ইতিপূৰ্বে এই সম্পৰ্কে আলোচনা কৰি অহা হৈছে। নিজৰ ন'হলেও আনৰ সন্তানক মমতাৰে উপচাই পেলোৱা নাৰীসকলে সমূহীয়া নাৰী মনস্তত্ত্বক প্ৰতিনিধিত্ব কৰিছে। প্ৰতিগৰাকী নাৰীৰ আভ্যন্তৰত এগৰাকী মাতৃ লুকাই থাকে। যি নিজৰ স্বাভাৱিক মমতাৰে সকলোকে আত্মজ্ঞান কৰিবলৈ সামৰ্থ। *বাঁহী* উপন্যাসত নয়নতৰাৰ মাজেৰেও নাৰী মনস্তত্ত্বৰ এই দিশটোৰেই প্ৰতিভাত হৈছে। নিজৰ গৰ্ভজাত সন্তান ন'হলেও নয়নতৰাই মৌজাদাৰৰ সন্তান দুটিক মমতাৰে আবৰি ৰাখিছে। আনকি মৌজাদাৰৰ মৃত্যুৰ পিছতো সন্তান দুটিক চোৱা-চিতা কৰাৰ উদ্দেশ্যেৰেই নয়নতৰাই মৌজাদাৰবিহীন ঘৰখনত ৰৈ গৈছিল। সন্তানক লৈ গঢ়ি উঠা নাৰী মনস্তত্ত্বৰ এই দিশটো ঔপন্যাসিকাৰ মনস্তত্ত্বতো প্ৰতিফলিত হৈছে। এই সম্পৰ্কে ঔপন্যাসিকাগৰাকীয়ে সাক্ষাতকাৰত অৱগত কৰিছে—" মোৰ ভিতৰৰ বৰফ টুকুৰাৰ আৰু এটা শাখা আছে। মই লোকৰ ল'ৰা-ছোৱালীক ইমানেই বেছি ভালপাওঁ যে ক'ব নোৱাৰাকৈয়ে গোটেই পৃথিৱীৰ সন্তানৰে মই এজনী মাক হৈ পৰোঁ। মই জন্ম দিয়া নাই, মই পালন কৰা নাই তথাপি মই সিহঁতৰ মাক।"[১৫] সন্তানৰ প্ৰসংগত নাৰী মনস্তত্ত্বক এটা শ্ৰেণীৰ ভিতৰতে অন্তৰ্ভুক্ত কৰিব পাৰি। এই শ্ৰেণীটোৱে নাৰী মনস্তত্ব ব্যক্তিগত নহৈ যে সামূহিক সেয়া প্ৰমাণ কৰে। সন্তান বিষয়ত প্ৰতিগৰাকী মাক

আৱেগিক হোৱাৰ লগতে অত্যন্ত সংবেদনশীল। উপন্যাসৰ প্ৰধান নাৰী চৰিত্ৰসমূহৰ লগতে ঔপন্যাসিকাৰ মনস্তত্ত্বই নাৰী মনস্তত্ত্বৰ এই সমূহীয়া দিশটোকেই নিৰ্দেশ কৰিছে।

সন্তান এক স্পৰ্শকাতৰ বিষয়। অকল নাৰীয়েই যে সন্তান বিষয়ত সংবেদনশীল এনে নহয়। নাৰীৰ সমান্তৰালভাৱে বিবাহিত পুৰুষৰ মনস্তত্ত্বতো সন্তানে বিশেষভাৱে ক্ৰিয়া কৰে। মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসসমূহৰ সন্তান বিষয়ত সমূহীয়া নাৰী মনস্তত্ত্বৰ লেখিয়াকৈ সমূহীয়া পুৰুষ মনস্তত্ত্বৰো প্ৰকাশ ঘটিছে। মাতৃ হোৱাৰ বাসনা প্ৰতিগৰাকী নাৰীৰ অন্তৰত সুপ্ত হৈ থকাৰ লেখিয়াকৈ পুৰুষৰ অন্তৰতো পিতৃ হোৱাৰ বাসনা নিহিত হৈ থাকে। *অৰুন্ধতী* উপন্যাসত অনন্যাৰ প্ৰথম স্বামী এচ. পি. চাহাব, *বাঁহী* উপন্যাসত মৌজাদাৰ আৰু *বৰদোৱানী* উপন্যাসত পুণ্যধৰৰ আচৰণে সন্তানৰ বাবে আকুল **সমূহীয়া পুৰুষ মনস্তত্ত্ব**কেই প্ৰতিনিধিত্ব কৰিছে। *অৰুন্ধতী* উপন্যাসত অনন্যাৰ প্ৰতি প্ৰথম স্বামীৰ নিষ্ঠুৰ ব্যৱহাৰৰ মূলতে সন্তান হিচাপে পৰিগণিত হৈছে। বিবাহৰ পিছত আকাংক্ষিত সন্তানৰ অনুপস্থিতিয়ে তেওঁৰ ব্যৱহাৰ ৰুক্ষ কৰি তুলিছিল। অনন্যাৰ প্ৰথম স্বামীয়ে সন্তান কামনা কৰিয়েই খোৱাণাৰ সৈতে অনন্যাৰ মিলনত কোনো বাধা প্ৰদান কৰা নাছিল যে সেইকথা তেওঁৰ মুখেৰে প্ৰকাশ ঘটিছে—" স্বগতোক্তি কৰিছিলঃ চাল্লা! খোৱাণাও ফেইলৰ হৈ গ'ল! বাঁজী, অকল বাঁজীয়েই নোহোৱা তুমি, কাঠবাঁজী! কাঠবাঁজী...! "[১৬] অনন্যাৰ প্ৰথম স্বামীয়ে সন্তানৰ বাবে নিজৰ পত্নীক আনৰ ওচৰত সমৰ্পণ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। অনুভূতিহীন, নিৰ্দয় হিচাপে পৰিচিত এচ. পি চাহাবৰ ব্যক্তিত্ব পিতৃত্ব অৰ্জনৰ লগে লগেই সলনি হৈছিল। *বাঁহী* উপন্যাসত মৌজাদাৰে প্ৰথমা পত্নীক অত্যধিক ভালপোৱাৰ পিছতো সন্তানৰ বাবেই পত্নীক মৃত্যুৰ পথলৈ আগবঢ়াই দিছিল। সন্তান জন্ম দিব ল'লে মৌজাদাৰৰ পত্নীয়ে সন্মুখীন হ'বলগীয়া সম্ভাব্য বিপদ সম্পৰ্কে নাৰ্ছে সতৰ্ক কৰাৰ পিছতো সন্তানৰ প্ৰতি থকা ব্যাকুলতাৰ বাবেই মৌজাদাৰে সেয়া মানি লোৱা নাছিল। যাৰ পৰিণতিত যঁজা সন্তান এহাল প্ৰসৱ কৰিয়েই মৌজাদাৰৰ পত্নীয়ে মৃত্যুক আকোঁৱালী লৈছিল।*বৰদোৱানী* উপন্যাসতো সন্তানপ্ৰীতিয়ে পুণ্যধৰক দ্বিতীয়া পত্নী ৰেণুমাইৰ ওচৰ চপাই নিছিল। প্ৰথম অৱস্থাত বৰদোৱানীক এৰি অন্য এগৰাকীক বিয়া পাতিবলৈ সন্মত নোহোৱা পুণ্যধৰৰ অন্তৰৰ অৱদমিত সন্তান প্ৰাপ্তিৰ বাসনা মূৰ্ত হৈ উঠিছে ৰেণুমাই সন্তানসম্ভৱা হোৱাত। এনেদৰেই উপন্যাসসমূহত নাৰীৰ সমান্তৰালভাৱে সন্তানৰ বাবে আতুৰ পুৰুষ মনস্তত্ত্বৰো সাৰ্থক প্ৰকাশ ঘটিছে।

উপন্যাসসমূহত সন্তানৰ প্ৰসংগক অন্যতম প্ৰধান বিষয় হিচাপে ঔপন্যাসিকাই উপস্থাপন কৰিছে। সন্তানৰ প্ৰসংগৰ জৰিয়তে চৰিত্ৰৰ আৱেগ-অনুভূতি, অৱদমিত ইচ্ছাকাংক্ষাৰ প্ৰকাশ ঘটিছে।

উপন্যাসসমূহৰ কাহিনী নিৰ্মাণত সন্তানৰ প্ৰসংগত ঔপন্যাসিকাৰ নিজস্ব মনস্তত্ত্বৰো প্ৰভাৱ পৰিছে। উপন্যাসসমূহত সন্তানৰ বাবেই স্বামী-স্ত্ৰীৰ মাজত বিচ্ছেদ ঘটিছে। সন্তানৰ বাবেই বৈবাহিক জীৱনত সমস্যাই দেখা দিছে। সন্তান জন্ম দিবলৈ অক্ষম তথা জন্ম দিয়া সন্তানক হেৰুৱাই নিঃসংগ হৈ পৰা নাৰীসকলে আনৰ সন্তানৰ মাজত মাতৃত্বৰ সুখ সন্ধান কৰিছে। সচৰাচৰ সন্তানৰ প্ৰসংগত নাৰী অধিক আৱেগজৰ্জিত হোৱা বুলি কোৱা হয় যদিও পুৰুষো এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। উপন্যাসসমূহত সন্তানৰ প্ৰসংগত নাৰীৰ সমান্তৰালভাৱে পুৰুষো যে আকুল হৈ উঠে সেয়া ঔপন্যাসিকাই প্ৰতিপন্ন কৰিছে। সন্তানৰ প্ৰসংগত নাৰীৰ সমূহীয়া মনস্তাত্ত্বিক দিশৰ লগতে পুৰুষ মনস্তত্ত্বৰ সমূহীয়া দিশো পৰিস্ফুত হৈ উঠিছে।

**৩.০৫ সপোনৰ প্ৰসংগ ঃ**

সপোন হৈছে ব্যক্তিৰ অৱচেতন মনৰ ইচ্ছাকাংক্ষা প্ৰকাশৰ এটি অন্যতম মাধ্যম। ফ্ৰয়েডে সপোন সম্পৰ্কে আগবঢ়োৱা সিদ্ধান্তসমূহ প্ৰথম অধ্যায়ত ইতিমধ্যে আলোচনা কৰা হৈছে। ফ্ৰয়েডে সপোনৰ বিষয়বস্তুক স্পষ্টকৈ ‘প্ৰকাশিত বিষয়বস্তু’ (Manifest content) আৰু ‘সুপ্ত বিষয়বস্তু’ (Latent content) হিচাপে যি দুটা স্তৰত বিশ্লেষণ কৰিছে তাৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত চৰিত্ৰ তথা বিষয়বস্তুৰ প্ৰয়োজন সাপেক্ষে উপস্থাপিত সপোনৰ বিশ্লেষণ কৰাৰ থল আছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ *অৰুন্ধতী* উপন্যাসত অনন্যাৰ অপূৰণীয় আশা-আকাংক্ষাবোৰে সপোনৰ মাজেৰে পূৰ্ণতা বিচাৰি লৈছিল। স্বামীৰ সৈতে এক মধুৰ সম্পৰ্ক গঢ়ি তোলাত ব্যৰ্থ হোৱা অনন্যাই সন্তান কামনা কৰিছিল। বৈবাহিক জীৱনত পোৱা শাৰীৰিক-মানসিক সকলো যন্ত্ৰণাৰ উপশম বিচাৰিছিল সন্তানৰ জৰিয়তে। যি নৈৰাশ্য আৰু নিৰাপত্তাহীনতাই তেওঁক আৱৰি ৰাখিছিল সপোনত তাৰ ৰূপ সলনি হৈ এক মৰ্যদাপূৰ্ণ জীৱনৰ ইংগিত বহন কৰিছিল। অৱচেতন মনত সন্তানৰ আশা পুহি ৰখা অনন্যাৰ সপোন সম্পৰ্কত উপন্যাসখনত কোৱা হৈছে—

> সেইনিশা মই মাতাল স্বামীৰ প্ৰহাৰৰ পৰা ৰেহাই পাইছিলোঁ ঠিকেই, কিন্তু মানসিকভাৱে সাংঘাতিক ধৰণে প্ৰহৃত হৈছিলোঁ। নিজৰ অসহায়তা উপলব্ধি কৰি মই চাৰিওফালে অন্ধকাৰ দেখিছিলোঁ।
>
> তথাপি সেই ৰাতি শেষনিশা এটা ধুনীয়া সপোন দেখিছিলোঁ।... আকাশৰ পৰা তৰাৰ ৰূপ এৰি এটি শিশু হৈ ‘ধ্ৰুৱ’ মোৰ উদৰত যেন শুইছিলহি। আৰু

যেতিয়া উদৰৰ পৰা সি বাহিৰ হৈছিল; তড়িৎ গতিৰে শিশুৰ পৰা যুৱক হৈছিলগৈ। হাতত ধৰি লৈ ফুৰিছিল সি মোক বিশাল জনসমুদ্ৰৰ মাজেৰে। কি আশ্চৰ্যকৰ জনসমুদ্ৰ আছিল সেয়া! য'ত কেৱল পুৰুষেই পুৰুষ! ধ্ৰুৱৰ শৰীৰৰ পৰা নিৰ্গত হোৱা ঐশ্বৰিক জ্যোতিত ময়ো উজলি উঠিছিলোঁ। আৰু অতি গৰ্বিণী মাতৃ হৈ মই কেৱল বাট বুলিছিলোঁ, যেনিয়েই সি মোক টানি লৈ গৈছিল...। বিশাল জনসমুদ্ৰ ফালি সি যি পথ মোৰ বাবে তৈয়াৰ কৰিছিল, সেই পথৰ দুয়োকাষৰ সকলোবোৰ পুৰুষেই মোক দেখি শিৰ নত কৰিছিল।... গৈ আছিলোঁ মই মোৰ সন্তানৰ হাত ধৰি...।[১৭]

অৱচেতন মনে কিছুমান পন্থাৰ জৰিয়তে মনৰ চেতন স্তৰত ধৰা নপৰাকৈ সপোনৰ অন্তৰ্নিৰ্হিত বিষয়বস্তুক প্ৰকাশ কৰে বুলি ফ্ৰয়েডে অৱগত কৰিছে। এই বিষয়ে প্ৰথম অধ্যায়ত উল্লেখ কৰা হৈছে। ইয়াৰে এটি অন্যতম পন্থা ঘনীকৰণ (Condensation)ৰ লগত অনন্যাৰ সপোনটো সংপৃক্ত কৰি বিশ্লেষণ কৰিব পৰা যায়। এটা সপোনৰ জৰিয়তে অৱচেতন মনৰ বহুবোৰ আঘাত বা ধাৰণাক প্ৰকাশ কৰাত ঘনীকৰণ প্ৰক্ৰিয়াই ক্ৰিয়া কৰে। অনন্যাৰ সপোনটোৰ জৰিয়তে এহাতে সন্তান প্ৰাপ্তিৰ বাসনা আৰু আনহাতেদি সেই সন্তানৰদ্বাৰাই তেওঁৰ বৰ্তমান অৱস্থাৰ পৰিৱৰ্তন হোৱাটো বিচাৰিছে। যি পুৰুষে অনন্যাক যন্ত্ৰণা, দুখ-কষ্টৰ সন্মুখীন কৰাইছে সেই পুৰুষৰ সন্মুখেৰেই পুত্ৰই তেওঁৰ শিৰ উজলাই আগবঢ়াই নিয়াৰ ইচ্ছাকাংক্ষা অৱচেতন মনত পোষণ কৰিছে। উগ্ৰ মেজাজী স্বামীৰ পত্নী হৈ লাভ কৰা লঘু-লাঞ্চনাৰ বাহিৰলৈ গৈ এগৰাকী উপযুক্ত মাতৃস্নেহত উদ্বুদ্ধ পুত্ৰৰ মাক হিচাপে গৌৰৱান্বিত হোৱাৰ বাসনা সপোনৰ মাধ্যমেৰে প্ৰকাশ ঘটিছে। অনন্যাই স্বামীৰ ওচৰৰ পৰা আঁতৰি অহাৰ পিছতো তেওঁৰ গৰ্ভত ধ্ৰুৱই থিতাপি লোৱাৰ সপোন দেখিছিল। কিন্তু এই সপোনৰ ৰূপ সলনি হৈছিল। অৱচেতন মনত সন্তানৰ প্ৰতি থকা প্ৰবল ধাউতিৰ বাবেই তেওঁৰ ওচৰত প্ৰেম নিবেদন কৰিবলৈ অহা বিজয় কুমাৰৰ প্ৰতি অন্তৰত মাতৃত্বৰ স্নেহ জাগ্ৰত হৈছিল। যাৰবাবে সপোনত তেওঁৰ গৰ্ভত থিতাপি লোৱা সন্তানৰ মুখখন বিজয় কুমাৰৰ মুখৰ লগত একাকাৰ হৈ ধৰা দিছিল। পৰৱৰ্তী সময়ত হৃদয়ৰ লগত প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠাৰ পিছত বিজয় কুমাৰৰ ঠাইত এইবাৰ হৃদয়ৰ অৱয়বেৰে সপোনত তেওঁৰ কোলালৈ কেঁচুৱা আহিছিল। সপোনৰ বিষয়বস্তু একেটাই যদিও অনন্যাই লগ পোৱা ব্যক্তি বিশেষে ইয়াৰ ৰূপ স্থানান্তৰিত হৈছে। পৰৱৰ্তী সময়ত অনন্যাৰ যন্ত্ৰণাময় জীৱনৰ পৰা এক সুস্থিৰ জীৱন যাত্ৰালৈ যি উত্তৰণ ঘটিবলৈ আৰম্ভ হৈছিল সেয়া সপোনৰ জৰিয়তে প্ৰতীকি ৰূপত প্ৰকাশ হৈছে।

*বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত সন্তানৰ বিপথগামী আচৰণ প্ৰত্যক্ষ কৰিও নিৰ্মলাৰ মাতৃ হৃদয়ে তেওঁৰ সন্তান তিনিটা সঠিক পথলৈ উভতি অহাৰ আশা পোষণ কৰিছিল। এই আকাংক্ষাৰ বহিৰ্প্ৰকাশ ঘটিছে সপোনৰ মাধ্যমেৰে। সৰুপুত্ৰ হৃদয়ৰ যিবোৰ কাৰ্যই বাস্তৱত নিৰ্মলাৰ অন্তৰত আঘাত দিছিল সপোনত হৃদয়ৰ অনুশোচনাই তাৰ পৰিৱৰ্তন ঘটাইছে। যমুনাৰ অৱচেতন মনৰ আদৰ্শ সন্তানৰ বাঞ্চা সপোনৰ মাজেৰে পূৰ্ণতা লাভ কৰিছে। পুত্ৰ-বোৱাৰী, জীয়ৰীৰপৰা পোৱা অনাদৰ আৰু অৱহেলাৰ বাবে তেওঁ বৃদ্ধাশ্ৰমত আশ্ৰয় লৈছিল যদিও তাৰপিছতো সন্তানহঁতে তেওঁক বিচাৰি অহা তথা ওভতাই লৈ যোৱাৰ আশা অৱচেতন মনত সংগোপনে জাগি উঠিছিল। সন্তানক বিচাৰি হাহাকাৰ কৰা এগৰাকী মাতৃৰ বাস্তৱত পূৰ্ণ নোহোৱা আকাংক্ষাই পূৰ্ণতা লাভ কৰিছে সপোনৰ মাধ্যমেৰে। দেউতাকৰ অনুপস্থিতিতো মাকৰ খবৰ ল'বলৈ আগ্ৰহ নকৰা বৰপুত্ৰ নিলয় সপোনৰ মাধ্যমেৰে এজন দায়িত্বশীল পুত্ৰ হৈ নিৰ্মলাৰ কাষ চাপিছে। স্বামীৰ অস্থি বৰপুত্ৰৰ সৈতে একেলগে নদীত উটুৱাৰ আকাংক্ষা সংগোপনে নিৰ্মলাৰ অৱচেতন মনত জাগিছে আৰু সেয়া সপোনত প্ৰকাশ লাভ কৰিছে।

*মই ডেচডিম'না হ'ব খোজোঁ* উপন্যাসত নয়নাৰ বিষাদ-যন্ত্ৰণাৰে ভৰা জীৱনলৈ আশা কঢ়িয়াই আনিছিল পাৰ্থই। নয়নাৰ চেতন-অৱচেতন সকলোতে প্ৰভাৱ বিস্তাৰ কৰি থকা পাৰ্থই নয়নাৰ সপোনত স্থান লাভ কৰিছে এনেদৰে— " সেই নিশা তাইৰ সপোনলৈ পাৰ্থ সোমাই আহিল। তাই ৰৈ থকা ঠাইৰ পৰাই আকাশলৈ বুলি সি উৰুৱাই দিলে এখনি ৰং বিৰঙী চিলা...।"[১৮] সপোনত ৰং-বিৰঙী চিলাখনে নয়নাৰ মানসিক প্ৰশান্তি তথা সুখৰ প্ৰতীকি ৰূপত প্ৰকাশ লাভ কৰিছে। নয়নাক বৰ্তমানৰ মানসিক অস্থিৰময় পৰিস্থিতিৰ পৰা যেন পাৰ্থই ভৱিষ্যতৰ ৰঙীণ জীৱনলৈ আগবঢ়াই দিছে। আকাশলৈ উৰুৱাই দিয়া ৰং-বিৰঙী চিলাখনৰ দৰেই নয়নাৰ সুখ-স্বাচ্ছন্দ্যময় জীৱনৰ আশা-আকাংক্ষাৰ একমাত্ৰ থল হিচাপে পাৰ্থ অৱতীৰ্ণ হৈছে।

*চামিয়ানা* উপন্যাসত শ্বেতাৰ সপোনত অৱচেতন মনত কঢ়িয়াই ফুৰা মৃত দেউতাকৰ স্মৃতি আৰু স্বামী একাকাৰ হৈ পৰিছে। শ্বেতাৰ জীৱনত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰা পুৰুষ দুজন শ্বেতাৰ নিঃসংগতাৰ আঁত ধৰি সপোনত প্ৰৱেশ লাভ কৰিছে। দেউতাকক হেৰুৱাৰ লেখিয়াকৈ লক্ষ্মীকান্তকো হেৰুৱাৰ শংকা এটা শ্বেতাৰ অৱচেতন মনত জাগি উঠিছিল। শ্বেতাৰ অলক্ষিতে অৱচেতন মনত ক্ৰিয়া কৰি থকা এই আশংকাই সপোনত মূৰ্ত ৰূপ লাভ কৰা দেখা গৈছে।

*অনুৰোধ* উপন্যাসত এক নিঃসংগ জীৱন কটাই অহা ৰঘুপতি দাস ধৰ্মৰঞ্জনৰ পত্নী নীলিৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল। সেয়েহে সপোনত তেওঁ নীলি একেবাৰেই তেওঁৰ ওচৰলৈ উভতি

অহা প্ৰত্যক্ষ কৰিছে। উপন্যাসখনৰ আন এঠাইতো সপোনৰ প্ৰসংগ উত্থাপনেৰে বিষয়বস্তুৰ এই মনস্তাত্ত্বিক দিশটোকে প্ৰতিপন্ন কৰিবলৈ বিচৰা হৈছে। ৰঘুপতি দাসৰ সপোনত নীলিৰ উপস্থিতিৰ পুনৰাবৃত্তি ঘটিছে।

*সন্ধ্যা* উপন্যাসত এগৰাকী নাৰীয়ে যি সময়ত স্বামী তথা আত্মীয়-স্বজনৰপৰা অধিক মৰম, সাহচৰ্য কামনা কৰে সেই সময়ছোৱাতো গৰ্ভৱতী সন্ধ্যাই একাকীত্বৰ মাজত দিন কটাইছিল। সকলো নাৰীৰ দৰে গৰ্ভাৱস্থাত সন্ধ্যাইও মাকৰ উপস্থিতি তথা স্নেহপূৰ্ণ আদৰ-যত্ন কামনা কৰিছিল। মাকৰ অনুপস্থিতিত সন্ধ্যাৰ মনৰ আশা-আকাংক্ষা সকলো অৱদমিত হৈ ৰৈছিল। যাৰবাবে অৱচেতন স্তৰত অৱদমিত সন্ধ্যাৰ ইচ্ছাকাংক্ষা সপোনৰ মাধ্যমেৰে প্ৰকাশিত হৈছে।

*বৰদোৱানী* উপন্যাসত বাহ্যিকভাৱে পুণ্যধৰৰ পৰা আঁতৰি ফুৰিছিল যদিও বৰদোৱানীৰ অৱচেতন মনে সকলো সময়তে পুণ্যধৰৰ সংগ বিচাৰি ব্যাকুল হৈ পৰিছিল। উপন্যাসখনত বৰদোৱানীৰ এই ইচ্ছাকাংক্ষাৰ প্ৰকাশ ঘটিছে সপোনৰ মাধ্যমেৰে।

এনেদৰেই উপন্যাসসমূহত সপোনৰ গুৰুত্বতা প্ৰতিপন্ন কৰা হৈছে। ব্যক্তি মনস্তত্ত্বৰ লগত জড়িত এটি অন্যতম প্ৰসংগ হৈছে সপোন। উপন্যাসসমূহত চৰিত্ৰৰ অপূৰণীয় আশা-আকাংক্ষাৰ প্ৰকাশ ঘটিছে সপোনৰ জৰিয়তে। চৰিত্ৰৰ আভ্যন্তৰীণ জগতত চলি থকা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ উমান পোৱা গৈছে সপোনৰ মাধ্যমেৰে। সপোনৰ জৰিয়তেই ঔপন্যাসিকাই চৰিত্ৰসমূহৰ অন্তৰৰ আৱেগ-অনুভূতি, দুখ-যন্ত্ৰণা তথা পৰৱৰ্তী সময়ত সেইবোৰৰপৰা হোৱা মানসিক উত্তৰণৰ কথাও পোহৰলৈ আনিছে। ই উপন্যাসসমূহৰ কাহিনীক অনন্য মাত্ৰা প্ৰদান কৰা পৰিলক্ষিত হৈছে।

**৩.০৬ যৌন মনস্তাত্ত্বিক জটিলতা ঃ**

ফ্ৰয়েডীয় মনস্তাত্ত্বিক সূত্ৰই সামগ্ৰিকভাৱে যৌন সৰ্বস্বতাক প্ৰতিনিধিত্ব কৰিছে। ফ্ৰয়েডৰ মতে যৌন প্ৰবৃত্তি হৈছে মানুহৰ এক সহজাত প্ৰবৃত্তি। "শৈশৱতে গঢ় লৈ উঠা এই প্ৰবৃত্তি কৈশোৰ আৰু যৌৱন অৱস্থাত পৰিপুষ্ট হৈ উঠে। যাৰবাবে কোনো মানুহে নিজৰ যৌন প্ৰৱণতাক অস্বীকাৰ কৰিবলৈ সমৰ্থ নহয়। অৱচেতন মনত অহৰহ ক্ৰিয়া কৰি থকা এই আদিম প্ৰবৃত্তিয়ে মানুহৰ মনত কামনা, ইচ্ছা, আকাংক্ষা আদিক জাগ্ৰত কৰি তোলাৰ লগতে মানুহৰ কাম-কাজক পৰিচালিত কৰে।"[১৭] ফ্ৰয়েডে আগবঢ়োৱা যৌনতা সম্বন্ধীয় সূত্ৰৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসসমূহৰ যৌন মনস্তাত্ত্বিক দিশসমূহ ফঁহিয়াই চাব পাৰি। উপন্যাসসমূহত চৰিত্ৰৰ যৌন মনস্তাত্ত্বিক দিশসমূহ ঔপন্যাসিকাগৰাকীয়ে স্পষ্টৰূপত উপস্থাপন কৰিছে। *অৰুন্ধতী* উপন্যাসত

বিবাহ বিচ্ছেদৰ পিছতো স্বামীৰ সৈতে নৈশ যাপন কৰি অহা অনন্যাই অৱদমিত যৌন ক্ষুধাক স্বীকাৰ কৰিছে। বিচ্ছেদৰ পিছত শাৰীৰিকভাৱে স্বামীৰ পৰা দূৰত থকাৰ সময়ছোৱাত অনন্যাই অৱচেতন মনত কঢ়িয়াই লৈ ফুৰা যৌন ক্ষুধা পূৰণৰ আকাংক্ষা স্বামীক সশৰীৰে লগ পোৱাৰ পিছত পূৰ্ণতা পাইছিল। *অৰুন্ধতী* উপন্যাসৰ দৰে *বৰদোৱানী* উপন্যাসখনতো স্বামীৰপৰা শাৰীৰিক আৰু মানসিক দূৰত্ব স্থাপন কৰা বৰদোৱানীয়ে নিজৰ অতৃপ্ত যৌন বাসনাক দমন কৰিবলৈ অসমৰ্থ হৈছে। পুণ্যধৰৰ দ্বিতীয় বিবাহৰ পিছত ইচ্ছাকৃতভাৱে পুণ্যধৰৰ সৈতে এক দূৰত্ব বজাই ৰখা বৰদোৱানীয়ে কোনো এক ক্ষণত নিজে উপযাচি পুণ্যধৰৰ লগত যৌন মিলন সম্পন্ন কৰিছে। বৰদোৱানীয়ে নিজৰ অন্তৰত অৱদমন কৰি অহা যৌন আকাংক্ষা সম্পৰ্কত উপন্যাসখনত কৈছে— "অঁ হয়, সৌ সিদিনা তাই নিজেই জব্দ কৰিছিল তাক ঢেঁকীশালৰ ভিতৰত। কাৰণ তাইৰো কিছুমান আৱেগ-অনুভূতি আৰু ইচ্ছা-অনিচ্ছা প্ৰকাশৰ অধিকাৰ আছে। এই মানৱী শৰীৰৰ ৰহস্য নিজৰ স্বামীৰ বাহিৰে অইনৰ সমুখত উদঙোৱা যায়নে? লাগিলে সেই স্বামীয়ে তুলাচনীত উঠা-নমাই কৰি নেথাকক কিয়!"[২০]

*সন্ধ্যা* উপন্যাসত স্বামীৰ মৃত্যুৰ পিছতো সময়ে সময়ে আমনি কৰা অৱদমিত যৌন ক্ষুধাক সন্ধ্যাই অকপটে স্বীকাৰ কৰিছে। হস্পিতালত চিকিৎসা গ্ৰহণ কৰি থকা সন্ধ্যাই অন্তৰত সুপ্ত যৌন বাসনা চৰিতাৰ্থ কৰাৰ প্ৰবল ইচ্ছা প্ৰকট কৰিছে।

ঔপন্যাসিকাই চৰিত্ৰৰ যৌন মনস্তাত্ত্বিক জটিলতাৰ লগতে ব্যক্তি জীৱন তথা পৰিয়ালত ইয়াৰ ইতিবাচক আৰু নেতিবাচক প্ৰভাৱৰ বিষয়েও ফঁহিয়াই দেখুৱাইছে। *অনুৰোধ, সন্ধ্যা* আৰু *মই ডেচডিমʼনা হʼব খোজোঁ* উপন্যাস তিনিখনৰ বিষয়বস্তু হিচাপে বিবাহ বহিৰ্ভূত যৌন সম্পৰ্কৰ উপস্থাপন কৰা হৈছে। *অনুৰোধ* উপন্যাসত শৈশৱৰপৰাই নিঃসংগ জীৱন-যাপন কৰি অহা ৰঘুপতি দাস আৰু নীলিৰ মাজত প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল। ধৰ্মৰঞ্জনৰ লগত বৈবাহিক জীৱনত অসন্তুষ্ট নীলি আৰু সংসাৰৰ প্ৰতি নিৰ্লিপ্ত ৰঘুপতি দাস মানসিক আৰু শাৰীৰিকভাৱে এক হৈ পৰিছিল। ৰঘুপতি দাসে পৰস্ত্ৰী নীলিৰ সৈতে স্বইচ্ছাৰে যৌন সম্পৰ্ক স্থাপন কৰিছিল। ঘৰৰ মানুহে হেঁচা প্ৰয়োগ কৰাৰ পিছতো চল্লিশ বছৰলৈ অবিবাহিত হৈ থকা ৰঘুপতি দাসে নীলিৰ অনুৰোধ ৰক্ষা কৰি বিয়াত বহিবলৈ মান্তি হয়। প্ৰেমহীনতাৰ বাবে নিঃসংগতা আৰু হতাশাত ভোগা নীলি আৰু ৰঘুপতি দাস পৰস্পৰৰ সান্নিধ্যত জীৱনৰ পূৰ্ণতা লাভ কৰিছিল।

*সন্ধ্যা* উপন্যাসতো চাবেৰাৰ বিবাহ বহিৰ্ভূত যৌন সম্পৰ্কই চাবেৰাৰ জীৱনত ইতিবাচক

প্ৰভাৱ পেলাইছে। পৰিয়ালৰ পছন্দত বিয়াত বহা চাবেৰাই স্বামী ইলিয়াছৰ লগত বৈবাহিক জীৱনত সুখী নোহোৱাৰ কাৰণ আছিল অপূৰ্ণ যৌন বাসনা। অপূৰ্ণ যৌন বাসনা চৰিতাৰ্থ কৰিবৰ বাবে চাবেৰাই ইলিয়াছৰ ভাতৃৰ সৈতে সম্পৰ্ক স্থাপন কৰিছিল। আনকি দেওৰেকৰ লগত শাৰীৰিক সম্পৰ্ক স্থাপন কৰি চাবেৰাই মাতৃ হোৱাৰ সুখ লাভ কৰিছিল। বিবাহ বহিৰ্ভূত যৌন মিলনৰ জৰিয়তে চাবেৰাই শাৰীৰিক-মানসিক তৃপ্তি লাভ কৰাৰ সমান্তৰালভাৱে নিজৰ স্বাস্থ্যৰ কথা জানিও তাইক বিয়া কৰাই অনা ইলিয়াছৰ প্ৰতিও যেন মৌন প্ৰতিবাদ সাব্যস্ত কৰিছে।

মই ডেচডিম'না হ'ব খোজোঁ উপন্যাসখনত বিবাহ বহিৰ্ভূত যৌন সম্পৰ্কই এটা পৰিয়াল কিদৰে ধ্বংসৰ গৰাহলৈ ঠেলি পঠিয়াইছে সেয়া উপস্থাপন কৰা হৈছে। নয়নাৰ পিতৃ আৰু মামীয়েকৰ মাজত থকা সম্পৰ্কৰ বাবেই নয়নাৰ মাকে আত্মহত্যাৰ পথ বাছি লৈছিল। দেউতাক আৰু মামীয়েকৰ অবৈধ যৌন সম্পৰ্কই ঘৰ এৰি থিয়েটাৰলৈ অহাৰ পিছতো নয়নাৰ সমস্ত সত্ত্বাক অস্থিৰ কৰি ৰাখিছিল— "দেউতাক আৰু মামীয়েকৰ বীভৎস আনন্দই কেনেদৰে নিজৰ ঘৰতে আলহী কৰিছিল সিহঁতক, তাকে ভাবি ভাবি বহি ৰৈছিল তাই, ক'তো মন নবহিছিল। বাৰে বাৰে সংলাপবোৰ ভুলকৈ উচ্চাৰিছিল, উজুটি খোৱাৰ দৰে আছিল শৰীৰৰ সঞ্চালন। প্ৰায়ে টান কথা শুনিব লগা হৈছিল পৰিচালকৰ...।"[২১]

*মুক্তি* উপন্যাসত সমকামী পুৰুষ শেঠ চাহাব আৰু ভাগৰতীৰ যৌন মনস্তাত্ত্বিক দিশ পোহৰলৈ অনা হৈছে। ভাগৰতী নামৰ লোকজনে লগুৱা হিচাপে অনা পোন্ধৰ-যোল্ল বছৰীয়া যুৱকজনৰ লগত বলপূৰ্বক যৌন বাসনা চৰিতাৰ্থ কৰাৰ চেষ্টা কৰিছিল। ঠিক একেদৰে ৰৌশন শেঠেও বচন্তীৰ পুত্ৰ শংকৰৰ লালন-পালনৰ সমস্ত দায়িত্ব লৈ নিজৰ ঘৰত ৰাখি শংকৰৰ ইচ্ছাৰ বিৰুদ্ধে যৌন নিৰ্যাতন চলাইছে। নিজৰ যৌন বাসনা চৰিতাৰ্থ কৰিবৰ নিমিত্তে এই দুজন সমকামী পুৰুষে অসহায় কমবয়সীয়া ল'ৰা দুজনক ব্যৱহাৰ কৰিছে।

*সন্ধ্যা* উপন্যাসত পাৰ্থৰ বহু নাৰীৰ সৈতে থকা যৌন সম্পৰ্কৰ বাবেই সন্ধ্যা আৰু পাৰ্থৰ বৈবাহিক জীৱনত বিপৰ্যয় আহিছিল। পাৰ্থৰ উচ্ছৃংখল যৌন বাসনা চৰিতাৰ্থ কৰাৰ প্ৰৱণতাই গোটেই পৰিয়ালটোকে ধ্বংস কৰি পেলাইছিল।

*বৰদোৱানী* উপন্যাসত সন্তানৰ বাবে ৰেণুমাইক পুণ্যধৰলৈ বিয়া পাতি অনা হৈছিল। বৰদোৱানীৰ হেঁচাত একমাত্ৰ সন্তানৰ বাবে ৰেণুমাইৰ লগত যৌন সম্পৰ্ক স্থাপন কৰা পুণ্যধৰে সময়ত দ্বিতীয় সন্তানৰো পিতৃ হৈছিল। বৰদোৱানীক এৰি অন্য নাৰীৰ কাষ চাপিব নিবিচৰা পুণ্যধৰৰ চৰিত্ৰৰ এই দিশটোৱে আত্ম নিয়ন্ত্ৰণহীন যৌনাকাংক্ষাক নিৰ্দেশ কৰিছে।

যৌন প্ৰবৃত্তি অৱচেতন স্তৰত সুপ্ত হৈ থকা এক স্বাভাৱিক প্ৰবৃত্তি। যৌন প্ৰবৃত্তি ব্যক্তিগত প্ৰপঞ্চ নহয়। ই এক আদিম প্ৰবৃত্তি। মানুহকে আদি কৰি সমগ্ৰ জীৱজগত এই প্ৰবৃত্তিৰদ্বাৰা পৰিচালিত। ইয়ুঙে যুক্তিসহকাৰে দেখুৱাইছে যে যৌন প্ৰবৃত্তিসমূহ ব্যক্তিৰ ব্যক্তিগত প্ৰপঞ্চ নহয়। ইয়ুঙে উল্লেখ কৰিছে—"মনোবিজ্ঞান কিছুমান জৈৱিক কাৰকৰ ওপৰত আধাৰিত। উদাহৰণস্বৰূপে যৌন প্ৰবৃত্তিৰ ওপৰত আত্মদাবী কেতিয়াও ব্যক্তিগত বিশেষত্ব নহয়।"[২২] আকৌ "প্ৰবৃত্তিবোৰ নৈৰ্ব্যক্তিক, গতিশীল আৰু সাৰ্বজনীনভাৱে প্ৰকাশিত বংশগত চৰিত্ৰ।"[২৩]

আলোচ্য উপন্যাসসমূহতো যৌন প্ৰবৃত্তিয়ে সাৰ্বজনীনতা লাভ কৰিছে। পুৰুষ-নাৰী উভয় চৰিত্ৰই এই আদিম প্ৰবৃত্তিৰদ্বাৰা পীড়িত হৈছে। যৌন প্ৰবৃত্তি অকল এজন ব্যক্তিৰ মানসিক অৱস্থাৰ পৰিৱৰ্তে সমগ্ৰ মানৱ জাতিৰে মনস্তত্ত্বৰ প্ৰতিনিধিত্বমূলক কাৰক। ইয়াৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহো সকলোৰে ক্ষেত্ৰত সমৰূপতা লাভ কৰা দেখা যায়। মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসসমূহত ব্যক্তি মনস্তত্ত্বৰ এই সামূহিক দিশটো প্ৰতিপন্ন কৰা হৈছে। অৱচেতন স্তৰত অৱদমিত যৌন ক্ষুধাই চৰিত্ৰৰ আচাৰ-আচৰণ পৰিচালিত কৰিছে। ই কেৱল এটা চৰিত্ৰৰ ক্ষেত্ৰতে নহয়। সমগ্ৰ লোকৰ সত্বাক যৌন ক্ষুধাই নিয়ন্ত্ৰণ কৰি আহিছে। পুৰুষ-নাৰীৰ গণ্ডীৰ বাহিৰত গৈ ই সমগ্ৰতাক কেন্দ্ৰভূত কৰে। অৰ্থাৎ নাৰী মনস্তত্ত্ব বা পুৰুষ মনস্তত্ত্বক প্ৰতিনিধিত্ব নকৰি যৌথ মানৱ মনস্তত্ত্বক নিৰ্দেশ কৰে। উপন্যাসৰ বিষয়বস্তুৰ যৌন মনস্তাত্ত্বিক দিশটো বিশ্লেষণ কৰি চালে চৰিত্ৰসমূহৰ সমূহীয়া মনস্তাত্ত্বিক দিশটো ভাস্বৰ হৈ পৰে। অন্তৰত যৌন বাসনাৰ উপস্থিতিয়ে চৰিত্ৰসমূহৰ চেতনাশূন্য কৰি তুলিছে। তেওঁলোকৰ আচাৰ-আচৰণ সকলোতে অতৃপ্ত যৌন বাসনাই অগ্ৰাধিকাৰ লাভ কৰিছে। চেতন বা অৱচেতনভাৱেই হওঁক চৰিত্ৰসমূহে নিজৰ যৌন ক্ষুধাক অগ্ৰাধিকাৰ প্ৰদান কৰি তাক পূৰণ কৰাৰ বাবে পথ উলিয়াই লৈছে।

এনেদৰেই উপন্যাসসমূহত চৰিত্ৰসমূহে যৌন মনস্তাত্ত্বিক জটিলতাত ভোগা পৰিলক্ষিত হৈছে। চৰিত্ৰসমূহৰ অন্তৰত অন্যান্য প্ৰবৃত্তিৰ দৰে যৌন প্ৰবৃত্তিসমূহো অৱদমিত হৈ থকা দেখা গৈছে। অৱদমিত যৌনক্ষুধা চৰিতাৰ্থ কৰিবৰ বাবে চৰিত্ৰসমূহে বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰিছে। আনকি বিবাহ বহিৰ্ভূত যৌন সম্পৰ্ক স্থাপন কৰিও চৰিত্ৰ কিছুমানে জৈৱিক ক্ষুধা পূৰণ কৰিছে। আলোচ্য উপন্যাসসমূহত পুৰুষ-নাৰী উভয়েই যৌন প্ৰবৃত্তিৰদ্বাৰা পীড়িত হৈছে। সেয়েহে যৌন প্ৰবৃত্তি কেৱল ব্যক্তিৰ ব্যক্তিগত প্ৰপঞ্চ হৈ নাথাকি সমগ্ৰ মানৱ জাতিৰে সমূহীয়া মনস্তত্ত্বক প্ৰতিনিধিত্ব কৰিছে। এনেদৰেই ই উপন্যাসসমূহৰ এক অন্যতম প্ৰধান বিষয় হিচাপে অৱতীৰ্ণ হৈছে।

**৩.০৭ মনস্তত্ত্বৰ সমাজতাত্ত্বিক দিশ ঃ**

ফ্ৰয়েডীয় মনস্তাত্ত্বিক সূত্ৰৰ আধাৰত ব্যক্তিৰ মনস্তত্ত্বৰ কথা অধ্যয়ন কৰিলে মনস্তত্ত্ব এটা ব্যক্তিগত প্ৰপঞ্চ হিচাপে বহু সময়ত আমাৰ ধাৰণা হয়। কিন্তু প্ৰকৃততে মনস্তত্ত্ব কেৱল এটা ব্যক্তিগত প্ৰপঞ্চ নহয়। মনস্তত্ত্ব এক সামাজিক প্ৰপঞ্চহে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সংশ্লিষ্ট কাৰকে ব্যক্তিৰ মনস্তত্ত্ব বিশেষ ৰূপত গঢ় দিয়াত বৰঙণি আগবঢ়ায়। সেয়েহে সমাজতাত্ত্বিক কাৰকসমূহৰ পৰা নিলগাই ৰাখি আমি ব্যক্তিৰ মনস্তত্ত্বৰ অৱলোকন কৰিব নোৱাৰোঁ। ব্যক্তিৰ মনস্তত্ত্ব গঠনত সমাজ ব্যৱস্থাত ক্ৰিয়া কৰি থকা কেন্দ্ৰীয় আৰু প্ৰান্তীয়কৰণৰ ভূমিকা মনকৰিবলগীয়া। **প্ৰান্তীয়কৰণ** হৈছে মানৱ ইতিহাসৰ লগত জড়িত এক গভীৰ সমস্যা। ব্যক্তিগত, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি বিভিন্ন প্ৰেক্ষাপটৰ সৈতে ই সংপৃক্ত। ইয়াৰ অন্তৰালত প্ৰচলিত সমাজ ব্যৱস্থাই গঢ় দিয়া ক্ষমতা-সম্পৰ্ক আৰু লগতে তাৰ দ্বাৰা সৃষ্ট দ্বন্দ্বই কাৰ্যকৰী ৰূপত অৱতীৰ্ণ হৈ আছে। ই মানৱ সমাজৰ সৰ্বত্ৰতে দ কৈ প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

> সমাজ-জীৱনৰ বিভিন্ন স্তৰত গাইগুটীয়া, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, লিংগভিত্তিক, গোষ্ঠীগত, গোলকীয় আদি বিভিন্ন ৰূপ আৰু প্ৰকাৰেৰে ব্যাপ্ত হৈ থকা এই প্ৰান্তীয়কৰণৰ সমস্যাই সমসাময়িক বিশ্বৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক দৃশ্যপটক অনবৰতে দকৈ প্ৰভাৱিত কৰি আহিছে। প্ৰান্তীয়কৰণৰ মূল তাৎপৰ্য নিহিত আছে 'পৃথকতা' (difference)[২৪]ৰ ধাৰণা আৰু ইয়াৰ অৱশ্যম্ভাৱী পৰিণতি 'নিলগীকৰণ' (exclusion)[২৫] আৰু 'অন্যতা' (otherness)[২৬] ধাৰণাৰ মাজত, আৰু প্ৰচলিত ক্ষমতা সম্পৰ্কৰ মাজত এই 'পৃথকতা'ক বিশেষ গুৰুত্ব সহকাৰে তুলি ধৰা হয় প্ৰান্তীয়কৰণৰ প্ৰক্ৰিয়াটোৰ স্বাৰ্থতেই।[২৭]

সমাজৰ ক্ষমতাৰ কেন্দ্ৰবিন্দুত অধিষ্ঠিত ব্যক্তি বা ব্যক্তিগোটে নিজৰ অস্তিত্ব সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত আন ব্যক্তি বা গোটক প্ৰান্তীয় অৱস্থালৈ ঠেলি পঠিয়ায়। এনে অৱস্থাত প্ৰান্তীয় হৈ পৰা শ্ৰেণীটোৱে নিজৰ স্বকীয় স্বাধীনতা, মৰ্যাদা হেৰুৱাবলগীয়া হয়। আনকি ক্ষমতাত প্ৰতিষ্ঠিত শ্ৰেণীটোৱে এইসকল লোকৰ ব্যক্তিগত জীৱনো নিয়ন্ত্ৰণ কৰি ৰাখে। এনেদৰেই প্ৰান্তীয়কৃত শ্ৰেণীটোৱে সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু মানসিক দিশত অৱদমনৰ সন্মুখীন হৈ আহিছে। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীক সদায় প্ৰান্তীয় ৰূপত অৱতীৰ্ণ কৰোৱা হয়। নাৰী-পুৰুষৰ মাজত থকা মৌলিক দেহতাত্ত্বিক পাৰ্থক্যৰ দোহাই দি পুৰুষতান্ত্ৰিক ব্যৱস্থাই সামাজিক-

সাংস্কৃতিক সকলো ক্ষেত্ৰতে নাৰীক নিম্ন স্থানত প্ৰতিষ্ঠা কৰি আহিছে। এইক্ষেত্ৰত নাৰীবাদী লেখিকা ছিম'ন দ্য বিভয়ৰ্ৰ এক উক্তি প্ৰাসংগিক। ছিম'ন দ্য বিভয়ৰে *The second sex* গ্ৰন্থত নাৰীৰ বাস্তৱিক স্থিতি সম্পৰ্কত কৈছে —"নাৰীৰ জন্ম নহয়, নাৰীক গঢ় দিয়া হয়।"[২৮] আমাৰ সমাজ ব্যৱস্থাত কেন্দ্ৰীয়কৃত বা শক্তিশালী শ্ৰেণী হিচাপে পুৰুষসকলে অৱস্থান কৰে। কেন্দ্ৰীয়কৃত শ্ৰেণীটোৱে প্ৰান্তীয়কৃত শ্ৰেণীটোক বিভিন্ন ধৰণে অৱদমন কৰি আহিছে। সমাজৰ প্ৰান্তীয় শ্ৰেণীটোক অৱদমন কৰাৰ উদ্দেশ্যে শক্তিশালী শ্ৰেণীটোৱে কিছুমান মতাদৰ্শৰ সৃষ্টি কৰে। ব্যক্তিৰ অস্তিত্বৰ বাস্তৱ সত্বাৰ সৈতে স্থাপন কৰা ব্যক্তিৰ কাল্পনিক সম্পৰ্কক অল্‌থ্যুজাৰে মতাদৰ্শ আখ্যা দিছে। অল্‌থ্যুজাৰৰ মতে " মতাদৰ্শই ক্ষমতাশালী ব্যৱস্থা আৰু ব্যক্তিসত্বাৰ মাজত এক সমন্বয়ৰক্ষী কাৰক হিচাপে অৱস্থান কৰে।"[২৯] ক্ষমতাশালী শ্ৰেণীটোৱে মতাদৰ্শকে অৱলম্বন কৰি ব্যক্তিৰ ওপৰত আধিপত্য বিস্তাৰ কৰে। ইয়াৰ সহায়তেই বিভিন্ন ক্ষেত্ৰত এইসকল লোকক অৱদমিত পৰ্যায়ত উপনীত কৰায়। আনহাতে অৱদমিত শ্ৰেণীটোৱে তাৰ বিৰুদ্ধে কোনোধৰণৰ পদক্ষেপ গ্ৰহণ নকৰাকৈ চিৰন্তন, নিত্য-নৈমিত্তিক বিষয় হিচাপে গ্ৰহণ কৰি আহিছে। ব্যক্তি জীৱন পৰিচালিত আৰু নিয়ন্ত্ৰিত কৰি ৰখাত সমাজৰ চিৰাচৰিত আদৰ্শসমূহেই মূল প্ৰপঞ্চ হিচাপে বৰ্তি আছে। ইয়াক নস্যাৎ কৰাটো যিদৰে সহজ নহয়, আওকাণ কৰি আগুৱাই যোৱাটোও তেনেই কঠিন। বাগধাৰা বা মতাদৰ্শই কেৱল বৈষয়িক বা ভৌতিকভাৱেই ব্যক্তিক প্ৰভাৱিত নকৰে। বাগধাৰাসমূহে ব্যক্তিৰ মনস্তাত্ত্বিক দিশটোকো গভীৰভাৱে প্ৰভাৱিত কৰে।

মণিকুন্তলা ভট্টাচাৰ্যৰ প্ৰায়কেইখন উপন্যাসেই প্ৰান্তীয়কৃত শ্ৰেণীটোক মুখ্য বিষয় হিচাপে লৈ ৰচিত। তেওঁৰ উপন্যাসসমূহত প্ৰান্তীয় শ্ৰেণীটো বিভিন্ন সামাজিক, সাংস্কৃতিক মতাদৰ্শৰদ্বাৰা পিষ্ট। এইক্ষেত্ৰত **পৰিয়ালকেন্দ্ৰিক মতাদৰ্শ**ৰ ভূমিকা সৰ্বাধিক। অল্‌থ্যুজাৰে পৰিয়ালকেন্দ্ৰিক মতাদৰ্শ সম্পৰ্কত কৈছে—

> জন্মৰ পূৰ্বেই এজন ব্যক্তি বিষয় হিচাপে পৰিগণিত হয়। এটি শিশু ভূমিষ্ঠ নৌহওঁতেই পিতৃৰ নামেৰে নামাকৰণ কৰাটোও এটা আদৰ্শগত পাৰম্পৰিক প্ৰক্ৰিয়া। পিতৃৰ নামেৰেই শিশু এটাই নিজৰ পৰিচয় লাভ কৰাটো পৰম্পৰাগতভাৱে চলি আহিছে। ফ্ৰয়েডে ব্যক্তি সদায় পৰম্পৰাগত ভাৱমূৰ্তিৰ প্ৰতি সজাগ হোৱাৰ কথা স্বীকাৰ কৰিছে। সৰলীকৰণ প্ৰক্ৰিয়াতো পৰম্পৰাগত নীতি-নিয়মৰ মাজত আবদ্ধ থাকি আদৰ্শগত মনোবাঞ্ছা পূৰণ কৰে। মানুহৰ পক্ষে এই আদৰ্শগত ভাৱধাৰাৰ বিৰুদ্ধাচৰণ কৰা মানেই হৈছে আৱেগিক আঘাত কৰা। গতিকে জন্মৰ

পূৰ্বেই শিশু এটিক বিষয়লৈ ৰূপান্তৰ কৰা সমগ্ৰ প্ৰক্ৰিয়াটোৱেই পৰিয়ালকেন্দ্ৰিক মতাদৰ্শক প্ৰতিনিধিত্ব কৰে।[৩০]

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত নাৰী চৰিত্ৰসমূহক এক প্ৰান্তীয় শ্ৰেণী হিচাপে উপস্থাপন কৰা হৈছে। এই প্ৰান্তীয়কৃত শ্ৰেণীটোৰ মনস্তাত্ত্বিক দিশ উদঘাটন কৰিবলৈ ঔপন্যাসিকা যত্নপৰ হোৱা পৰিলক্ষিত হয়। পুৰুষতান্ত্ৰিক সমাজ এখনত নাৰীক প্ৰতিনিয়ত অৱদমন কৰি ৰখা হয় বাবে নাৰী মনস্তত্ত্বটো এক বিশেষ ৰূপত গঢ় লৈ উঠে। এগৰাকী কন্যা সন্তানৰ জন্মৰপৰা আৰম্ভ কৰি বিবাহলৈকে সকলো সিদ্ধান্ত পৰিয়ালৰ মুৰব্বী, অৰ্থাৎ পিতৃ নাইবা ভাতৃয়ে নিৰ্ণয় কৰে। বিবাহৰ পিছত স্বামী আৰু বৃদ্ধাৱস্থাত পুত্ৰৰ হাতত এগৰাকী নাৰীৰ জীৱনৰ গতিধাৰা অগতানুগতিকভাৱে সমৰ্পিত হয়। পৰিয়ালকেন্দ্ৰিক মতাদৰ্শ কিছুমানে ইয়াৰ আঁৰত অহৰহ ক্ৰিয়া কৰি থাকে। সৰুৰেপৰাই এগৰাকী ছোৱালীক পুৰুষৰ অধীনস্থ হ'বলৈ পৰিয়ালসমূহত দীক্ষা দিয়া হয়। অসমীয়া সমাজত প্ৰচলিত 'লাও সদায় পাতৰ তলত', 'চৰুক সুধি চাউল নিসিজায়' জাতীয় প্ৰবচনসমূহেও পৰম্পৰাগতভাৱে **পুৰুষতান্ত্ৰিক মতাদৰ্শ**কেই প্ৰতিনিধিত্ব কৰি আহিছে। সমাজ ব্যৱস্থাত দ লৈ শিপাই থকা এইধৰণৰ পৰম্পৰা কিছুমান উলংঘা কৰি বাহিৰলৈ ওলাই অহাটো সকলো নাৰীৰ পক্ষে সহজসাধ্য নহয়। যাৰফলত যুগ-যুগ ধৰি চলি অহা অন্যায়সমূহ বিনা প্ৰতিবাদে গ্ৰহণ কৰি ল'ব পৰাকৈ তেওঁলোকৰ মনস্তত্ত্ব গঢ় লৈ উঠে। আমাৰ আলোচ্য নিৰ্বাচিত উপন্যাসৰ প্ৰায়কেইখনতে বৈবাহিক জীৱনৰ সমস্যাক প্ৰধান বিষয় হিচাপে উপস্থাপন কৰা হৈছে। বিবাহ হৈছে এক সামাজিক ব্যাপাৰ। বিবাহৰ জৰিয়তে দুটা ভিন্ন পৰিয়াল-পৰিপাৰ্শ্বিকৰ পৰা অহা পুৰুষ-নাৰীক সহবাস কৰাৰ আনুষ্ঠানিকভাৱে সামাজিক স্বীকৃতি প্ৰদান কৰা হয়। পুৰুষ কিম্বা নাৰী প্ৰত্যেকৰে জীৱনত বিবাহ এক জীৱন নিৰ্ণায়ক মূহুৰ্ত। কিন্তু পুৰুষপ্ৰধান সমাজত জীৱনৰ এনে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণৰ পৰাও নাৰীক বঞ্চিত কৰি ৰখা হয়। বিবাহৰ প্ৰসংগত নাৰীৰ মতামত গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাবোধ গ্ৰাহ্য নহয়। পুৰুষতান্ত্ৰিক মতাদৰ্শই এই অধিকাৰ কেৱল পুৰুষৰ হাতত ন্যস্ত কৰিছে। এই অৱদমন বহুসময়ত অনুভৱ কৰিও তাক উপেক্ষা কৰি আদৰ্শ সন্তান, আদৰ্শ নাৰী হোৱাৰ প্ৰৱণতাৰ বাবেই নাৰীয়ে বিনা প্ৰতিবাদে গ্ৰহণ কৰি অহাটো নাৰী মনস্তত্ত্বৰ অন্যতম লক্ষণীয় দিশ। মণিকুন্তলা ভট্টাচাৰ্যৰ *বাঁহী* উপন্যাসত দেউতাকৰ মৃত্যুৰ পিছত খুড়াকৰ আশ্ৰয়ত থকা নয়নতৰা আৰু মাকৰ জীৱনৰ সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্ত খুড়াকে লৈছিল। নয়নতৰাক পত্নী ঢুকোৱা দুটি সন্তানৰ পিতৃ মধ্যবয়সীয়া মৌজাদাৰৰ লগত বিয়া দিয়াৰ সিদ্ধান্তও তেওঁৰেই। পৰিয়ালৰ মুৰব্বী হিচাপে তেওঁৰ সিদ্ধান্তত নয়নতৰাৰ মাকেও সন্মতি জনাইছিল।

নয়নতৰাৰ এই বিয়াত সন্মতি আছেনে নাই সেয়া কোনেও জানিববলৈ ইচ্ছুক নাছিল। নয়নতৰাৰ সন্মতি অবিহনেই এগৰাকী মধ্যবয়সীয়া লোকৰ সৈতে তাইৰ বিয়া ঠিক কৰা হৈছিল। তাইও এগৰাকী আদৰ্শ জীয়াৰীৰ ভূমিকা পালন কৰি খুড়াক আৰু মাকক সকাহ দিবলৈকেই বিয়াত বহিছিল। পুৰুষপ্ৰধান সমাজ ব্যৱস্থাত নাৰী অৱদমনৰ চিৰাচিত প্ৰথাসমূহে নয়নতৰাৰ মানসিকতাত আঘাত হানিছিল যদিও সেইবোৰৰ মুক্ত প্ৰতিবাদ কৰিব পৰাৰ সাহস গোটাব পৰা নাছিল। সমাজত কিছুমান আদৰ্শৰ প্ৰচলন কৰি নাৰীৰ প্ৰতিবাদী কণ্ঠ ৰুদ্ধ কৰি অহা হৈছে। নয়নতৰাই তাইৰ লগত হৈ অহা অন্যায়সমূহ অনুভৱ কৰিবলৈ সক্ষম হৈছে। কিন্তু তাইক সৰুৰেপৰা সমাজ তথা পৰিয়ালত আদৰ্শ নাৰী সম্পৰ্কত যিবোৰ জ্ঞান দি অহা হৈছে সেইবোৰে প্ৰতিবাদ নকৰাকৈ সকলোবোৰ গ্ৰহণ কৰিব পৰাকৈ তাইৰ মনস্তত্ত্বক গঢ় দিছে। নয়নতৰাই বিনা প্ৰতিবাদে পালন কৰিব দিয়া সকলোবোৰ কাৰ্য কৰাৰ সমান্তৰালভাৱে তিৰোতা হৈ জন্মগ্ৰহণ কৰাৰ বাবে নিজৰ মাজতে ক্ষোভ উজাৰিছে— "এৰা, তাই তিৰোতা মানুহ। কোনেও তিৰোতাক সুধি দৰা ঠিক নকৰে, মাটি-বাৰীৰ সমস্যা সমাধান নকৰে, সম্পদ-সম্পত্তি বঢ়াব নে বিলাই দিব নে উৰুৱাব বিলাসীতাত, সেই কথাও তিৰোতাক নোসোধে কোনেও। গা ভৰাই ভৰাই গহণা-কাপোৰ দিব, কোলাত কেঁচুৱা দিব, তিৰোতাই হাঁহিমুখে কৰি যাব সমস্ত কাম বান্দীৰ হাত দুখনিৰে।"[৩১] নয়নতৰাৰ এই স্বীকাৰোক্তিয়ে পুৰুষৰদ্বাৰা নাৰী অৱদমনৰ জলন্ত চিত্ৰখন ভাস্বৰ কৰি তুলিছে।

*অৰুন্ধতী* উপন্যাসত অনন্যাৰ প্ৰথম বিবাহৰ সমস্ত সিদ্ধান্ত দেউতাকে লৈছিল। অনন্যাই কি বিচাৰে সেয়া জানিবলৈ চেষ্টা নকৰাকৈয়ে কম বয়সতে তাইক বিয়া দি উলিয়াই দিয়া হয়। পিতৃভক্ত অনন্যাইও আনবোৰ নাৰীৰ দৰেই সহনশীলা আদৰ্শ নাৰীৰ স্বৰূপটোকেই গ্ৰহণ কৰিছিল। পিতাকৰ কথামতে কম বয়সতে বিয়া হোৱা অনন্যাই বৈবাহিক জীৱনত সুখী হোৱা নাছিল। তৎসত্ত্বেও পিতৃ-মাতৃৰ সন্মুখত সুখী হোৱাৰ অভিনয় কৰি গৈছিল। উপন্যাসখনত পিতৃৰ কথা আখৰে-আখৰে পালন কৰি অহা অনন্যাৰ মনস্তত্ত্বৰ প্ৰকাশ ঘটিছে।

*সন্ধ্যা* উপন্যাসতো সন্ধ্যাৰ বিয়াৰ সময়ত তাইৰ মতামত গ্ৰহণৰ প্ৰয়োজনীয়তাবোধ কৰা নাই। পোনপটীয়াকৈ দেউতাকে তাইৰ সন্মুখত বিয়াৰ প্ৰস্তাৱ ৰাখিছে এনেদৰে—"ঃ এটা ল'ৰা পাইছো। এড্‌ভোকেট এছ লাল বৰুৱাৰ ল'ৰা। গুৱাহাটীৰে। ব্যৱসায় কৰে। একমাত্ৰ ল'ৰা। তই না নকৰিবি....।"[৩২] দেউতাকৰ 'তই না নকৰিবি' বুলি কোৱা কথাষাৰে সন্ধ্যাক বিৰোধ কৰিব নোৱাৰাকৈ বান্ধি পেলাইছে। যাৰ পৰিণতিত নয়নতৰা, অনন্যাৰ নিচিনাকৈ সন্ধ্যাইও এগৰাকী একান্ত বাধ্য সন্তান হৈ বিয়াত বহিছিল।

**অৰ্থনৈতিক কাৰকেও** ব্যক্তিৰ মনস্তত্ত্ব গঠনত বিশেষ অৰিহণা যোগায়। *বৰদোৱানী* উপন্যাসত অৰ্থনৈতিক দিশটোৱে ৰেণুমাইৰ আশা-আকাংক্ষা দমনত কিদৰে প্ৰভাৱ পেলাইছে সেয়া দেখুওৱা হৈছে। ৰেণুমাই দুখীয়া ঘৰৰ ছোৱালী হোৱাৰ বাবেই এজন পুৰুষৰ দ্বিতীয় পত্নী হ'বলৈ বাধ্য হৈছে। সাধাৰণতে প্ৰত্যেক নাৰীয়ে বিবাহপাশত আবদ্ধ হোৱা পুৰুষজনৰ জীৱনত প্ৰথম আৰু একমাত্ৰ নাৰী হোৱাটো বিচাৰে। কিন্তু বহুসময়ত আৰ্থিক অৱস্থাৰ ওচৰত হাৰ মানি পৰিয়ালৰ স্বাৰ্থতে নাৰীয়ে ইচ্ছাৰ বিৰুদ্ধে গৈ এনেধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হয়। ৰেণুমাই পুণ্যধৰৰ লগত বিয়াত বহাৰ মূলতে হ'ল পৰিয়ালটোৰ আৰ্থিক দুৰৱস্থা। দ্বিতীয় পত্নী হ'বলৈ বাধ্য হোৱা ৰেণুমাইৰ মনস্তাত্ত্বিক দিশটোৰ প্ৰকট হৈছে এনেদৰে—"ওফন্দি উঠিল অভিমানী দুগাল। দৰিদ্ৰৰ ঘৰত ওপজা কাৰণেই আগৰ এজনী থকা এজনলৈকে বিয়া হ'ব লগা হ'ল তাই! সেইজনী সেউতী, একে গাঁৱৰে, লৰি-চৰি ফুৰা ঘৰত ওপজা কাৰণে কি সুন্দৰ দৰা পালে। কি সুন্দৰ সংসাৰ তাইৰ। ক'তো অকণো সংশয় নাই। বুকু মহতিয়াই চকুলো বাগৰি আহিল ৰেণুমাইৰ সেই অভিমানী দুগালেৰে।"[৩৩]

আমাৰ সমাজ ব্যৱস্থাত **শ্ৰেণী বৈষম্য**ৰ শোকাৱহ চিত্ৰখন বিভিন্ন ক্ষেত্ৰৰ লগতে বিয়া-বাৰুৰ প্ৰসংগতো দৃষ্টিগোচৰ হয়। দুখীয়া ঘৰৰ ছোৱালী বিয়া দিয়াৰ ক্ষেত্ৰত আৰ্থিক দুৰৱস্থাই প্ৰধান বাধাৰ সৃষ্টি কৰে। এনে পৰিয়ালসমূহৰ উপায়হীনতাৰ সুযোগ এচামে গ্ৰহণ কৰি আহিছে। *বৰদোৱানী* উপন্যাসখনত পুণ্যধৰৰ দ্বিতীয় বিবাহৰ বাবে ছোৱালী বিচৰা প্ৰসংগত মধু ফৰেষ্টাৰে ব্যক্ত কৰা কথাখিনিয়ে দুখীয়া শ্ৰেণীটোৰ ওপৰত কৰা এইধৰণৰ মানসিক অৱদমন স্পষ্ট হৈ উঠিছে। বায়েকে পুণ্যধৰৰ দ্বিতীয় বিবাহৰ বাবে ভাল ছোৱালী মধু ফৰেষ্টাৰৰ দৃষ্টিত আছে নেকি সোধাত ফৰেষ্টাৰে কৈছে—"ঃ ওলাব। দৰিদ্ৰৰ ঘৰত চকু ফুৰালেই হ'ল। তেনে ছোৱালী অলপ পাতৰ তলত ৰাখিব পৰা যাব।"[৩৪] অৰ্থাৎ দুখীয়া ঘৰৰ ছোৱালী যিমানেই দেখনিয়াৰ বা গুণী-জ্ঞানী নহওঁক কিয় তেওঁলোকৰ বিবাহৰ যোগ্যতাৰ মাপকাঠী আৰ্থিক অৱস্থাৰ ওপৰত ভিত্তি কৰি লোৱা হয়। তাৰ ভিত্তিতেই সাধাৰণতে পত্নী ঢুকোৱা, প্ৰথমা পত্নীৰ সন্তান নথকা আদি ধৰণৰ পুৰুষৰ বাবে বিয়াৰ প্ৰস্তাৱ এইসকল লোকৰ ঘৰলৈ পঠিওৱা হয়। অভিভাৱকসকলেও নিজৰ অভাৱী জীৱনৰ ওচৰত বাধ্য হৈ নিজৰ ছোৱালীৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই এনেধৰণৰ প্ৰস্তাৱত সন্মতি জনায়। যাৰ পৰিণতিত ছোৱালীজনীয়ে নিজৰ গাভৰু জীৱনৰ সমস্ত আশা-আকাংক্ষা অৱদমন কৰি বিয়াত বহিবলৈ মান্তি হ'বলগীয়া হয়। উপন্যাসখনতো একমাত্ৰ সন্তান জন্ম দিবৰ বাবেই ৰেণুমাইক পুণ্যধৰলৈ বিয়া কৰাই অনা হৈছে। বিবাহৰ পূৰ্বেই সকলো কথা

জনাৰ পিছতো ৰেণুমাই বিয়াত বহিছে যদিও তাইৰ আক্ষেপ এটি ৰৈ গৈছে। এনেদৰেই ৰেণুমাইৰ নিচিনা সমাজৰ বহুতো নাৰীৰ মনস্তত্ত্ব গঠনত অৰ্থনৈতিক দিশটোৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

বিবাহোত্তৰ কালত এগৰাকী নাৰীক যিবিলাক নীতি-নিয়ম তথা দিহা-পৰামৰ্শ প্ৰদান কৰা হয় সেইবোৰে প্ৰকৃততে পুৰুষতান্ত্ৰিক বাগধাৰাকেই প্ৰতিনিধিত্ব কৰি আহিছে। স্বামীক সুখী কৰি ৰখাই নাৰীৰ পৰম ধৰ্ম— এই আপ্ত বাক্যশাৰী বিবাহিত নাৰীক এনেদৰে শিকোৱা হয় যে তাৰ বিপক্ষে যোৱাটো এগৰাকী নাৰীৰ বাবে অসম্ভৱ হৈ উঠে। পুৰুষ তথা স্বামীৰ বিৰোধিতা কৰিব নোৱাৰাকৈ নাৰী মনস্তত্ত্বক এনেদৰে গঢ় দিয়া হয়। এইক্ষেত্ৰত পৰম্পৰাগত নীতি-নিয়মসমূহ মুখ্য সহায়ক হয়। বিবাহৰ সময়তে কৌশলগতভাৱে পুৰুষতান্ত্ৰিক বাগধাৰা কিছুমান নাৰীৰ অন্তৰত সুমুৱাই দিয়া হয়। যাৰ পৰিণতিত স্বামীৰদ্বাৰা শাৰীৰিক, মানসিকভাৱে অপদস্থ হোৱা নাৰী এগৰাকীয়েও সমস্ত যন্ত্ৰণা লুকাই ৰাখি সমাজত এগৰাকী সহনশীলা আদৰ্শ পত্নীৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। সমাজে আদৰ্শ নাৰী, আদৰ্শ পত্নীৰ যি মূল্যাংক নিৰ্ধাৰিত কৰি থৈছে তাত উপনীত হ'বলৈ গৈ বহু নাৰীয়ে নিজৰ স্বাভিমান হেৰুৱাই পেলাইছে। *অৰুন্ধতী* উপন্যাসতো বিয়াৰ নিশাই অনন্যাক মহাসতী অৰুন্ধতীৰ গাথা শুনোৱা হৈছিল। এই সম্পৰ্কে অনন্যাই কৈছে—

> বিয়াৰ নিশাই মোক ফৰকাল আকাশৰ এটি উজ্জ্বল তৰালৈ আঙুলিয়াই দেখুওৱা হৈছিল। সপ্তৰ্ষি মণ্ডলৰ কাষতে থকা এটি উজ্জ্বল তৰা-মহাসতী অৰুন্ধতী। কৰ্দম ঋষিৰ কন্যা আৰু বশিষ্ঠ ঋষিৰ পতিব্ৰতা স্ত্ৰী অৰুন্ধতী। যি সতীত্বৰ বলেৰেই স্বামীৰ কাষত সদায় ৰৈ থাকে...। ... কইনাৰ ওৰণি দাঙি যেতিয়া সেই তৰাটোলৈ চাই নাৰীৰ সতীত্বৰ মহান গাথা শুনিছিলোঁ; প্ৰাণভৰি উশাহ লৈছিলোঁ! ময়ো হ'ম অৰুন্ধতী! ময়ো হ'ম অৰুন্ধতী!! [৩৫]

পৰম্পৰাৰ আঁৰেৰে বিয়াৰ নিশাই অনন্যাক ভৱিষ্যতে এগৰাকী আদৰ্শ পত্নী হোৱাৰ পাঠ পঢ়োৱা হৈছিল। যিয়ে অন্যান্য নাৰীৰ দৰেই অনন্যাৰ মনস্তত্ত্বতো এগৰাকী পতিব্ৰতা নাৰী হোৱাৰ বাসনা জগাই তুলিছিল। স্বামীৰদ্বাৰা শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতিত হৈও অনন্যাই অৰুন্ধতী হৈ ৰোৱাৰ বাসনাৰেই সকলো নিৰৱে সহি ৰৈছিল। বৈবাহিক জীৱনত পতিব্ৰতা নাৰীৰ ভূমিকা পালন কৰি থকা অনন্যাৰ সতীত্ব স্বামীৰ হাততেই প্ৰহসনত পৰিণত হৈছে। ভাতৃ-ভগ্নী কোনো নথকা অনন্যাই স্বামীৰ বন্ধু খোৰাণাৰ মাজত ভাতৃত্বৰ আন্তৰিকতা অনুভৱ কৰিছিল। এইটো কাৰণতে অনন্যাই খোৰাণাৰ সৈতে কিছু পৰিমাণে নিবিড় হৈছিল যদিও অনন্যাৰ স্বামীয়ে সেই সম্পৰ্কক কলুষ দৃষ্টিৰেহে বিচাৰ কৰিছিল। স্বামীৰ মনোভাৱৰ বাবেই পৰৱৰ্তী সময়ত খোৰাণাৰ সৈতে

অনন্যাই দূৰত্ব বৰ্তাই ৰাখিছিল। এগৰাকী আদৰ্শ পত্নী হোৱাৰ স্বাৰ্থত অনন্যাই এনেদৰে নিজস্বতা বিসৰ্জন দিছে।

বিবাহোত্তৰ কালত পিতৃ পৰিয়ালৰ ফালৰপৰা নাৰীক আগবঢ়োৱা উপদেশ-পৰামৰ্শসমূহে যে পুৰুষতান্ত্ৰিক বাগধাৰাক প্ৰতিনিধিত্ব কৰি আহিছে সেয়া *সন্ধ্যা* উপন্যাসৰ মাজেৰেও প্ৰতিফলিত হৈছে। বিবাহৰ পিছত সন্ধ্যাই পাৰ্থৰ ঔদ্ধত আচৰণ তথা অত্যধিক মদ্যপানৰ কথা দেউতাকক অৱগত কৰোৱাৰ পিছতো দেউতাকে সময়ত সকলো ঠিক হৈ যোৱাৰ আস্বাস দিছে। মাতৃৰ অবৰ্তমানত পিতৃয়ে সন্ধ্যাক যিকোনো পৰিস্থিতিত সংসাৰত সহাৱস্থান কৰাৰ পাঠ পঢ়ুৱাইছে। আনকি মাতাল স্বামীৰ প্ৰহাৰত তীব্ৰ মানসিক অন্তৰ্দ্বন্দ্বত ভুগি আত্মহত্যাৰ প্ৰচেষ্টা চলোৱা গৰ্ভৱতী সন্ধ্যাক দেউতাকে বুজাই-পৰাই পুনৰ স্বামী গৃহলৈ ওভোতাই পঠিয়াইছিল। আদৰ্শ সন্তানৰ দোহাই দি পিতৃৰদ্বাৰা সন্ধ্যাৰ মনস্তত্ত্বৰ ওপৰত পূৰ্ণৰূপত অৱদমন চলোৱা হৈছিল। ইয়াৰ উপৰিও আত্মীয়-স্বজন শুভাকাংক্ষীসকলেও সম্পৰ্কটো ধৰি ৰাখিবলৈ নানাধৰণে সন্ধ্যাক পৰামৰ্শ প্ৰদান কৰিছিল। সন্ধ্যাৰ আৱেগ-অনুভূতিতকৈ ও সমাজ পৰম্পৰাই সকলোৰে দৃষ্টিত অগ্ৰাধিকাৰ লাভ কৰিছিল। এই সম্পৰ্কত উপন্যাসখনত কোৱা হৈছে— “ অন্ধকাৰত জ্বলি উঠা চাকিৰ শিখাত জাকে জাকে চগা জপিয়াই পৰাদি শুভাকাংক্ষীসকল তাই আৰু পাৰ্থৰ ছিগো ছিগো সম্পৰ্কটোৰ ওপৰত হামখুৰি খাই পৰিছিলহি.... আটি আটি বান্ধিব খুজিছিল সেই সম্পৰ্ক সমাজৰ দোহাই দি....।”[৩৬]

মতাদৰ্শসমূহৰ আঁৰ লৈ সমাজৰ ক্ষমতাশালী শ্ৰেণীটোৱে অন্যান্যসকলক অৱদমন কৰি ৰখাৰ দৃষ্টান্ত বহুত। সমাজৰ ক্ষমতাশালী পুৰুষসকলে নাৰী মনস্তত্ত্বক এনেদৰে কাবু কৰি ৰাখে যে পৰৱৰ্তী পৰ্যায়ত নাৰীসকলেই এইবোৰ বৰ্তাই ৰখাত আগভাগ লোৱা প্ৰত্যক্ষ কৰা হয়। অৰ্থাৎ পুৰুষে নাৰীক অৱদমন কৰি ৰখাৰ বাবে যিবোৰ কৌশলৰ সৃষ্টি কৰে সেইবোৰ নাৰীসকলেই বিশেষভাৱে পৰিয়াল তথা সমাজত কঢ়িয়াই লৈ ফুৰে। আমাৰ সমাজ ব্যৱস্থাত প্ৰচলন হৈ থকা ‘নাৰীয়েই নাৰীৰ প্ৰধান শত্ৰু’ কথাষাৰ এইক্ষেত্ৰত বিশেষভাৱে প্ৰযোজ্য। কিয়নো এগৰাকী নাৰীয়েই অন্য এগৰাকী নাৰীৰ আৱেগ-অনুভূতি উপলব্ধি কৰাৰ পৰিৱৰ্তে প্ৰচলিত মতাদৰ্শসমূহৰ দোহাই দি মানসিক নিৰ্যাতন কৰি আহিছে। *বৰদোৱানী* উপন্যাসত বৰদোৱানী থকাৰ পিছতো একমাত্ৰ বংশৰক্ষাৰ খাতিৰতেই মৃত্যুশয্যাৰপৰাই মাকে পুণ্যধৰৰ পৰা দ্বিতীয় বিবাহৰ শপত আদায় কৰিছিল। সমাজ ব্যৱস্থাত এতিয়াও এগৰাকী নাৰীক সন্তান জন্ম দিব পৰা আহিলা হিচাপেই গণ্য কৰি অহা হৈছে। সময়ত সন্তান জন্ম দিব নোৱাৰিলে নাৰীৰ আৱেগ-অনুভূতিৰো কোনো মূল্য নোহোৱা হৈ

যায়। বংশৰক্ষাৰ খাতিৰতেই তেনে নাৰীৰ বৰ্তমানতে সতিনী খাটিব বাধ্য কৰোৱাৰ নিদৰ্শন সমাজত বহুত আছে। সমাজ পৰম্পৰাত প্ৰচলিত হৈ থকা কিছুমান বাগধাৰা যেনে সন্তানৰ জৰিয়তেই বংশৰ গুণ-গৰিমা বৃদ্ধি হয়, নিঃসন্তান দম্পতীয়ে পুণ্য অৰ্জন কৰিব নোৱাৰে, পুত্ৰ সন্তানৰ পিণ্ড নাপালে মৃতকে স্বৰ্গত স্থান নাপায় ইত্যাদিৰ বশৱৰ্তী হৈয়েই বংশৰক্ষাৰ বাবে মানুহে পুত্ৰ সন্তান কামনা কৰে। পুণ্যধৰৰ মাক, বাইশাহুৱেকহঁত এনেধৰণৰ চিন্তাধাৰাৰ বাহক। পুণ্যধৰৰ দ্বিতীয় বিবাহ সম্পৰ্কত পৰিয়ালৰ কোনেও বৰদোৱানীৰ মতামত বিচৰা নাছিল। তাৰ পৰিৱৰ্তে সকলোৱে নিজস্ব মতামতহে জাপি দিছিল। এই সম্পৰ্কত পুণ্যধৰৰ বায়েকে কৈছে—"ঃ এহ্, তিৰোতা মানুহৰ মন বুজন-অবুজন হোৱাটোনো কি কথা খুৱাদেউ! ল'ৰা পোৱালি এডুখৰিকে জন্মাব নোৱাৰিলে। আমি দোষ দি কথা নুশুনাও দিয়কচোন। তথাপি আমি ন-জনী বাই-ভনীৰ মাজত সি একেটা মাথোন ল'ৰা। বংশৰক্ষা বুলিতো চিন্তা এটা আছে। হয়নে নহয় কওক।"[৩৭] উপন্যাসখনত বৰদোৱানীৰ বাইশাহুৱেকৰ চৰিত্ৰটোৰ জৰিয়তে বাগধাৰাই মানসিকতাক প্ৰৰোচিত কৰা এগৰাকী নাৰীয়ে অন্য নাৰীৰ মনস্তত্ত্বত কিদৰে প্ৰভাৱ পেলায় তাক প্ৰতিফলিত কৰা হৈছে। এগৰাকী আদৰ্শ বোৱাৰী, আদৰ্শ পত্নীৰ পৰিচয় দি বৰদোৱানীয়ে অৱশেষত নিজৰ উপস্থিতিতে পুণ্যধৰক আন এগৰাকী নাৰীৰ ওচৰত সমৰ্পণ কৰিছিল। কেৱল আনৰ কথা ৰাখিবলৈকে সতিনী চপাই অনা বৰদোৱানীৰ মানসিক যন্ত্ৰণা উপন্যাসখনৰ পৃষ্ঠাই পৃষ্ঠাই বিদ্যমান।

*অৰুন্ধতী* উপন্যাসত অনন্যাৰ দিনে দিনে বাঢ়ি গৈ থকা মানসিক বিষাদগ্ৰস্ততা উপশম কৰিবলৈকে বিভিন্ন উপদেশৰ সৈতে শাহুৱেকে লিখা চিঠিখন এনেধৰণৰ আছিল—"লিখিছিল, স্বামীক সুখী কৰিবলৈকে যেন অহৰহ ব্যস্ত হৈ থাকোঁ, তেতিয়াহে ময়ো সুখী হ'ব পাৰিম। উদ্ধাৰ পাম ডিপ্ৰেচন, কিম্বা বিষাদগ্ৰস্ততাৰ পৰা।"[৩৮] অনন্যালৈ শাহুৱেকে আগবঢ়োৱা পৰামৰ্শই পুৰুষতান্ত্ৰিক মতাদৰ্শক প্ৰতিনিধিত্ব কৰিছে। স্বামীৰ সুখতেই নাৰীৰ সুখ হিচাপে গ্ৰহণ কৰাৰ এক গতানুগতিক পৰম্পৰা সমাজত প্ৰৱৰ্তন হৈ আছে। য'ত নাৰীৰ ব্যক্তিগত আৱেগ-অনুভূতি, ইচ্ছা-অনিচ্ছাৰ কোনো গুৰুত্ব নাথাকে। সমাজ তথা পৰিয়ালৰ জ্যেষ্ঠ নাৰীসকলে অহৰহ প্ৰদান কৰি অহা এনেধৰণৰ পৰামৰ্শসমূহে নাৰী মনস্তত্ত্বৰ অৱদমনত বিশেষ ক্ৰিয়া কৰে। উপন্যাসখনত শাহুৱেকৰ পৰামৰ্শ অনুসৰি স্বামীক সুখী কৰিবলৈ গৈ অনন্যাই নিজৰ স্বকীয় সত্তাক বিসৰ্জন দিছিল।

পৰম্পৰাগত সমাজ ব্যৱস্থাই দ্বিতীয় বিবাহৰ অধিকাৰ কেৱল শক্তিশালী শ্ৰেণীটোক দি আহিছে। পুৰুষৰ বাবে যিকোনো কাৰণত দ্বিতীয় বিবাহৰ বাট মুকলি থকাৰ বিপৰীতে নাৰীৰ ক্ষেত্ৰত এই পথ ৰুদ্ধ। পত্নীৰ মৃত্যু অথবা বিবাহ বিচ্ছেদ ঘটিলে এগৰাকী পুৰুষক দ্বিতীয় বিবাহৰ

বাবে পৰিয়াল তথা সমাজৰ নাৰীসকলেই বিশেষভাৱে আগবঢ়াই দিয়ে। তেনেস্থলত এগৰাকী নাৰীয়ে দ্বিতীয় বিবাহৰ বাবে আগবাঢ়ি আহিলে পুৰুষৰ সমানে নাৰীৰ পৰাও বাধাৰ সন্মুখীন হোৱা দেখা যায়। পুৰুষৰ ক্ষেত্ৰত যিটো কাৰ্য সকলোৱে সহজভাৱে গ্ৰহণ কৰে নাৰীৰ ক্ষেত্ৰত সেয়া সম্পূৰ্ণই বিপৰীত হয়। এইবোৰ কাৰকে বিধৱা নাৰী বা বিবাহ বিচ্ছেদিত নাৰী মনস্তত্ত্বত এনেদৰে ক্ৰিয়া কৰে যে তেওঁলোকে দ্বিতীয় বিবাহৰদ্বাৰা জীৱনটো নতুনকৈ আৰম্ভ কৰাৰ কল্পনা কৰিব নোৱাৰে। তাৰ ভিতৰত দুই-এগৰাকীয়ে সমাজ পৰম্পৰাৰ বিৰুদ্ধে গৈ সাহসিকতাৰ পৰিচয় দিলেও বিভিন্নধৰণে তেওঁলোকৰ মানসিকতাত আঘাত কৰা হয়। *অৰুন্ধতী* উপন্যাসত বিবাহ বিচ্ছেদৰ পিছত অনন্যাই হৃদয়ৰ লগত নতুনকৈ সংসাৰ কৰিবলৈ ওলোৱাত হৃদয়ৰ পৰিয়ালৰফালৰপৰা বাধাৰ সন্মুখীন হৈছিল। ডিভোৰ্চী নাৰী হোৱা বাবেই গ্ৰহণ কৰিব নিবিচৰা কথাটোৱে অনন্যাক মনোকষ্ট দিছিল। পৰিয়ালৰ অমতত হৃদয়ে অনন্যাক বিয়া কৰোৱাৰ পিছতো অনন্যাই এনেধৰণৰ মানসিক যন্ত্ৰণাৰ সন্মুখীন হ'বলগীয়া হৈছিল। হৃদয়ৰ মাকৰ বাহিৰে পৰিয়ালৰ আনবোৰ নাৰীয়ে অনন্যা ডিভোৰ্চী হোৱা বাবে অস্পৃশ্য জ্ঞান কৰিছিল। এই সম্পৰ্কত উপন্যাসখনত কোৱা হৈছে—

> সেই নিশা খোৱাৰ মজিয়াত তেওঁলোকৰ অন্যান্য বোৱাৰীসকলৰ পৰা মোক কিছু নিলগাই বহুৱাইছিল। বুকুত যেন হেজাৰটা শাওণৰ মেঘে গুম্‌গুমাই উঠিছিল মোৰ। তেতিয়ালৈকে ঘৰখনৰ কোনো এগৰাকী মহিলাৰে মোৰ প্ৰতি যৎসামান্য আগ্ৰহো নেদেখি মই যেন হতাশ হৈহে পৰিছিলোঁ। ভাতৰ কাঁহীত একেবাৰে অস্পৃশ্যৰ দৰে ওপৰৰ পৰা দাইল ঢালি দিয়া কাৰ্যত মোৰ দুচকুৰে তপত লোতক বাগৰি আহিছিল...। [৩৯]

*সন্ধ্যা* আৰু *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসৰ বিষয় হিচাপে বিবাহৰ ক্ষেত্ৰত **জাতি-ধৰ্মৰ প্ৰসংগই** ব্যক্তিৰ মানসিকতা গঢ় দিয়াত পেলোৱা প্ৰভাৱৰ বিষয়ে উপস্থাপন কৰা হৈছে। সমাজ ব্যৱস্থাত জাত-পাতৰ সংকীৰ্ণতাই আজিও উচ্চ স্থানত বৰ্তি আছে। উচ্চ-নীচ, হিন্দু-মুছলমান আদি পৰিভাষাসমূহ সমাজত গভীৰৰপৰা গভীৰতলৈ শিপাই আছে। অন্যান্য ক্ষেত্ৰসমূহত ই কিছু শিথিল হ'লেও বিবাহৰ ক্ষেত্ৰত একবিংশ শতিকাতো পূৰ্বৰ ৰূপেই ধাৰণ কৰি থকা দৃষ্টিগোচৰ হয়। যাৰ নিৰ্মম আৱেষ্টনীত প্ৰেম, ভালপোৱা ধৰণৰ মানৱীয় অনুভূতিসমূহো তুচ্ছ হৈ পৰে। হিন্দু-মুছলমানৰ মাজত থকা প্ৰাচীৰখনৰ বাবেই *সন্ধ্যা* উপন্যাসত সন্ধ্যা আৰু ইৰফানৰ প্ৰেমে সামাজিক স্বীকৃতি লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। সন্ধ্যা আৰু ইৰফানৰ পৰিয়ালৰ মাজত

বন্ধুত্বপূৰ্ণ সম্পৰ্ক থকাৰ বাবে সৰুৰেপৰা দুয়োজনৰ মাজত গঢ়ি উঠা বন্ধুত্বক কোনেও বাধা প্ৰদান কৰা নাছিল। কিন্তু বিবাহৰ বেলিকা দুয়োখন ঘৰে বাধা হৈ উঠিছিল। দেউতাকে সন্ধ্যাৰ বিয়া আনৰ লগত ঠিক কৰা শুনি সন্ধ্যাক বিচাৰি অনুৰোধ কৰিবলৈ অহা ইৰফানক সন্ধ্যাৰ দেউতাকে কৈছিল—"ঃ তুমি হিন্দু হোৱাহলে এবাৰ ভাবি চালোহেঁতেন।"[৪০] বিয়াৰ পূৰ্বে সন্ধ্যা আৰু ইৰফানৰ প্ৰেমৰ সম্পৰ্কৰ কথা জানিও ইৰফান ভিন্ন ধৰ্মৰ হোৱাৰ বাবেই সন্ধ্যাক একে ধৰ্মৰ পাৰ্থৰ সৈতে দেউতাকে বিয়া দি দিছিল। এনে পৰম্পৰাৰ বাবেই উপন্যাসখনত চাবেৰাৰ প্ৰেমক পৰিয়ালে গ্ৰহণ কৰা নাই। চাবেৰাৰ প্ৰেমক প্ৰত্যাখ্যান কৰি অন্য পুৰুষৰ সৈতে চাবেৰাক বিয়া দিয়া হৈছিল। হিন্দু ধৰ্মতো এনেধৰণৰ সামাজিক বাগধাৰাই ব্যক্তিৰ মনস্তত্ত্বৰ ওপৰত প্ৰভূত বিস্তাৰ কৰি আছে। সমাজ ব্যৱস্থাত উচ্চ জাতি হিচাপে অধিকাৰ সাব্যস্ত কৰি থকা শ্ৰেণীটোৱে তেওঁলোকতকৈ নিম্ন জাতিৰ লোকৰ সৈতে সাধাৰণতে বৈবাহিক সম্পৰ্ক স্থাপন নকৰে। এনে দুই শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ মাজত প্ৰেমৰ সম্পৰ্ক ঘটিলেও সমাজ ব্যৱস্থাত প্ৰচলিত বাগধাৰাই তাক প্ৰত্যাখ্যান কৰিবলৈ মানসিক চাপ প্ৰয়োগ কৰি আহিছে।

*বন্ধ ঘৰৰ খিৰিকী* উপন্যাসখনতো এই দিশটোৰ প্ৰকাশ ঘটিছে। উচ্চ জাতিৰ ন'হলে পৰিয়ালে মানি ন'লব বুলি জানিয়েই নিৰ্মলাই ককায়েকৰ বন্ধুৰ প্ৰেম প্ৰত্যাখ্যান কৰিছিল। শৈশৱৰেপৰা পৰিয়ালত এনেধৰণৰ বাগধাৰাসমূহ সন্তানৰ অন্তৰত সুমুৱাই দিয়া হয়। যাৰফলত সেয়া অতিক্ৰম কৰি ওলাই অহাতো সম্ভৱপৰ নহয়। ব্ৰাহ্মণৰ ঘৰত জন্মগ্ৰহণ কৰা নিৰ্মলাইও পৰিয়ালত জাত-পাতৰ ভেঁটিত গঢ়ি উঠা বাগধাৰাক অতিক্ৰম কৰি প্ৰেমাস্পদক গ্ৰহণ কৰাৰ সাহস কৰিব নোৱাৰিলে। পৰিণতিত নিৰ্মলাই প্ৰেমবিহীন এটি বৈবাহিক জীৱন কটোৱাৰ লগতে নিৰ্মলাক বিয়া পাতিব বিচৰা ব্যক্তিজনেও গোটেই জীৱন অবিবাহিত হৈ ৰ'ল।

আমাৰ সমাজ ব্যৱস্থাত প্ৰচলিত অজস্ৰ **অন্ধবিশ্বাস**ৰ মাজৰেই এটি অন্যতম প্ৰথা হ'ল ডাইনী সৃষ্টি। ডাইনীক কেন্দ্ৰ কৰি মণিকুন্তলা ভট্টাচাৰ্যৰ *চামিয়ানা* উপন্যাসৰ বিষয়বস্তু নিৰ্মাণ কৰা হৈছে। অন্ধবিশ্বাস, কুসংস্কাৰে ব্যক্তিৰ নৈতিকতাৰ স্খলন ঘটায়। স্খলিত নৈতিকতাৰ হাত ধৰি গা কৰি উঠে অজস্ৰ অমানৱীয় কাৰ্য। যাদুকৰী বা মায়াবী শক্তিৰ অধিকাৰী হিচাপে একেখন সমাজতে বাস কৰা এচাম লোকক শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলোৱাৰ দৃষ্টান্ত সৰহ। পাশ্চাত্যৰ দেশসমূহত ১৭ শতিকাতে ডাইনী হত্যাৰ প্ৰচলন বন্ধ কৰা হৈছে যদিও ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশত এতিয়াও ই অন্যতম সামাজিক ব্যাধি হিচাপে পৰিগণিত হৈ আহিছে। ডাইনী সৃষ্টিৰ আঁৰত মুখ্যতঃ উপযুক্ত শিক্ষা আৰু জ্ঞানৰ অভাৱেই মূল কাৰণ হিচাপে ভাবি অহা হৈছে যদিও

ইয়াৰ অন্তৰালত এটা শ্ৰেণীৰ শোষণৰ মনোভাৱকো নুই কৰিব নোৱাৰি। সমাজৰ প্ৰতিপত্তিশালী শ্ৰেণীটোৱে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে বা কেতিয়াবা স্বাৰ্থ সিদ্ধি নোহোৱাৰ পোতক তুলিবলৈকে দুৰ্বল শ্ৰেণীটোৰ ওপৰত এনেদৰে নিৰ্যাতন চলায়। বিশেষকৈ অকলশৰীয়া তিৰোতা আৰু বিধৱা নাৰীসকল ডাইনীৰ নামত বেছিকৈ ভুক্তভোগী হোৱা দৃষ্টিগোচৰ হয়। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই নিৰ্ধাৰিত কৰা মতাদৰ্শক অৱমাননা কৰিলেই এইসকল নাৰীক সমাজৰ দৃষ্টিত ডাইনী সজোৱা হয়। সমাজৰ প্ৰতিপত্তিশালী লোক তথা ধাৰ্মিক বৰমূৰিয়াসকলে প্ৰথমে ডাইনী সৃষ্টি কৰে আৰু পৰৱৰ্তী সময়ত মায়াবী শক্তিৰে ডাইনীসকলে মানুহৰ অমংগল সাধন কৰা বুলি অপপ্ৰচাৰ চলাই এইসকল লোকক নিজ ঘৰ আৰু সমাজৰপৰা বহিষ্কাৰ কৰাৰ ষড়যন্ত্ৰ কৰে। এই শ্ৰেণীটোৱে এইদৰে নিৰীহ লোকৰ ওপৰত শাৰীৰিক-মানসিক নিৰ্যাতন চলাই হত্যা পৰ্যন্ত কৰে। সমাজৰ প্ৰতিপত্তিশালী শ্ৰেণীটোৱেই নিজৰ স্বাৰ্থৰ বাবেই যে নিৰীহ লোকক ডাইনী সজাই অত্যাচাৰ চলায় সেই সম্পৰ্কে *চামিয়ানা* উপন্যাসখনত উল্লেখ কৰা হৈছে। ডাইনী সজোৱা লোকসকলক কৰা অমানুষিক অত্যাচাৰৰ ফলত তেওঁলোকে নিজকে ডাইনী বুলি মানিবলৈ বাধ্য হয়। অৰ্থাৎ এইসকল লোকৰ মনস্তত্ত্বক এনেদৰে নিয়ন্ত্ৰণ কৰা হয় যাতে তেওঁলোকে উপায়ন্তৰ হৈ সকলোবোৰ অভিযোগ স্বীকাৰ কৰি লয়। উপন্যাসখনত প্ৰতিপত্তিশালী শ্ৰেণীটোৱে চলোৱা মানসিক অৱদমনৰ স্বৰূপৰ প্ৰকাশ ঘটিছে এনেদৰে—

> কাঞ্চন ৰাভাৰ জায়েকগৰাকী কিছুদিন ধৰি শয্যাগত হৈ আছিল। সেয়ে ৰোগীৰ হৈ দেওৰেকে বৌৱেক কাঞ্চনক ডাইনী বুলি চিনাক্ত কৰে, যিহেতু বেজে কৈছে। তাৰ পাছত গাওঁৱাই মেল পাতি কাঞ্চনৰ পৰিয়ালটোকো গোটেই ৰাতি অত্যাচাৰ চলায়। জৰিমনা বিহে। ধৰি-বান্ধি পাশৱিক নিৰ্যাতন চলোৱা কাঞ্চনৰ মুখৰপৰা মই ডাইনী হয় বুলি স্বীকাৰোক্তি বাহিৰ কৰিহে এৰে। তাৰ পাছত সিহঁতে কাঞ্চনহঁতক গাঁৱৰপৰা বাহিৰ কৰি দিয়ে।[৪১]

কন্যাকুছি গাঁৱৰ ভদ্ৰেশ্বৰী নামৰ তিৰোতাজনীয়েও এনেদৰে বেজৰ ৰোষত পৰি সৰ্বস্ব হেৰুৱাবলগীয়া হয়। বেজৰ পৰিৱৰ্তে গাওঁৱাই ভদ্ৰেশ্বৰীৰ চিকিৎসা গ্ৰহণ কৰাৰ বাবে ভদ্ৰেশ্বৰীৰ প্ৰতি বেজৰ পূৰ্বৰেপৰা আক্ৰোশ আছিল। জীৱিকা উপাৰ্জনৰ পথত বাধা হৈ থিয় দিয়া ভদ্ৰেশ্বৰীক সেয়েহে সুযোগ পায়েই বেজে নিজৰ ৰাস্তাৰ পৰা আঁতৰাই পঠোৱাৰ ষড়যন্ত্ৰ ৰচিলে। যাৰফলশ্ৰুতিত ভদ্ৰেশ্বৰী সকলোৱে দৃষ্টিত ডাইনী হৈ পৰিল। বেজৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি ভদ্ৰেশ্বৰীয়েও অৱশেষত নিজকে ডাইনী বুলি স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল।

ব্যক্তিৰ আচাৰ-আচৰণত পূৰ্বপ্ৰাপ্ত অভিজ্ঞতাই বিশেষ প্ৰভাৱ পেলায়। ডাইনীৰ নামত মহিলাসকলক একেখন সমাজতে বাস কৰা লোকসকলে যিধৰণে অত্যাচাৰ চলায় ইয়ে ভুক্তভোগীৰ মনস্তত্ত্বত বিৰূপ ক্ৰিয়া কৰে। শাৰীৰিক যন্ত্ৰণাতকৈ ব্যক্তিক মানসিক যন্ত্ৰণাই অধিক পিষ্ট কৰে। বহুক্ষেত্ৰত এনে নাৰীয়ে মানসিক ভাৰসাম্য হেৰুৱাৰো উপক্ৰম হয়। প্ৰশাসন বা বিভিন্ন সংস্থাৰ মধ্যস্থতাত কেতিয়াবা পৰিস্থিতি সুস্থ হয় যদিও নিৰ্যাতিতাসকল পূৰ্বৰ মানসিক অৱস্থালৈ সহজতে ঘূৰি আহিব নোৱাৰে। সুবিধাবাদী শ্ৰেণীটোৰ কুটিল হাতোৰাত প্ৰাপ্ত অভিজ্ঞতাৰ ফলত অৱচেতন মনে সকলো মানুহৰ প্ৰতিয়েই ভয়-শংকা বহন কৰি ফুৰে। উপন্যাসখনত গঞা ৰাইজে বেজৰ প্ৰৰোচনাত ডাইনী হিচাপে অত্যাচাৰ কৰা ভদ্ৰেশ্বৰীৰ উদ্ধাৰৰ পিছৰ মানসিক অৱস্থাৰ বৰ্ণনা দিয়া হৈছে—“ভদ্ৰেশ্বৰী মহিলা সংঘৰ প্ৰধান সম্পাদিকাৰ ঘৰত খাৱন- শোৱন এৰিছে। কোনোবাই মাত এষাৰ দিলেও উচপ খাই উঠে, পিছহুঁহকি গৈ থাকে, নতুন মানুহ দেখিলে বিতত হৈ পৰে। সিদিনা কাকতৰ মানুহ গৈ কথা সুধিবলৈ বেৰি লওঁতেই মূছকঁছ গ'ল।”[৪২]

পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষৰ হাতত অবাধ স্বাধীনতাৰ শক্তি কেন্দ্ৰীভূত কৰা হয়। ইয়াৰ জৰিয়তেই তেওঁলোক সকলো ক্ষেত্ৰতে সৰ্বেসৰ্বাৰ ভূমিকাত অৱতীৰ্ণ হয়। সমাজে পুৰুষ শ্ৰেণীটোক স্বাধীনতা তথা কৰ্তৃত্ব প্ৰদান কৰি অহাৰ পৰিণতিতেই প্ৰান্তীয় শ্ৰেণীটোৰ ওপৰত এইসকলে নিজৰ ক্ষমতাৰ অপ্ৰয়োগ কৰি আহিছে। সমাজত প্ৰচলিত ঔচিত্যতাৰ সুযোগ গ্ৰহণ কৰি অহা সমাজৰ শক্তিশালী শ্ৰেণীটোৰ মানৱীয় অনুভূতিশূন্য। প্ৰান্তীয় শ্ৰেণী অৰ্থাৎ নাৰীক অৱদমন কৰি ৰখাৰ অমানুষিক বাসনা হাড়ে-হিমজুৱে ধাৰণ কৰি এইসকল লোকেই অতীজৰে পৰা নাৰীৰ ওপৰত শাৰীৰিক মানসিক নিৰ্যাতন চলাই আহিছে। *মুক্তি* উপন্যাসখনত স্বামীয়ে অন্য নাৰীৰ সংগ লোৱাৰ ফলত উপায়ন্তৰ হৈ বেশ্যাবৃত্তি গ্ৰহণ কৰিবলগীয়া হোৱা বচন্তীৰ উপস্থাপনৰ জৰিয়তে পুৰুষৰদ্বাৰা শোষিত নাৰীৰ জীৱন্ত ছবিখন ভাস্বৰ হৈ উঠিছে। সমাজত শক্তিশালী শ্ৰেণীটোৱে নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সৰ্বদায় দুৰ্বল শ্ৰেণীটোক আহিলা হিচাপে গ্ৰহণ কৰি আহিছে। স্বামীৰদ্বাৰা শাৰীৰিক মানসিকভাৱে নিৰ্যাতিত হৈ অহা নাৰীৰ সংখ্যা আমাৰ সমাজত কম নহয়। পৰিয়ালত নিজৰ কৰ্তৃত্ব অক্ষুণ্ণ ৰখাৰ আশাতে পুৰুষসকলে নাৰীক এনেদৰে শোষণ কৰি আহিছে। বৈবাহিক সম্পৰ্ক, ল'ৰা-ছোৱালীৰ ভৱিষ্যতৰ কথা লক্ষ্য কৰিয়েই বহু নাৰীয়ে ইয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আগবাঢ়ি নাহে। যাৰ ফলশ্ৰুতিত যুগ-যুগ ধৰি নাৰী অৱদমনৰ ঘটনা সমাজত বৰ্তি আছে। *মুক্তি* উপন্যাসখনতো সন্তানৰ বাবেই বচন্তীয়ে স্বামীৰ সকলো অত্যাচাৰ সহ্য কৰি গৈছে। শাৰীৰিক মানসিক অত্যাচাৰ সহ্য কৰিও বচন্তীয়ে অন্তঃসত্ত্বা দেহেৰেই ঘৰৰপৰা

অন্তৰ্ধান হোৱা স্বামীক বিচাৰি ঘূৰি ফুৰিছে। বচন্তীৰ লগতে চাৰিটা সন্তানক এৰি অন্য নাৰীৰ সৈতে স্বামীয়ে সংসাৰ পতাত নিজৰ আৰু সন্তান চাৰিটাৰ ভৰণ-পোষণৰ বাবে বচন্তীয়ে বেশ্যা বৃত্তি গ্ৰহণ কৰিবলগীয়া হয়। উপন্যাসখনত স্বামীৰ শোষণ-উৎপীড়নৰ বলি হৈ বেশ্যালৈ ৰূপান্তৰিত হোৱা এগৰাকী নাৰীৰ মনস্তত্ত্বৰ সাৰ্থক প্ৰকাশ ঘটিছে। নাৰীয়ে বিভিন্ন কাৰণবশতঃ বাধ্যবাধকতাত পৰি বেশ্যা বৃত্তি অৱলম্বন কৰিবলগীয়া হয়। কিন্তু পুৰুষসকলে কেৱল অতৃপ্ত যৌন বাসনা চৰিতাৰ্থ কৰিবলৈকেই বাৰবণিতাৰ সংগসুখ বিচাৰি আহে। এই মনস্তাত্ত্বিক দিশটোও উপন্যাসখনৰ মাজেৰে প্ৰতিপন্ন কৰিবলৈ বিচৰা হৈছে। উপন্যাসখনত স্মৃতি আৰু বচন্তীৰ কথোপকথনৰ জৰিয়তে এই সত্য উদঘাটন কৰা হৈছে—"ঃ কেনেকুৱা কাষ্টমাৰ আহেনো? বচন্তীয়ে বীভৎস হাঁহি এটা মাৰিলে। হাঁহি হাঁহিয়েই ক'লে তাই-ঃ যিবোৰ মতাই নিজকে চম্ভালিব নোৱাৰে; সেইবোৰ কাষ্টমাৰেই আহে.....।"[৪৩]

সমাজ-সাংস্কৃতিক মতাদৰ্শগত কাৰকসমূহে ব্যক্তি মনস্তত্ত্বক এক উমৈহতীয়া ৰূপত গঢ় দি আহিছে। প্ৰকৃততে মতাদৰ্শ বা বাগধাৰাৰ কোনো যুক্তিসন্মত বাস্তৱ ভিত্তি নাই। আদৰ্শৰ ধাৰণাটো এচাম মানুহে নিজৰ সুবিধাৰ্থে নিজে সৃষ্টি কৰি লয়। ব্যক্তিকেন্দ্ৰিকতাত সৃষ্ট হ'লেও ইয়াৰ প্ৰভাৱ সাৰ্বজনীন। ব্যক্তিৰ জীৱনত আদৰ্শবাদে সকলোপিনৰ পৰা এনেদৰে ক্ৰিয়া কৰি থাকে যে গভীৰভাৱে অনুধাৱন নকৰিলে তাক বুজি উঠা কঠিন। সাধাৰণ পৰিস্থিতিৰ দৰেই ই ব্যক্তিৰ জীৱন পৰিচালিত কৰে। সেয়েহে ইয়াৰ বিৰোধিতা কৰাটো মানুহৰ পক্ষে বহুসময়ত সহজসাধ্য হৈ নুঠে। আদৰ্শ আৰু ব্যক্তিৰ চেতন মনৰ মাজত হোৱা সংঘাটে কেতিয়াবা কেতিয়াবা ব্যক্তিৰ মনস্তত্ত্বত বিৰূপ প্ৰতিক্ৰিয়াৰো সৃষ্টি নকৰা নহয়। এইক্ষেত্ৰত ইয়ুঙে কৰা এইষাৰ মন্তব্য প্ৰণিধানযোগ্য—

> সাধাৰণ পৰিস্থিতিৰ নিচিনাকৈ জীৱনটো বহু আদৰ্শৰ সমষ্টি। অন্তহীন পুনৰাবৃত্তিৰ জৰিয়তে এই অভিজ্ঞতা বোৰ আমাৰ মানসিক অৱয়ৱত খোদিত হৈ আছে। এইবোৰ বাস্তৱ সমলৰ ভিত্তিত গঠিত প্ৰতিচ্ছবি নহয়। ই বাস্তৱ সময়ৰ অবিহনেও এক নিৰ্দিষ্ট ধাৰণা আৰু কাৰ্যৰ সম্ভাৱনাক প্ৰতিনিধিত্ব কৰি আহিছে। কোনো এটা পৰিস্থিতিত প্ৰদত্ত মূল আদৰ্শ সক্ৰিয় হৈ উঠিলে তাত বাধ্যবাধকতাই গা কৰি উঠে। যি এক সহজাত স্বাভাৱিক তাড়নাৰ দৰে সকলো কাৰণ আৰু ইচ্ছাৰ বিপৰীতে গতি কৰে। অন্যথা ই ৰোগজনিত সংঘাত তথা মানসিক উত্তেজনাৰ সৃষ্টি কৰে।[৪৪]

সমাজ মনস্তাত্ত্বিক অৱদমনৰ ফলত গঢ় লৈ উঠা যৌথ মনস্তত্ত্ব সম্পৰ্কত ইয়ুঙে ব্যাখ্যা আগবঢ়াই কৈছে—

> মানসিক উত্তেজনা কেৱল ব্যক্তিগত উদ্বিগ্নতা নহয়। ই সামাজিক পৰিঘটনাহে। এইধৰণৰ পৰিস্থিতিৰ সৈতে আদৰ্শ পুঞ্জীভূত হৈ থকাটো ধাৰণা কৰিব পাৰি। যিকোনো পৰিস্থিতিৰ সৈতে সম্পৰ্কিত আদৰ্শসমূহ হৈছে সামাজিক পৰিঘটনাৰ সক্ৰিয়কৰণ। আদৰ্শৰ অন্তৰালত নিহিত বিস্ফোৰক আৰু বিপদজনক শক্তিবোৰ যেতিয়া কাৰ্যকৰী হয় তেতিয়াই ইয়াৰ পৰিণাম অপ্ৰত্যাশীত হৈ উঠে। এনে কোনো ব্যক্তি নাই যি আদৰ্শৰ আধিপত্যৰ চিকাৰ নোহোৱাকৈ আছে।[৪৫]

*সন্ধ্যা* উপন্যাসত আদৰ্শ কন্যাৰ ভূমিকা গ্ৰহণ কৰি পৰিয়ালে বিচৰাধৰণে বিবাহ হৈয়ে সন্ধ্যা আৰু চাবেৰাৰ জীৱন তিক্ততাপূৰ্ণ হৈ পৰিছে। মতাদৰ্শৰ আধিপত্যত যন্ত্ৰণাময় জীৱন-যাপন কৰিবলগীয়া হোৱা চাবেৰাই উপন্যাসখনত এইকথা স্বীকাৰ কৰি লৈছে—“ এইবোৰৰ মূলতে আমাৰ বিয়া....। ঘৰৰ মানুহক সুখী কৰিবলৈ গৈয়ে যে আমি আল্লাই পঠিয়াই দিয়াজনকো বিট্ৰে কৰি আনৰ স’তে নিকাহত বহো; এইখিনিতেই আমি ছোৱালীবোৰে মস্ত ভুল কৰি পেলাওঁ।”[৪৬]

সমাজৰ শক্তিশালী শ্ৰেণীটোৱে নাৰীৰ স্বাধীন জীৱন যাত্ৰাত সততে বাধা প্ৰদান কৰি আহিছে। এইক্ষেত্ৰত নাৰীৰ ওপৰত হোৱা মানসিক অৱদমন অনস্বীকাৰ্য। বিভিন্নধৰণৰ মতাদৰ্শৰ অৱলম্বনত নাৰীক পৰম্পৰা আশ্ৰয়ী সত্ত্বা হিচাপে চাৰিবেৰৰ মাজত আবদ্ধ ৰখাৰ প্ৰথা বহু যুগৰ পৰা চলি আছে। বিবাহৰ প্ৰসংগত নাৰীৰ স্বকীয় সিদ্ধান্ত গ্ৰহণৰ অধিকাৰ নথকাৰ দৰে নাৰীয়ে নিজৰ ইচ্ছাকাংক্ষাক অগ্ৰাধিকাৰ প্ৰদান কৰি জীৱন উপভোগ কৰাৰ পৰাও বহুসময়ত বঞ্চিত। *অৰুন্ধতী* উপন্যাসত দেখা গৈছে যে সাহিত্যকৰ্মৰ প্ৰতি প্ৰবল ধাউতি থকা অনন্যাক স্বামীয়ে নৈতিকতাৰ দোহাই দি কুমাৰ চাহাবৰ পৰা আঁতৰাই ৰাখিছে। স্বামীৰ সৈতে এক অনুভূতিহীন জীৱন কটাই থকা অনন্যাই কুমাৰ চাহাবৰ সৈতে হোৱা সাহিত্য বিষয়ক আলোচনা অন্তৰেৰে উপভোগ কৰিছিল। কিন্তু এগৰাকী নাৰীৰ আচাৰ-আচৰণ, খোজ-কাটল সকলোতে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ চোকা দৃষ্টি সততে বিদ্যমান। এই দৃষ্টিৰ প্ৰকোপত নাৰীৰ আশা-আকাংক্ষা সকলো অৱদমিত হ’বলৈ বাধ্য হয়। উপন্যাসখনতো স্বামীয়ে অনন্যাক নিজৰ ইচ্ছানুযায়ী মুকলি মনেৰে জীৱন উদযাপন কৰাত বাধা প্ৰদান কৰি এইধৰণৰ মতাদৰ্শগত স্থিতিৰ অস্তিত্ব প্ৰতিপন্ন কৰিছে। সমাজৰ শক্তিশালী শ্ৰেণীটোৱে নাৰীক নিয়ন্ত্ৰণ কৰি ৰাখিবৰ বাবে নাৰী মনস্তত্ত্বক লক্ষ্য হিচাপে নিৰ্বাচন কৰিছে। যাৰ জৰিয়তে নাৰীক পৰাভূত কৰিবলৈ অতিকৈ সহজ হৈ উঠে। অনন্যাৰ

স্বামীয়েও এই বৃত্তিকেই অৱলম্বন কৰিছে। স্বামীৰ বাক্যবাণে অনন্যাৰ মনস্তত্ত্বত ক্ৰিয়া কৰিছে। এই মনস্তাত্ত্বিক অৱদমনৰ পৰিণতি হিচাপে কুমাৰ চাহাবৰ সৈতে আন্তৰিকতাক অনন্যাইও ভুল হিচাপে গ্ৰহণ কৰিছে।

*বাঁহী* উপন্যাসতো বিবাহিত নাৰী মনস্তত্ত্বৰ অৱদমনৰ ৰূপৰেখা প্ৰতিপন্ন হৈছে। পৰিয়াল তথা সামাজিক মতাদৰ্শই ধাৰ্য কৰা আদৰ্শ বিবাহিত নাৰীৰ চাৰিত্ৰিক বৈশিষ্ট্য অনুসৰণ কৰিবলৈ গৈ বহু নাৰীয়ে নিজৰ বাস্তৱিক সত্বাক হেৰুৱাই পেলাইছে। বৈবাহিক জীৱনত পূৰ্বৰ স্বাভাৱিক স্বতন্ত্ৰতাৰ অভাৱত নয়নতৰাই জীৱনৰ মাদকতা হেৰুৱাই পেলাইছে। উপন্যাসখনত এগৰাকী আদৰ্শ বোৱাৰীৰ ভূমিকা পালন কৰিবলৈ বাধ্য নয়নতৰাৰ অৱদমিত ইচ্ছাকাংক্ষাৰ প্ৰকাশ ঘটিছে।

*বন্ধ ঘৰৰ খিৰিকী* উপন্যাসখনতো নিৰ্মলাৰ মাজেৰে বোৱাৰী জীৱনত নিজৰ সমস্ত আৱেগ-অনুভূতিক অৱদমন কৰি সুকীয়া মনস্তত্ত্বক গঢ় দিবলৈ বাধ্য হোৱা নাৰীৰ অৱদমিত স্বৰূপৰ প্ৰকাশ ঘটিছে। বিয়াৰ পিছৰেপৰা শাহুৱেকৰ সমাজৰ চিৰাচৰিত আদৰ্শ বোৱাৰীৰ মানদণ্ডত নিৰ্মলাক উঠোৱাৰ অহৰহ প্ৰচেষ্টা আৰু ডাক্তৰ স্বামীৰ শাৰীৰিক-মানসিক নিৰ্যাতনে নিৰ্মলাক সহনশীলা নাৰী হিচাপে গঢ়ি তুলিছিল। উপন্যাসখনত নিৰ্মলাৰ বৈবাহিক জীৱনৰ অৱদমিত মনস্তত্ত্বৰ প্ৰকাশ ঘটিছে।

*যমুনা* উপন্যাসত সমাজ ব্যৱস্থাই বৈধব্য জীৱন কটাবলগীয়া হোৱা নাৰীৰ ওপৰত চলোৱা মানসিক অৱদমন চিত্ৰিত কৰা হৈছে। একে সময়তে স্বামী আৰু পুত্ৰক হেৰুৱাই নিঠৰুৱা হৈ পৰা যমুনাক তথাকথিত আধুনিক সমাজখনেও নিঃসংগ কৰিছিল। পৰম্পৰাগত সমাজ ব্যৱস্থাত সকলোধৰণৰ মাংগলিক কাৰ্যৰ পৰা বিধৱা নাৰীক আঁতৰাই ৰখা হয়। বিধৱা নাৰীৰ সক্ৰিয় অংশগ্ৰহণে অমংগল কঢ়িয়াই অনাৰ যি ভিত্তিহীন ধাৰণা লোকসমাজত বৰ্তি আছে সেইবোৰেই নাৰীৰ ইচ্ছাকাংক্ষাক অৱদমন কৰে। উপন্যাসখনত স্বামী আৰু পুত্ৰৰ বৰ্তমানত যমুনাই সমাজৰ সকলো অনুষ্ঠানত আগভাগ লোৱাৰ সুযোগ লাভ কৰিছিল। যিসকল নাৰীয়ে এসময়ত যমুনাক বিহুৰ সমবেত সংগীত গাবলৈ আমন্ত্ৰণ জনাইছিল সেইসকল নাৰীয়ে বিধৱা যমুনাক সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰিছিল। পৰম্পৰাগত মতাদৰ্শৰ বহনকাৰী এইসকল নাৰীয়ে কোনো অনুষ্ঠানতে যমুনাৰ উপস্থিতি বিচৰা নাছিল। স্বামী-সন্তানহীনা এগৰাকী নাৰীয়ে যিসময়ত মানুহৰ সংগ বিচাৰি হাহাকাৰ কৰি ফুৰে সেইসময়ত সমাজৰ এনেধৰণৰ আচৰণে নাৰীৰ মনোকষ্ট বৃদ্ধি কৰে। পল্লৱীৰ সৈতে বিহুৰ বজাৰ কৰিবলৈ যোৱা যমুনাৰ গাত পল্লৱীয়ে এখন ৰংচঙীয়া চুৰ্ণী দি চোৱাৰ সময়ত চুবুৰীৰ তিৰোতাগৰাকীয়ে যমুনাৰ প্ৰতি পোষণ কৰা দৃষ্টিয়ে যমুনাৰ মানসিকতাত আঘাত হানিছিল। উপন্যাসখনত উল্লেখ কৰা হৈছে—

দোকানত পল্লৱীৰ কাৰণে কাপোৰ চাই থকাৰ মাজতে হঠাতে যমুনা অন্যমনস্ক হৈ পৰিল। পল্লৱীয়ে চেলোৱাৰ এযোৰৰ চুৰ্ণী এখন যমুনাৰ কান্ধত দি চাইছিল, সন্মুখৰ আইনাত চকু পৰিল, চুবুৰীৰে মহিলা এগৰাকী। অবাক মুখ তেওঁৰ। আশ্চৰ্যত বিস্ফোৰিত চকু। কি কাণ্ড! সৌ সিদিনা মাথোন ল'ৰা মানুহ ঢুকাইছে, আৰু মানুহগৰাকীৰ কাণ্ড চোৱা। গাত বিহুৰ কাপোৰ লয়! তাকো গাভৰু ছোৱালীৰ কাপোৰ, ৰংচঙীয়া! মহিলাগৰাকীৰ অবাক চকু-মুখ দেখি পৰিচিত মানুহলৈ চাই প্ৰকাশ কৰিবলগীয়া সৌজন্যমূলক আচৰণখিনিও যমুনাই হেৰুৱাই পেলালে।[৪৭]

উপন্যাসখনত যমুনাই গাড়ী চলাই গাঁবলৈ যোৱাৰ প্ৰসংগত পুনৰ এই দিশটোকেই উন্মুখ কৰা হৈছে। গাওঁ-চহৰ প্ৰমুখ্যে সমগ্ৰতে স্বামীহীনা নাৰীৰ প্ৰতি একেই ভাৱ-ভংগী পোষণ কৰি অহা পৰিলক্ষিত হৈছে।

বৰ্তমানৰ সমাজ ব্যৱস্থা দোপতদোপে উন্নতিৰ শিখৰলৈ উঠিছে যদিও নাৰী-পুৰুষৰ বৈষম্যৰ ক্ষেত্ৰত পুৰণিকলীয়া চিন্তাধাৰাই বৰ্তি থকা পৰিলক্ষিত হৈ আছে। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই নাৰীৰ স্বাধীন চিন্তা, কাম-কাজক নিয়ন্ত্ৰণ কৰিবলৈ বিভিন্নধৰণৰ উপায় অৱলম্বন কৰি অহাৰ কথা ইতিমধ্যে আলোচনা কৰি অহা হৈছে। পুৰুষৰ অসৎ মানসিকতাৰ কবলত পৰিও বহু নাৰীয়ে নিজৰ ইচ্ছাকাংক্ষাক দমন কৰিবলৈ বাধ্য হৈছে। মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসসমূহত এই সত্যটো উন্মোচন কৰা হৈছে। *চামিয়ানা* উপন্যাসত ঘৰৰপৰা আঁতৰি কৰ্মসূত্ৰে গোৱালপাৰাত অকলশৰীয়াকৈ থাকিবলগীয়া হোৱা শ্বেতাই বহুতো পুৰুষৰ পৰা অসৎ ইংগিত লাভ কৰিছিল। বিয়া-বাৰু নোহোৱাকৈ মুক্তভাৱে জীৱন কটাব বিচৰা শ্বেতাই পুৰুষৰ লোলুপ দৃষ্টিৰ পৰা ৰক্ষা পাবলৈকেই বিয়াত বহাৰ সিদ্ধান্ত লৈছিল। উপন্যাসখনত শ্বেতাই সন্মুখীন হোৱা অভাৱনীয় পৰিস্থিতি সম্পৰ্কে জনাই মাকলৈ চিঠি লিখিছিল এনেদৰে—

কণা হওক-খোৰা হওক, যিয়েই নহওক, মোলৈ দৰা এটা চা। বৰ অকলশৰীয়া হৈ পৰোঁ কেতিয়াবা  বৰ ভয়ংকৰ কথা হৈ পৰে কেতিয়াবা এনেদৰে অকলে বাস কৰাটো। ভাবিছিলো নাৰীও পুৰুষৰ দৰেই, সেয়ে বিয়া পাতি সঙ্গী বিচৰা নাছিলো। কিন্তু এতিয়া বিচাৰিছোঁ। বিয়াৰ চিন্তা কৰিছোঁ। তই ঠিকেই কৈছিলি মা, অকলশৰীয়া তিৰোতা গছত ওলমি থকা পকা ফলৰ দৰে। যেয়ে-সেয়ে ফৰ্মুটিয়াব খোজে...।[৪৮]

*মুক্তি* উপন্যাসত স্মৃতি ভট্টাচাৰ্য এগৰাকী লেখিকা। ৰচনাৰ কাহিনী তথা বিষয়বস্তুৰ সন্ধানত স্মৃতি ভট্টাচাৰ্যই বিভিন্ন পুৰুষৰ সৈতে বাৰ্তালাপ কৰে। স্বামী ৰূপকৰ উপস্থিতিত নাইবা অনুপস্থিতিতো এইসকল ব্যক্তিৰ সৈতে নিজৰ ড্ৰয়িংৰুমত স্মৃতিৰ জীৱন সাহিত্য বিষয়ক গভীৰ আলোচনা চলে। জীৱনৰ অভিজ্ঞতাৰে পুষ্ট এইসকল ব্যক্তিয়ে স্মৃতিৰ অনুভৱী মনটোক অধিক পৰিপুষ্ট কৰি তোলে। কিন্তু সমাজৰ দৃষ্টিত স্মৃতিৰ এই কাৰ্য অনৈতিক। নিজৰ ঘৰত পৰপুৰুষৰ সৈতে যিমানেই সাৰগৰ্ভ আলোচনাই নহওঁক কিয় নাৰী-পুৰুষৰ সম্পৰ্কত তথাকথিত সমাজৰ সন্দেহৰ দৃষ্টি কেতিয়াও অন্ত নপৰে। স্মৃতিৰ ক্ষেত্ৰতো এইকথা প্ৰযোজ্য হৈছে। ভাট্টি চাহাব, ৰৌশন শেঠৰ সৈতে স্মৃতিৰ যি সম্পৰ্ক সেই সম্পৰ্কক স্বামী ৰূপকে সন্মান জনায় যদিও সমাজে তাক নায্যতা প্ৰদান নকৰে। যাৰফলস্বৰূপে সমাজৰ এচাম পুৰুষে স্মৃতিক অসৎ ইংগিত দি মানসিকভাৱে ব্যতিব্যস্ত কৰি তুলিছে। সমাজত স্বাধীনচিতীয়াভাৱে কাম কৰি যোৱা নাৰীৰ ওপৰত মানসিক অৱদমন চলোৱা হয়। লোক নিন্দা তথা আত্মসন্মানত দাগ লগাৰ আশংকাত বহু নাৰীয়ে নিজৰ ভিতৰতে প্ৰতিভাসমূহ সংকুচিত কৰিছে। ঔপন্যাসিকাই নিজেও ব্যক্তিগতভাৱে এনেধৰণৰ অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হৈছিল। ঔপন্যাসিকাগৰাকীয়ে সাক্ষাতকাৰত অৱগত কৰিছে — "উপন্যাসখনত এগৰাকী লেখিকাক মূল চৰিত্ৰ হিচাপে লোৱা হৈছে। তাত লেখিকা গৰাকীয়ে যিবোৰ সমস্যাৰ সন্মুখীন হৈছে বাস্তৱত মই সেইবোৰ সমস্যাৰ সন্মুখীন হৈছিলোঁ আৰু এতিয়ালৈকে হৈয়ে আছোঁ। উপন্যাসখনত কেৱল মই বুলি নিলিখি স্মৃতি ভট্টাচাৰ্যক উপস্থাপন কৰিছোঁ।"[৪৯]

*অৰুন্ধতী* উপন্যাসতো একাকীত্বত ভোগা অনন্যাই মানসিক শান্তি বিচাৰি কুমাৰ চাহাবৰ লগত দিল্লীলৈ যোৱা কাৰ্যত সমাজে হীন দৃষ্টি নিক্ষেপ কৰিছিল। বাস্তৱত কুমাৰ চাহাব আৰু অনন্যাৰ মাজত কোনোধৰণৰ শাৰীৰিক সম্পৰ্ক নঘটিলেও লোকচক্ষুত অনন্যা ব্যভিচাৰী হিচাপে নিন্দিত হৈছিল। যিসময়ত অনন্যাক মানসিক সাহচৰ্যৰ প্ৰয়োজন হৈছিল সেই সময়ছোৱাত অনন্যাৰ চৰিত্ৰক লৈ প্ৰশ্ন উত্থাপন কৰা হৈছিল। পৰম্পৰাগত সমাজ ব্যৱস্থাই নাৰী-পুৰুষৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কক সদায়েই অগ্ৰাহ্য কৰি আহিছে। এনেধৰণৰ সম্পৰ্ক বাহাল ৰাখিব বিচৰা পুৰুষতকৈ নাৰী প্ৰথমেই সমাজৰ আক্ৰোশৰ ভুক্তভোগী হোৱা দেখা যায়। নাৰী মনস্তত্ত্বৰ ওপৰত চলোৱা অমানুষিক নিৰ্যাতনৰ চিত্ৰ *অৰুন্ধতী* উপন্যাসখনত সজীৱ হৈ উঠিছে।

ইতিপূৰ্বে আলোচনা কৰি অহা হৈছে নাৰী মনস্তত্ত্ব গঠনত সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ধৰ্মীয় দিশসমূহে বিশেষভাৱে প্ৰভাৱ পেলায়। আমাৰ আলোচ্য উপন্যাসসমূহত বিভিন্ন ধৰণৰ নাৰী চৰিত্ৰৰ উন্মেষ ঘটিছে। দেখাত ভিন্ন হ'লেও পুৰুষতান্ত্ৰিক সমাজৰ মূল্যবোধে নিয়ন্ত্ৰণ কৰা

নাৰী চৰিত্ৰসমূহৰ মনস্তাত্ত্বিক দিশটো কিন্তু একে। উপন্যাসসমূহত সন্ধ্যা, নয়নতৰা, নিৰ্মলা, অনন্যা, বৰদোৱানী, চাবেৰা, ৰেণুমাই আদি প্ৰতিগৰাকী নাৰীয়ে সমাজ ব্যৱস্থাই নিৰ্ধাৰণ কৰি দিয়া আদৰ্শ কন্যা, আদৰ্শ পত্নী হ'বলৈ গৈ মনৰ আকাংক্ষাক সমূলি পৰিত্যাগ কৰিছে। আপোনজনক সুখী কৰাৰ স্বাৰ্থত নিজৰ অস্তিত্ব পৰ্যন্ত হেৰুৱাই পেলাবলৈ উপক্ৰম হৈছে। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষৰ স্বাৰ্থৰ অনুকূলে নাৰীক অৱদমিত কৰা হয়। উপন্যাসসমূহত পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই নাৰীক যিদৰে পৰিচালিত কৰিব বিচাৰিছে সেই ধৰণেই অনায়াসে পৰিচালিত কৰাত সফলো হৈছে। পুৰুষতান্ত্ৰিক আদৰ্শবাদে নাৰী মনস্তত্ত্বক এনেদৰে অৱদমন কৰিছে যে তেওঁলোকে কোনো পৰিস্থিতিতে প্ৰতিবাদমুখী হৈ নিজস্ব মানসিক স্থিতিৰ পৰিচয় দিবলৈ সক্ষম নহয়। বিবাহৰ প্ৰসংগত অনন্যা, সন্ধ্যা, চাবেৰা, নয়নতৰা, নিৰ্মলাই পৰিয়ালে নিৰ্বাচন কৰি দিয়া পুৰুষজনৰ সৈতেই কোনোধৰণৰ প্ৰতিবাদ নকৰাকৈ বিয়াত বহিছে। অনন্যাৰ বাহিৰে আন কেইগৰাকীয়ে পৰিয়ালৰ বাবেই নিজৰ নিজৰ প্ৰেমাস্পদক ত্যাগ কৰিছে। বিয়াৰ পিছতো বিভিন্ন ধৰণে শাৰীৰিক-মানসিক নিৰ্যাতনৰ সন্মুখীন হৈও প্ৰতিগৰাকী নাৰীয়ে সমাজ ব্যৱস্থাই আৰোপিত আদৰ্শ পত্নী তথা বোৱাৰীৰ দায়িত্ব পালনত ত্ৰুটি কৰা নাই। কাঞ্চন ৰাভা, পবিত্ৰী হাজোৱাৰী, ভদ্ৰেশ্বৰীক সমাজৰ শক্তিশালী শ্ৰেণীটোৱে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে ডাইনী সজাই নিষ্ঠুৰভাৱে অত্যাচাৰ চলাইছে। শাৰীৰিক, মানসিক নিৰ্যাতন সহ্য কৰিব নোৱাৰি তেওঁলোকেও নিজকে ডাইনী হিচাপে স্বীকাৰ কৰি লৈছে। প্ৰতিপত্তিশালী শ্ৰেণীটোৰ অৱদমনৰ ওচৰত বশ্যতা স্বীকাৰ কৰা এইসকল নাৰীয়ে নাৰী মনস্তত্ত্বৰ সমূহীয়া দিশটোক প্ৰতিনিধিত্ব কৰিছে। ভিন্ন পটভূমি, বিষয়বস্তুক অৱলম্বন কৰি প্ৰতিখন উপন্যাস ৰচনা কৰা হৈছে যদিও মনস্তাত্ত্বিক অৱদমনৰদ্বাৰা পৰিচালিত হোৱা নাৰী চৰিত্ৰসমূহক এটা শ্ৰেণীতেই সামৰিব পাৰি।

কোনো এটা প্ৰসংগক **সামাজিক ঔচিত্যতা** প্ৰদান কৰাৰ অন্তৰালত শক্তিশালী শ্ৰেণীটোৱে পোষণ কৰা মতাদৰ্শগত স্থিতিয়ে ক্ৰিয়া কৰি থাকে। এনে পৰম্পৰাই অকল যে নাৰী মনস্তত্ত্বকহে প্ৰভাৱিত কৰে এনে নহয়, বহুসময়ত পুৰুষ মনস্তত্ত্ব গঢ়ি তোলাতো ই অগ্ৰাধিকাৰ লাভ কৰে। সমকামিতা হৈছে এনে এক বিষয়। সামাজিক মতাদৰ্শই বিপৰীত লিংগৰ মাজত হোৱা যৌন সম্পৰ্কক ঔচিত্যতা প্ৰদান কৰাৰ বাবেই সমকামী পুৰুষ-নাৰীসকলে সমাজত নিজৰ সহজাত প্ৰবৃত্তিক বৈধতা প্ৰদান কৰিবৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছে। সমলিংগৰ মাজত হোৱা যৌন আকৰ্ষণ সম্পৰ্কে ফ্ৰয়েডে উল্লেখ কৰিছে—

> এজন পুৰুষে নাৰীৰ পৰিৱৰ্তে এজন পুৰুষৰ প্ৰতি আৰু এজনী নাৰীয়ে পুৰুষৰ

> পৰিৱৰ্তে অন্য এগৰাকী নাৰীৰ প্ৰতি যৌন আকৰ্ষণ অনুভৱ কৰা বুলি জ্ঞাত হ'লে সেয়া ডাঙৰ আশ্চৰ্যৰ কাৰণ হৈ পৰে। প্ৰকৃততে এইচাম মানুহে বিপৰীত লিংগৰ প্ৰতি আকৰ্ষিত হোৱাৰ পৰিৱৰ্তে সমলিংগৰ মানুহৰ প্ৰতি আকৰ্ষিত হয়; যিটো সাধাৰণতে বিপৰীতমুখী বা বিপৰীত কাৰ্য হিচাপে গণ্য কৰা হয়। এইসকল লোকৰ যৌন আচৰণ গ্ৰহণযোগ্য হয় যদিও তাক প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বহুতো কঠিনতা আহি পৰে।[৫০]

সমাজ ব্যৱস্থাই মূলতঃ এইধৰণৰ কঠিনতাৰ সৃষ্টি কৰে। সমাজত প্ৰচলিত ঔচিত্যতাই বিপৰীত লিংগৰ মাজত যৌন সম্পৰ্কক স্বীকৃতি প্ৰদান কৰাৰ বিপৰীতে সমলিংগৰ মাজত হোৱা এনে যৌনাকৰ্ষণক নিষেধ জ্ঞান কৰি আহিছে। এইধৰণৰ কথাসমূহ সমাজত,পৰিয়ালত মুকলিমুৰীয়াকৈ আলোচনাও কৰা নহয়। এই সম্পৰ্কত ঔপন্যাসিকাই সাক্ষাতকাৰত অৱগত কৰিছে—

> তাৰ আগলৈকে মই ভাবিছিলোঁ যে অকল মাইকী মানুহেই নিজৰ দেহ বিক্ৰী কৰি জীৱিকা চলায়। কিন্তু মোৰ কোনো ধাৰণা নাছিল যে ল'ৰাৰ দেহো বিক্ৰী কৰা হয় বা মতা মানুহেও মতা মানুহৰ শাৰীৰিক সংগ বিচাৰে। মই এনেকুৱা এটা পৰিৱেশত থাকো য'ত এনেকুৱা ধৰণৰ কথাৰ আলোচনা নহয়। এইধৰণৰ কথা আমি ঘৰত নাপাতো বা চৰ্চাও নকৰোঁ। গতিকে তাত গৈ মই যেতিয়া গ'ম পালোঁ যে কম বয়সীয়া ল'ৰাকো এনেধৰণৰ ব্যৱসায়ত লগায়; সেই কথাটোৱে মোক মৰ্মাহত কৰিলে। ছোৱালীবোৰক যিদৰে সৰুতেই নিজক কেনেকৈ সুৰক্ষিত কৰি ৰাখিব লাগে সেইবিষয়ে মাকে শিকায়, ল'ৰাবোৰকো মাকে এনেধৰণৰ কথা শিকায় নে নিশিকায় এই প্ৰশ্নটোৱে মোক আঘাত কৰিবলৈ ধৰিলে।[৫১]

সমাজ ব্যৱস্থাত এইধৰণৰ আদৰ্শবাদ বৰ্তি থকা হেতুকে সমকামী পুৰুষ-নাৰী সকলক প্ৰান্তীয় শ্ৰেণীত অৱতীৰ্ণ কৰোৱা হৈছে, য'ত তেওঁলোকে মুক্তভাৱে মনৰ ইচ্ছা-আকাংক্ষা প্ৰকাশ কৰিবৰ সুবিধা নাই। কোনোবাই প্ৰকাশ কৰিবলৈ ওলালেও পৰিয়ালৰ মান-মৰ্যাদাৰ দোহাই দি বহুসময়ত তাক নিয়ন্ত্ৰণ কৰি অহা হৈছে। পৰিয়াল তথা সমাজৰ হেঁচাত সমকামীসকলেও নিজৰ স্বাভাৱিক প্ৰবৃত্তিসমূহ অৱদমন কৰি ৰাখিবলৈ বাধ্য হৈ পৰিছে। যাৰফলত বিভিন্নধৰণৰ অপৰাধ প্ৰৱণতাৰ সৃষ্টি হৈছে। এইসকল লোকে সমাজত প্ৰচলিত আদৰ্শবাদৰ বাবে সমাজ তথা পৰিয়ালত মুকলিভাৱে কৰিবলৈ সামৰ্থ নোহোৱা কামবোৰ সকলোৰে অগোচৰে লুকাই-চুৰকৈ কৰিবলৈ একপ্ৰকাৰ

বাধ্য হৈ পৰে। অপৰাধপ্ৰৱণতাৰ যি সামাজিক, মনস্তাত্ত্বিক প্ৰবৃত্তি সেয়া সৃষ্টি কৰিছে এনেধৰণৰ সামাজিক আদৰ্শবাদে। *মুক্তি* উপন্যাসখনত সমকামী পুৰুষসকলৰ মনস্তত্ত্বৰ এই দিশটোৱেই বিষয়বস্তু হিচাপে প্ৰকট হৈ উঠিছে। সমাজত প্ৰচলিত মতাদৰ্শৰ বাবেই ৰৌশন শেঠ আৰু ভাগৰতীৰ দৰে সমকামী পুৰুষসকলে মুক্তভাৱে যৌন বাসনা পূৰ্ণ কৰাৰ পৰা নিজকে বিৰত ৰাখিছে। তেওঁলোকে সমাজৰ দৃষ্টিত নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ কৌশল কিছুমান অৱলম্বন কৰিছে। ৰৌশন শেঠে বণিতা বচন্তীৰ আৰ্থিক অৱস্থাৰ সুযোগ গ্ৰহণ কৰিছে। শংকৰৰ লালন-পালনৰ দায়িত্ব মূৰ পাতি লৈ এহাতে সমাজসেৱাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰাৰ সমান্তৰালভাৱে দিনে-নিশাই তাৰ সন্মতি অবিহনে বলপূৰ্বকভাৱে যৌন নিৰ্যাতন চলাইছে। ভাগৰতী আৰু ৰৌশন শেঠৰ অপৰাধপ্ৰৱণ মনস্তত্ত্ব গঢ় লোৱাৰ মূলতে হ'ল সমাজত প্ৰচলিত আদৰ্শবাদ। উপন্যাসখনত ভাগৰতী আৰু ৰৌশন শেঠ সমকামীসকলৰ প্ৰতিনিধি চৰিত্ৰ। সামাজিক মতাদৰ্শৰ হেঁচাত প্ৰতিগৰাকী সমকামীয়ে ইচ্ছাকাংক্ষা পূৰণত বাধ্যবাধকতাৰ সন্মুখীন হয়। সামাজিক ঔচিত্যতাৰ বিপৰীতে গৈ নিজৰ সহজাত প্ৰবৃত্তি চৰিতাৰ্থ কৰাৰ যুঁজত লিপ্ত সমকামীসকলৰ মনস্তত্ত্ব সমূহীয়া। ফ্ৰয়েডে উল্লেখ কৰা ধৰণে যৌন বাসনাৰ ওপৰত ব্যক্তিৰ আত্মনিয়ন্ত্ৰণ নাথাকে। সেইহেতুকে যৌন বাসনা চৰিতাৰ্থ কৰাৰ প্ৰৱণতাই প্ৰত্যেক ব্যক্তিৰে অৱচেতন মনত অহৰহ ক্ৰিয়া কৰি থাকে। সমকামীসকলো ইয়াৰ ব্যতিক্ৰম নহয়। সমাজৰ আগত প্ৰকাশ্যে যৌনক্ষুধা পূৰণ কৰিব নোৱাৰা সমকামীসকলে লোকদৃষ্টিৰ আঁৰত হ'লেও নিজৰ ইচ্ছাকাংক্ষাক স্বীকৃতি প্ৰদান কৰি আহিছে।

শিশুৰ মানসিক জগতত অপৰাধপ্ৰৱণতাৰ জন্ম দিয়াৰ গুৰিতো সমাজ মনস্তাত্ত্বিক কাৰকসমূহে ক্ৰিয়া কৰে। উপন্যাসখনৰ বিষয়বস্তুত শংকৰৰ জৰিয়তে এইকথা প্ৰতিপন্ন কৰা হৈছে। সামাজিক মতাদৰ্শগত অৱদমনৰ ফলত ৰৌশন শেঠ নামৰ সমকামী পুৰুষজনে সকলোৰে অগোচৰে শংকৰৰ দেহত পৈশাচিক নিৰ্যাতন চলোৱা কাৰ্যই শংকৰৰ মনত অপৰাধপ্ৰৱণতাৰ জন্ম দিছিল। পিতৃৰ সমবয়সৰ পুৰুষ ৰৌশন শেঠে মাক আৰু শংকৰৰ অসহায়তাৰ সুযোগ গ্ৰহণ কৰি শংকৰৰ প্ৰতিপালনৰ দায়িত্ব গ্ৰহণ কৰিছিল। তেনেস্থলত সেইজন ব্যক্তিৰেই কামনাৰ বলি হ'বলগীয়া হোৱাত শংকৰে হত্যাকাৰী ৰূপত আত্মপ্ৰকাশ কৰিলে। সমাজৰ সুবিধাবাদী শ্ৰেণীটোৰ অত্যাচাৰৰ সন্মুখীন হোৱা শংকৰৰ মনস্তাত্ত্বিক দিশটোৰ উপস্থাপন কৰা হৈছে এনেদৰে—"ৰৌশন শেঠ এজন সমকামী পুৰুষ। সমাজসেৱা কৰিবলৈ গৈ বাৰবণিতাৰ কোমল পুত্ৰক পোষ্যপুত্ৰৰূপে গ্ৰহণ কৰিছে আৰু তেওঁৰ যৌন উৎপীড়নৰ বলি হৈছে সেই বালক। বাৰম্বাৰ। তাৰ শৰীৰৰ গোপন ঠাই ফাটি গৈছে। মূৰৰ ওপৰত পিতৃৰ হাত নথকা সেই বালক, অভাৱে যাৰ মাতৃকো বেশ্যাবৃত্তিলৈ টানি

নিছে, আজি এইখন সভ্য সমাজৰ যৌন উৎপীড়ন সহিব নোৱাৰি সিয়েই খুনীৰূপে ধৰা দিছে।”[৫২]

পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষৰ হাতত অবাধ স্বাধীনতাৰ শক্তি কেন্দ্ৰীভূত কৰা হয়। ইয়াৰ জৰিয়তেই তেওঁলোক সকলো ক্ষেত্ৰতে সৰ্বেসৰ্বাৰ ভূমিকাত অৱতীৰ্ণ হয়। সমাজে পুৰুষ শ্ৰেণীটোক স্বাধীনতা তথা কৰ্তৃত্ব প্ৰদান কৰি অহাৰ পৰিণতিতেই প্ৰান্তীয় শ্ৰেণীটোৰ ওপৰত এইসকলে নিজৰ ক্ষমতাৰ অপ্ৰয়োগ কৰি আহিছে। সমাজত প্ৰচলিত ঔচিত্যতাৰ সুযোগ গ্ৰহণ কৰি অহা সমাজৰ শক্তিশালী শ্ৰেণীটোৰ মানৱীয় অনুভূতিশূন্য। প্ৰান্তীয় শ্ৰেণী অৰ্থাৎ নাৰীক অৱদমন কৰি ৰখাৰ অমানুষিক বাসনা হাড়ে-হিমজুৱে ধাৰণ কৰি এইসকল লোকেই অতীজৰে পৰা নাৰীৰ ওপৰত শাৰীৰিক- মানসিক নিৰ্যাতন চলাই আহিছে। উপন্যাসসমূহত সন্ধ্যা, নয়নতৰা, নিৰ্মলা, অনন্যা, বৰদোৱানী, চাবেৰা, ৰেণুমাই আদি প্ৰতিগৰাকী নাৰীয়ে সমাজ ব্যৱস্থাই নিৰ্ধাৰণ কৰি দিয়া আদৰ্শ কন্যা, আদৰ্শ পত্নী হ’বলৈ গৈ মনৰ আকাংক্ষাক সমূলি পৰিত্যাগ কৰিছে। আপোনজনক সুখী কৰাৰ স্বাৰ্থত নিজৰ অস্তিত্ব পৰ্যন্ত হেৰুৱাই পেলাবলৈ উপক্ৰম হৈছে। উপন্যাসসমূহত পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই নাৰীক যিদৰে পৰিচালিত কৰিব বিচাৰিছে সেই ধৰণেই অনায়াসে পৰিচালিত কৰাত সফলো হৈছে। পুৰুষতান্ত্ৰিক আদৰ্শবাদে নাৰী মনস্তত্বক এনেদৰে অৱদমন কৰিছে যে তেওঁলোকে কোনো পৰিস্থিতিতে প্ৰতিবাদমুখী হৈ নিজস্ব মানসিক স্থিতিৰ পৰিচয় দিবলৈ সক্ষম নহয়।

**৩.০৮ মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত প্ৰতিফলিত নাৰী চেতনাৰ মনস্তাত্ত্বিক বিশ্লেষণ ঃ**

নাৰী-পুৰুষৰ সম অধিকাৰৰ দাবীত নাৰীবাদী ধাৰণা আৰু পৰৱৰ্তী সময়ত আন্দোলনে মূৰ তুলি উঠিছিল। প্ৰথম অৱস্থাত নাৰী আৰু পুৰুষৰ সমতাৰ ধাৰণাকে নাৰীবাদ হিচাপে গ্ৰহণ কৰা হৈছিল। মূল্য বা গুৰুত্বৰ পিনৰ পৰা সমাজত নাৰী আৰু পুৰুষৰ মাজত কোনো ধৰণৰ পাৰ্থক্য থকা উচিত নহয়। নাৰীবাদী ধাৰণা প্ৰৱৰ্তন কৰা প্ৰথমগৰাকী দাৰ্শনিক জন ল’কে নাৰীক পুৰুষৰ সমান মৰ্যাদা দিয়াৰ পোষকতা কৰিছিল। তেওঁ *চেকেণ্ড ট্ৰীটিজ অৱ গভৰ্ণমেন্ট* গ্ৰন্থত পুৰুষৰ জীৱনত নাৰীৰ স্থানৰ গুৰুত্বৰ বিষয়ে লিখিছিল।প্ৰথম অৱস্থাত নাৰী পুৰুষৰ সমান মৰ্যদাৰ ওপৰত গুৰুত্ব আৰোপ কৰি গঢ় লৈ উঠা ধাৰণাটোৱে পৰৱৰ্তী সময়ত বিভিন্ন প্ৰেক্ষাপটত নাৰীৰ অধিকাৰৰ প্ৰসংগক সামৰি লয়। এনেদৰেই নাৰীবাদী ধাৰণাটোৱে বহল পৰিসৰত বিস্তৃতি লাভ কৰাৰ লগতে এক আন্দোলন হিচাপে সমগ্ৰ বিশ্বতে আলোড়নৰ সৃষ্টি কৰে। নাৰীবাদৰ প্ৰথম প্ৰবাহে নাৰীৰ সমতা আৰু স্বাধীনতাৰ বিষয়ত গুৰুত্ব প্ৰদান কৰিছিল। ইয়াৰ বিপৰীতে নাৰীবাদী

আন্দোলনৰ পৰৱৰ্তী প্ৰবাহসমূহে নাৰীৰ বাহ্যিক দিশটোৰ পৰিৱৰ্তে মনস্তত্ত্বৰ দিশত গুৰুত্ব দিয়ে। নাৰীবাদৰ প্ৰথম প্ৰৱাহে নাৰী আৰু পুৰুষৰ সামাজিক, অৰ্থনৈতিক,ৰাজনৈতিক দিশত অৰ্থাৎ বৈষয়িক তথা ভৌতিক সমতাৰ কথা কোৱা হৈছিল। নাৰীৰ আধ্যাত্মিক, বৌদ্ধিক, মনস্তাত্ত্বিক উত্তৰণ দ্বিতীয় পৰ্যায়ৰ নাৰীবাদী প্ৰবাহৰ মূল বিষয়। নাৰীবাদে অধিকাৰ বিচাৰি নাৰীয়ে কেৱল আন্দোলন কৰাকে নুবুজায়। অজ্ঞতাৰ পৰা আত্মজ্ঞানলৈ হোৱা যাত্ৰাই হৈছে নাৰীৰ মানসিক উত্তৰণ। নাৰীবাদৰ দ্বিতীয় প্ৰবাহে নাৰীৰ মনস্তাত্ত্বিক, নৈতিক, আধ্যাত্মিক উত্তৰণকে সূচায়।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহক আমি স্পষ্টৰূপত নাৰীবাদী চেতনাৰে ৰচিত নাৰীবাদী উপন্যাস বুলি ক'ব নোৱাৰো। ঔপন্যাসিকাই কোনো বিশেষ মতবাদ ইয়াত অনুসৰণ কৰা নাই। তেওঁ সংবেদনশীল মানৱীয়তাৰ দৃষ্টিকোণেৰে উপন্যাসসমূহ ৰচনা কৰিছে। কাৰণ তেওঁৰ উপন্যাসত নাৰীৰ সমানে শোষিত, নিৰ্যাতিত পুৰুষৰ মানসিক অৱস্থাকো অংকন কৰিছে। এই সম্পৰ্কে ঔপন্যাসিকাগৰাকীয়ে সাক্ষাতকাৰত এনেদৰে কৈছে—

> মোৰ উপন্যাসসমূহত মই প্ৰেমৰ মহত্ত্ব স্বীকাৰ কৰি আহিছোঁ। এয়াই মই। য'তেই নহওক মই প্ৰেমৰ মহত্ব, প্ৰেমৰ জয়গান গাই আহিছোঁ। য'ত কষ্ট হৈছে তাতেই প্ৰেমে তুলি ধৰিছে। দুৰ্বলৰ প্ৰতি মোৰ কলম সদায় আগবাঢ়ি যায়, সি লাগিলে মহিলাই হওঁক বা পুৰুষেই হওঁক। নিষ্পেষিতসকলৰ প্ৰতি মোৰ প্ৰেম আছে। নাৰীৰ লগতে নাৰীৰদ্বাৰাও বিভিন্ন সময়ত নিষ্পেষিত পুৰুষসকলৰ প্ৰতিও মোৰ প্ৰেম আছে। এইটোৱে মোৰ প্ৰধান মনস্তাত্ত্বিক দিশ বুলি মই ক'ব খোজোঁ; যিটো মোৰ উপন্যাসসমূহৰ মাজতো প্ৰকাশ পাইছে।[৫৩]

ঔপন্যাসিকাৰ উপন্যাসত তথাকথিত নাৰীবাদী চেতনা দেখা নোপোৱাৰ দৰে নাৰীৰ অৱস্থা পৰিৱৰ্তনৰ স্পষ্ট ইংগিতো পোৱা নাযায়। সংবেদনশীল দৃষ্টিৰে নাৰী চৰিত্ৰসমূহ চোৱা হেতুকে ইয়াত প্ৰতিবাদমুখী, আন্দেলনমুখী নাৰী চৰিত্ৰ নাই। সেয়া হ'লেও চৰিত্ৰবোৰৰ মানসিক উত্তৰণ ঘটা পৰিলক্ষিত হৈছে। তীব্ৰ আস্ফালন নাথাকিলেও নাৰী চৰিত্ৰসমূহে নিজৰ অৱস্থাৰ পৰিৱৰ্তন বিচাৰিছে। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নিজৰ অস্তিত্বৰ প্ৰতিনাৰী চৰিত্ৰসমূহ সজাগ হৈ উঠিছে। সমান্তৰালভাৱে নিজৰ মানসিক সন্তুষ্টিৰ পথ নিজেই নিৰ্মাণ কৰি লোৱাও পৰিলক্ষিত হৈছে। উপন্যাসসমূহত নাৰী চৰিত্ৰবোৰক অকল বাহ্যিক অৰ্থনৈতিক, ভৌতিক দিশৰপৰা চোৱাৰ পৰিৱৰ্তে সামগ্ৰিক দৃষ্টিকোণেৰে চোৱাৰ পোষকতা দেখা যায়। সেয়েহে নাৰী চৰিত্ৰবোৰৰ মনস্তাত্ত্বিক উত্তৰণ বা মনস্তাত্ত্বিক দিশসমূহ গুৰুত্বপূৰ্ণ হৈ পৰিছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহ নাৰী চেতনাৰে আলোচনা কৰিলে আমি নাৰীৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক অধিকাৰ তথা সমতা বিচাৰি কৰা প্ৰবল প্ৰতিবাদ দেখা নাপাওঁ। নাৰীৰ সামাজিক সমতা, অৰ্থনৈতিক সমতা, ৰাজনৈতিক সমতাজাতীয় বিষয়বস্তু তেওঁৰ উপন্যাসত নাই। ইয়াৰ পৰিবৰ্তে ঔপন্যাসিকাই নাৰী মনস্তত্ত্বৰ বিভিন্ন জটিল দিশসমূহৰ উন্মোচন কৰিছে। মণিকুন্তলা ভট্টাচাৰ্যৰ *অৰুন্ধতী* উপন্যাসত প্ৰথম অৱস্থাত অনন্যা বিবাহ বিচ্ছেদিত এগৰাকী হতাশাগ্ৰস্ত নাৰীৰ ৰূপত অৱতীৰ্ণ হৈছে যদিও পৰৱৰ্তী সময়ত চৰিত্ৰটোৰ মানসিক উত্তৰণ ঘটিছে। পিতৃ-মাতৃক সন্তুষ্ট কৰিবলৈকে তেওঁলোকৰ কথামতে অনন্যাই প্ৰথমবাৰ বিবাহপাশত আবদ্ধ হৈছিল। কিন্তু দ্বিতীয়বাৰ জীৱনসংগী অনন্যাই নিজেই নিৰ্বাচন কৰিছে। স্বামী- স্ত্ৰীৰ মাজত মানসিক সম্পৰ্কৰ গুৰুত্ব অসফল প্ৰথম বৈবাহিক জীৱনৰপৰা অনন্যাই অনুধাৱন কৰিব পাৰিছিল। সেয়েহে দ্বিতীয় বিবাহৰ বেলিকা সন্তৰ্পণে খোজ পেলাইছিল। বিভিন্নজনৰপৰা অহা বৈবাহিক প্ৰস্তাৱ নাকচ কৰিছিল। আনকি তেওঁৰ প্ৰেমপ্ৰাৰ্থী কুমাৰ চাহাবৰ লগত মাকে বিয়াত বহিবলৈ কোৱাৰ পিছতো কুমাৰ চাহাবৰ লগতে মাককো নিৰাশ কৰিছে। অৱশেষত নিজে বিচৰাজনৰ লগত বিয়াত বহি অনন্যাই সুখী দাম্পত্য জীৱন কটাইছিল। দ্বিতীয়বাৰ জীৱনসংগী নিৰ্বাচন কৰাত অনন্যাই সম্পূৰ্ণ স্বাধীনতা লৈছে। আকৌ সন্তানহীনা বাবেই প্ৰথম স্বামীৰপৰা শাৰীৰিক, মানসিক অত্যাচাৰৰ সন্মুখীন হোৱা অনন্যাই স্বামীক ডিভোৰ্চ দি দ্বিতীয় বিবাহত বহি তথাকথিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে গৈ মানসিক উত্তৰণৰ পৰিচয় দিছে।

*যমুনা* উপন্যাসতো স্বামী-পুত্ৰক হেৰুৱাৰ পিছত মানসিকভাৱে ভাগি পৰা যমুনা বিধৱা হোৱাৰ বাবে সমাজৰ মানুহৰ পৰাও মানসিক নিৰ্যাতনৰ সন্মুখীন হৈছিল। এই সকলোবোৰে যমুনাক সংকুচিত কৰি ৰাখিছিল। কিন্তু এইবোৰক অতিক্ৰম কৰি যমুনাই জীৱনত আগবঢ়াৰ পথ উলিয়াই ল'বলৈ সক্ষম হৈছিল। সৰ্বস্বান্ত হৈ অহৰহ স্বামী- পুত্ৰ শোকত আত্মমগন কৰি থকা যমুনাই তুলি লোৱা সন্তানটোৰ মাজেৰে পুনৰ জীৱন জীয়াবলৈ অগ্ৰসৰ হৈছিল। সমাজ পৰম্পৰা আৰু জীৱনৰ দুখ-যন্ত্ৰণাবোৰে যমুনাক ব্যতিব্যস্ত কৰি তুলিছে যদিও যমুনা এইবোৰৰ মাজত হেৰাই যোৱা নাই।

*মই ডেচডিমনা হ'ব খোজোঁ* উপন্যাসত প্ৰেমিক ৰঞ্জয় নয়নাৰ অলক্ষিতে কোনো কাৰণ নোহোৱাকৈ আঁতৰি যোৱাৰ পিছত নয়না মানসিকভাৱে ভাগি পৰিছিল। ৰঞ্জয়ৰদ্বাৰা প্ৰতাৰিত নয়নাক থিয়েটাৰলৈ অহাৰ পিছতো ৰঞ্জয়ৰ স্মৃতিয়ে আমনি কৰিছিল। কিন্তু বহু বছৰৰ পিছত উভতি আহি ৰঞ্জয়ে তাইক পুনৰ গ্ৰহণ কৰিব বিচৰাত ৰঞ্জয়ক উপেক্ষা কৰি নয়নাই সবল মানসিক স্থিতি গ্ৰহণ কৰিছে।

*বৰদোৱানী* উপন্যাসত সন্তানৰ বাবেই বৰদোৱানীক উপেক্ষা কৰি যেতিয়া পুণ্যধৰৰ দ্বিতীয় বিবাহ কৰোৱা হৈছিল তেতিয়া বৰদোৱানীৰ নাৰীসত্ত্বাই যন্ত্ৰণা অনুভৱ কৰিছিল। প্ৰকাশ্যে তেওঁ পুণ্যধৰৰ দ্বিতীয় বিবাহৰ প্ৰতিবাদ সাব্যস্ত নকৰিলেও নিজৰ অস্তিত্ব ৰক্ষাৰ প্ৰতি সম্পূৰ্ণই সচেতন আছিল। স্বাভিমানী বৰদোৱানীয়ে একেটা ঘৰতে থাকিও পুণ্যধৰৰ পৰা নিজকে আঁতৰাই ৰাখি নিজৰ সবল মানসিকতাৰ পৰিচয় দিছিল।

*বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত পুত্ৰ-বোৱাৰী, জীয়াৰীৰদ্বাৰা মানসিকভাৱে নিৰ্যাতিতা নিৰ্মলাই সন্তানে তেওঁক মৰম যত্নৰে সামৰি লোৱাৰ আশা পুহি ৰাখিছিল। কিন্তু সময়ৰ অগ্ৰগতিৰ লগে লগে তেওঁৰ আত্মজ্ঞান উপলব্ধি হৈছিল আৰু মানসিক প্ৰশান্তি বিচাৰি বৃদ্ধাশ্ৰমলৈ গৈছিল। গোটেই জীৱন স্বামী আৰু সন্তানৰ শুশ্ৰূষা কৰি তেওঁলোকৰপৰা অৱহেলা পাই জীয়াই থকা নিৰ্মলাই জীৱনৰ অন্তিম সময়ছোৱাত নিজৰ মানসিক শান্তিৰ কথা ভাবি নিজৰ বাবে সিদ্ধান্ত লৈ ঘৰৰপৰা ওলাই গৈছে। সম্পত্তিৰ দলিলত চহী বিচাৰি ব্যতিব্যস্ত কৰা সন্তানক জীয়াই থকালৈকে একো এটা নিদিয়াৰ সিদ্ধান্ত লৈ নিৰ্মলাই সকলো কাগজ- পত্ৰ নিজৰ লগতে বৃদ্ধাশ্ৰমলৈ লৈ যোৱা কাৰ্যই চৰিত্ৰটোৰ মানসিক উত্তৰণ ঘটাইছে—

> ...তাৰ লগতে নিৰ্মলাই সম্পত্তিৰ কাগজ- পত্ৰও সামৰি ল'লে। খুবেই দৰ্কাৰী কথা এয়া। এদিন নহয় এদিন তেওঁৰ মৃত্যু ঘটিব যে সঁচা। মৃত্যুৰ পাছত এই সম্পত্তি যে সন্তানে অনায়াসে লাভ কৰিব, সেয়াও সঁচা। কিন্তু তেওঁ জীয়াই থকালৈকে এই কাগজ নিজৰ লগত ৰাখিব, কাকো সঁপি নিদিয়ে তেওঁ। কাৰো নামত কোনো উইলত চহী নকৰে। এৰা, এই শিক্ষা তেওঁৰ জীৱনৰ অভিজ্ঞতাই দিছে। ৰোগশয্যাত পৰি থকা ডাক্তৰৰ বিছনাৰ খুঁটাত গুৰিয়াই সম্পত্তি বিচাৰি হাহাকাৰ কৰা সন্তানৰ আচৰণেই শিকাইছে...।[৫৪]

নাৰীৰ মানসিক উত্তৰণে নাৰীৰ আত্মপৰিচয় নিৰ্মাণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। নাৰী সম্পৰ্কত প্ৰচলিত যিবোৰ ৰূঢ়বাদী ধাৰণা তথা দৃষ্টিভংগী সেইবোৰ নাৰীবাদৰ দ্বিতীয় প্ৰবাহত ভংগ কৰা হৈছিল। নাৰী মনস্তত্ত্বৰ প্ৰকৃত স্বৰূপ উদঘাটন কৰিব পাৰিলেহে নাৰী সম্পৰ্কত প্ৰচলিত ৰূঢ়বাদী ধাৰণাসমূহৰ পৰিৱৰ্তন হ'ব। সেয়েহে নাৰীবাদৰ দ্বিতীয় প্ৰবাহত নাৰীৰ প্ৰকৃত স্বৰূপ উদঘাটনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। পুৰুষতান্ত্ৰিক মতাদৰ্শই নাৰী সম্পৰ্কত যিবোৰ ৰূঢ়বাদী দৃষ্টিভংগী নিক্ষেপ কৰিছিল তাৰ পৰিপেক্ষিততে পৃথিৱীৰ সকলো নাৰী একেই বুলি বিবেচনা কৰা হয়। এইক্ষেত্ৰত ফ্ৰয়েডৰ অৰিহণাও অন্যতম। ফ্ৰয়েডৰ তত্ত্বমতে পৃথিৱীৰ সকলো

নাৰী ঈৰ্ষাপৰায়ণ। নাৰীৰ অৱচেতনাৰ জটিলতাৰ প্ৰসংগত ফ্ৰয়েডে লিংগৰ ঈৰ্ষাৰ কথা কৈছে। পুৰুষৰ প্ৰতি থকা নাৰীৰ লিংগভিত্তিক ঈৰ্ষাপৰায়ণতাই নাৰীৰ মনোযৌন জটিলতাৰ সৃষ্টি কৰে। সেয়েহে প্ৰায়বোৰ নাৰীয়ে মনোযৌন জটিলতাত ভোগে। ফ্ৰয়েডে এনেদৰে মতপোষণ কৰিছে— "সৰু ছোৱালীবোৰে ল'ৰাৰ যৌনাংগ নিজৰপৰা পৃথক দেখিলে লিংগৰ বাবে ঈৰ্ষাৰ বশৱৰ্তী হয়। এই ঈৰ্ষা ইমানেই প্ৰবল হয় যে তেওঁলোকৰ মাজত ল'ৰা হোৱাৰ ইচ্ছাকাংক্ষা জাগি উঠে।"[৫৫] ফ্ৰয়েডে ইয়াৰ জৰিয়তে সকলো নাৰীকে সমদৃষ্টিৰে চাইছিল। নাৰীৰ পৃথক ব্যক্তিত্বক তেওঁ আওকাণ কৰি সকলো নাৰীকে এনেদৰে ৰূঢ়বাদী ৰূপত উপস্থাপন কৰিলে। ফ্ৰয়েডৰ এই ধাৰণাক পৰৱৰ্তী সময়ত নাৰীবাদীসকলে সমালোচনা কৰিছে। নাৰী মনস্তত্ত্বৰ প্ৰকৃত সত্য তথা স্বৰূপ উদঘাটন কৰিব পাৰিলেহে প্ৰকৃত অৰ্থত নাৰীক জনাটো সম্ভৱপৰ হ'ব। সেয়েহে নাৰী মনস্তত্ত্বৰ বিভিন্ন জটিল স্তৰসমূহক আলোচনাৰ মাজেদি সাহিত্যৰ মাজলৈ নাৰীবাদৰ দ্বিতীয় স্তৰত সমালোচক সকলে আনিলে। ইয়াৰ জৰিয়তে নাৰী সম্পৰ্কে চলি থকা তথাকথিত বদ্ধমূল ধাৰণাসমূহৰ পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰা হ'ল। সেই সময়ছোৱাতে ভাৰ্জিনিয়া উল্‌ফে কৈছিল যে পুৰুষৰ দেহত নাৰীসুলভ আৰু নাৰীৰ দেহত পুৰুষসুলভ গুণ থাকিব পাৰে। মামণি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ' গল্পত এই দিশটোৰে প্ৰতিফলিত হৈছে পীতাম্বৰ আৰু দময়ন্তী চৰিত্ৰত। গল্পটোত সন্তানৰ প্ৰসংগত দময়ন্তী আৱেগশূণ্য নিৰ্বিকাৰ হোৱাৰ বিপৰীতে পীতাম্বৰ অত্যন্ত আৱেগিক হৈ পৰিছিল। সন্তানৰ প্ৰসংগত সকলো নাৰী আৱেগিক নহয় সেয়া দময়ন্তী চৰিত্ৰৰ মাজেৰে প্ৰকাশ লাভ কৰিছে। গৰ্ভস্থ সন্তানক হত্যা কৰি নিজহাতে দময়ন্তীয়ে পুতি পেলাইছে। ইয়াৰ বিপৰীতে পীতাম্বৰে নাৰীৰ তথাকথিত ভূমিকা পালন কৰা দেখা গৈছে। মণিকুন্তলা ভট্টাচাৰ্যৰ *স্বাভিমান* উপন্যাসতো বিয়াৰ পিছতেই গৰ্ভৱতী হোৱা স্নিগ্ধাই তেতিয়াই সন্তান জন্ম দিব বিচৰা নাছিল আৰু স্বামীৰ অজ্ঞাতে গৰ্ভস্থ সন্তানটিক হত্যা কৰিছিল। স্নিগ্ধাৰ এই কাৰ্যৰ বিপৰীতে স্নিগ্ধাৰ স্বামী সন্তানটোৰ সৈতে আৱেগিকভাৱে জড়িত হৈ পৰিছিল। সন্তানক হেৰুৱাই স্নিগ্ধাৰ প্ৰতি নিস্পৃহ হৈ পৰা স্নিগ্ধাৰ স্বামীৰ মৰ্মবেদনাৰ প্ৰকাশ ঘটিছে উপন্যাসখনত। উপন্যাসখনত সন্তানক হেৰুওৱা স্নিগ্ধাৰ স্বামীৰ মানসিক অৱস্থাৰ বৰ্ণনা কৰা হৈছে এনেদৰে—"বুকুৰ মাজত প্ৰকাশ কৰিব নোৱাৰা অলেখ কিবাকিবি শুই আছিল, এতিয়া সাৰপাই উঠিছে; চিঞৰি চিঞৰি প্ৰশ্ন কৰিব খুজিছে স্নিগ্ধাক। কিয়, কিয় কৰিলা তুমি এনে কাম, কিয় আঁতৰাই দলিয়াই পেলালা আমাৰ প্ৰেমৰ চিহ্ন? জানো, প্ৰয়োজনতকৈ অলপ সোনকালেই আহিছিল, বিয়াৰ এমাহৰ পাছতেই; কিন্তু এনে কি নোহোৱা-নোপোজা কথা হ'ল?"[৫৬] গতিকে ইয়ে প্ৰমাণ কৰে যে সন্তানৰ প্ৰসংগত সকলো নাৰী একে মানসিকতা বহন

নকৰে। নাৰীক একেটা গণ্ডীৰ মাজত সুমুৱাই আলোচনা কৰিলে নাৰীৰ প্ৰকৃত ব্যক্তিনিষ্ঠ স্বৰূপ উদঘাটন ন'হব। নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটোতো কবিয়ে এনেধৰণেই নাৰীমনৰ প্ৰকৃত স্বৰূপ উদঘাটন কৰিব বিচাৰিছে। নাৰীবাদৰ দ্বিতীয় প্ৰবাহে নাৰী মনস্তত্ত্বৰ প্ৰকৃত সত্য উদঘাটনৰ জৰিয়তে পুৰুষবাদীসকলে নাৰী সম্পৰ্কত ধাৰণ কৰি থকা ৰূঢ়িবদ্ধ ধাৰণাক প্ৰশ্ন কৰিছে। প্ৰত্যেক নাৰীৰ চিন্তা-চৰ্চা সুকীয়া হোৱাৰ লগতে প্ৰত্যেকেই নিজস্বধৰণে আচৰণ কৰে। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহতো প্ৰত্যেকগৰাকী নাৰীৰে পৃথক নাৰী চেতনা প্ৰতিফলিত হৈছে। আচাৰ-আচৰণ, চিন্তা-চৰ্চা সকলো ক্ষেত্ৰতে নাৰীয়ে পৃথক স্বকীয় সত্তা বহন কৰা পৰিলক্ষিত হৈছে।

মণিকুন্তলা ভট্টাচাৰ্যই উপন্যাসসমূহত বিভিন্ন প্ৰসংগত নাৰী সম্পৰ্কত থকা বদ্ধমূল ধাৰণাৰ নস্যাৎ কৰিছে। তেওঁৰ উপন্যাসৰ নাৰীসকলে একো-একোটা পৃথক সত্তা বহন কৰিছে। নাৰী ঈৰ্ষাপৰায়ণ, নাৰী দুৰ্বল জাতীয় প্ৰসংগসমূহৰ বিপৰীতে চৰিত্ৰ অনুযায়ী নাৰীক নিজস্বধৰণে আগবাঢ়ি যাবলৈ এৰি দিছে। পৰম্পৰাগত পুৰুষতান্ত্ৰিক ধ্যান-ধাৰণাত নাৰী ঈৰ্ষাপৰায়ণ, প্ৰতিশোধপৰায়ণ, সতিনীৰ লগত দ্বেষ আদি কেতবোৰ উমৈহতীয়া বৈশিষ্ট্যৰে নাৰীক বিচাৰ কৰা হয়। প্ৰকৃততে প্ৰত্যেক নাৰীয়ে সুকীয়া ব্যক্তিত্ব তথা চাৰিত্ৰিক দিশেৰে প্ৰোজ্জ্বল। *বৰদোৱানী* উপন্যাসত বৰদোৱানীয়ে সতিনী ৰেণুমাইৰ লগত কোনোধৰণৰ দ্বন্দ্ব-কাজিয়া নোহোৱাকৈ নিজৰ ভনীয়েকৰ দৰে ৰেণুমাইক ৰাখিছে। দুখীয়া ঘৰৰ হোৱা বাবেই এগৰাকী বিবাহিত পুৰুষৰ লগত বিয়াত বহিবলগা হোৱাত ৰেণুমাইৰ প্ৰতি বৰদোৱানীৰ অন্তৰত সহানুভূতিৰহে উদ্ৰেক ঘটিছে। বৰদোৱানী চৰিত্ৰত ৰেণুমাই তথা ৰেণুমাইৰ সন্তানৰ প্ৰতি ঈৰ্ষাৰ ভাৱ কোনো এটা মূহুৰ্ততে প্ৰকট হোৱা নাই। নাৰীৰ যি স্বভাৱজাত ঈৰ্ষাপৰায়ণতাৰ কথা কোৱা হয় তাৰ বিপৰীত পৰিচয় দি বৰদোৱানীয়ে ৰেণুমাই আৰু পুণ্যধৰৰ সন্তানক নিজৰ গৰ্ভজাত সন্তানৰ লেখিয়াকৈ প্ৰতিপালন কৰিছে। আনকি পুণ্যধৰ আৰু একমাত্ৰ পুত্ৰ লক্ষ্যৰ মৃত্যুত মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা ৰেণুমাইৰ সমস্ত দায়িত্ব বৰদোৱানীয়ে লৈছে। এনেদৰে উপন্যাসখনত বৰদোৱানীয়ে সবল ব্যক্তিত্ব ধাৰণ কৰি মানসিকভাৱে শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিছে। *বাঁহী* উপন্যাসতো নয়নতৰাই সতিনীৰ সন্তানক মনত কোনোধৰণৰ অশান্তি-অসূয়া নোহোৱাকৈ অন্তৰেৰে আদৰি লৈছে। মহাজনৰ মৃত্যুৰ পিছতো সন্তানহালৰ দায়িত্ব পালনত কুণ্ঠাবোধ কৰা নাই। বৰদোৱানী আৰু নয়নতৰাই সমাজত প্ৰচলিত সতীয়া মাকৰ ভাৱমূৰ্তিৰ বিপৰীত নিদৰ্শন দাঙি ধৰিছে।

চৰিত্ৰৰ মনস্তাত্ত্বিক অধ্যয়নৰ ক্ষেত্ৰত চৰিত্ৰৰ যৌন আচৰণৰ অৱলোকন এটা অন্যতম গুৰুত্বপূৰ্ণ প্ৰসংগ। উপন্যাসসমূহ নাৰী চেতনাৰ দৃষ্টিৰে চালে দেখা যায় যে তথাকথিত পুৰুষতান্ত্ৰিক

সমাজখনে নাৰীৰ যৌন আচৰণৰ ক্ষেত্ৰত আৰোপ কৰা ৰূঢ়িবদ্ধ নৈতিকতাৰ যি সংযুতি সেয়া উপন্যাসসমূহত প্ৰকাৰান্তৰে চৰিত্ৰসমূহে আওকাণ কৰিছে। এইবোৰৰ পৰিৱৰ্তে চৰিত্ৰই নিজৰ আৱেগ-অনুভূতিক অগ্ৰাধিকাৰ প্ৰদান কৰিছে। চৰিত্ৰসমূহৰ মনত এক বিপ্লৱী চেতনা আছে। সমাজৰ পুৰুষতান্ত্ৰিক বাগধাৰাসমূহক নস্যাৎ কৰাৰ তাড়না চৰিত্ৰসমূহৰ মাজত দেখা গৈছে। উপন্যাসসমূহত নাৰী চৰিত্ৰসমূহে নিজৰ যৌন জীৱন সম্পৰ্কত সচেতন হোৱা দেখা গৈছে।

উপন্যাসসমূহত নাৰীয়ে নিৰ্বিকাৰ, নিৰুদ্বেগ তথা অৱদমিত কৰি ৰখা প্ৰসংগসমূহক অগ্ৰাধিকাৰ প্ৰদান কৰি গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে। সদায়েই আনৰ দ্বাৰা অৱদমিত হৈ থকা নাৰীয়ে নিজৰ ইচ্ছাকাংক্ষা পূৰণৰ বাবে আগবাঢ়ি আহিছে। ইয়াৰ মাজেৰে নাৰীৰ মানসিক উত্তৰণৰ স্বৰূপ প্ৰকাশ পাইছে।

**প্ৰসংগ টোকা ঃ**

১ প্ৰহ্লাদ কুমাৰ বৰুৱা। *উপন্যাস*। পৃঃ ১১

২ ৰামমল ঠাকুৰীয়া। *সাহিত্য বিচাৰ*। পৃঃ ১১২

৩ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

৪ মণিকুন্তলা ভট্টাচাৰ্য। *অনুৰোধ*। পৃঃ ৩

৫ মণিকুন্তলা ভট্টাচাৰ্য। *যমুনা*। পৃঃ ১৩৩

৬ মণিকুন্তলা ভট্টাচাৰ্য। *অৰুন্ধতী*। পৃঃ ৫, ৬

৭ মণিকুন্তলা ভট্টাচাৰ্য। *সন্ধ্যা*।পৃঃ ১১৪

৮ পূৰ্বোক্ত গ্ৰন্থ,পৃঃ ১১৬

৯ মণিকুন্তলা ভট্টাচাৰ্য। *অনুৰোধ*। পৃঃ ১৬৮, ১৬৯

১০ মণিকুন্তলা ভট্টাচাৰ্য। *অৰুন্ধতী*।পৃঃ ২৩

১১ মণিকুন্তলা ভট্টাচাৰ্য। *বৰদোৱানী*।পৃঃ ২৬

১২ মণিকুন্তলা ভট্টাচাৰ্য। *মুক্তি*। পৃঃ ৩৮

১৩ "private life, private aetiologies, and private neuroses have become almost a fiction in the world of today.The man of the past who lived in a world of archaic "représentations collectives" has risen again into very visible and painfully real life, and this not only in a few unbalanced individuals but in many millions of people."– C.G.Jung. *The Archetypes And The Collective Unconscious*.Trans. R.F.C Hull. পৃঃ ৬১,৬২

১৪ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

১৫ পূৰ্বোক্ত সাক্ষাতকাৰ

১৬ মণিকুন্তলা ভট্টাচাৰ্য। *অৰুন্ধতী*। পৃঃ ২১

১৭ পূৰ্বোক্ত গ্ৰন্থ,পৃঃ ১৭, ১৮

১৮ মণিকুন্তলা ভট্টাচাৰ্য। *মই ডেচডিমʼনা হʼব খোজোঁ*।পৃঃ ৯৩

১৯ "It is generally understood to be absent in childhood, to set in at the time of puberty in connection with the process of coming to maturity and to be revealed in the manifestations of an irresistible attraction excercised by one sex upon the

other; while its aim is presumed to be sexual union, or at all events actions leading in that direction."–Peter Gay. Ed. *The Freud Reader*. পৃঃ ২৪০

২০ মণিকুন্তলা ভট্টাচাৰ্য। *বৰদোৱানী*। পৃঃ ১২৭

২১ মণিকুন্তলা ভট্টাচাৰ্য। *মই ডেচডিম'না হ'ব খোজোঁ*। পৃঃ ১৩৬

২২ "Nonetheless, even this psychology is based on certain general biological factors, for instance on the sexual instinct or on the urge for self- assertion, which are by no means merely personal peculiarities."– C.G.Jung. *The Archetypes And The Collective Unconscious.* Trans.R.F.C Hull. পৃঃ ৫৭

২৩"Yet instincts are impersonal, universally distributed, hereditary factors of a dynamic or motivating character"– পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৭

২৪ পৃথকতাঃ দুই বা ততোধিক বস্তু একে নোহোৱা গুণ, অৱস্থা বা তাৰ পৰিমাণ। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই সমাজৰ বিভিন্ন শ্ৰেণী তথা ব্যক্তি বিশেষৰ মাজত অসমতা অনা হয়।

২৫ নিলগীকৰণঃ কোনো ব্যক্তিক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনত সম্পূৰ্ণভাৱে অংশগ্ৰহণ কৰাৰপৰা বৰ্জন কৰা। ই মানুহৰ মাজত বিভেদ অনাৰ লগতে মানসিকভাৱেও অৱদমন চলায়।

২৬ অন্যতাঃ বেলেগ হোৱাৰ অৱস্থা। বিভিন্ন প্ৰসংগত প্ৰান্তীয়কৰণৰ জৰিয়তে ব্যক্তিগোটৰ মাজত ভিন্নতা আনিবলৈ প্ৰয়াস কৰা হয়। সমাজৰ কোনো এটা শ্ৰেণীয়ে নিজৰ কৰ্তৃত্ব সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত অন্য শ্ৰেণীসমূহৰ পৰা নিজকে আঁতৰাই ৰখাৰ লগতে সেই শ্ৰেণীটোৱে আনৰ ওপৰত অৱদমন চলায়।

২৭ বিৰিঞ্চি কুমাৰ দাস। "প্ৰান্তীয়কৰণৰ প্ৰসংগ আৰু ৰুদ্ৰাণী শৰ্মাৰ উপন্যাস"। *গৰিয়সী* । পৃঃ ৮৪

২৮ "One is not born, but rather becomes, woman."– Simone De Beauvoir.*The Second Sex.*Trans. Constance Borde and Sheila Malovany-Chevallier. পৃঃ ১৪

২৯ "Ideology is a 'representation' of the imaginary relationship of individuals to their real conditions of existence."– Louis Althusser. "Ideology and Ideology state Apparatuses". Trans. G. M. Goshgarian. *On The Reproduction Of Capitalism*. পৃঃ ২৫৬

৩০ “That an individual is always- already a subject, even before he is born, is nevertheless the plain reality, accessible to everyone and not a paradox at all. Freud shows that individuals are always ‘abstract’ with respect to the subjects they always- already are, simply by noting the ideological ritual that surrounds the expectation of a‘birth’, that ‘happy event’. Everyone knows how much and is what way on unborn child is expected. Which amounts to saying, very prosaically, if we agree to drop the ‘senti-ments’,i.e. the forms of family ideology(paternal/ maternal conjugal/ fraternal) in which the unborn child is expected: it is certain in advance that it will bear its father’s name, and will therefore have an identity and be irreplaceable . Before its birth, the child is therefore always- already a subject, appointed as a subjects in and by the specific familial ideological configuration in which it is ‘expected’ once it has been conceived.”– পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৬৫

৩১ মণিকুন্তলা ভট্টাচাৰ্য। *বাঁহী*। পৃঃ ৮০, ৮১

৩২ মণিকুন্তলা ভট্টাচাৰ্য। *সন্ধ্যা*।পৃঃ ৮৫

৩৩ মণিকুন্তলা ভট্টাচাৰ্য। *বৰদোৱানী*। পৃঃ ১০৮, ১০৯

৩৪ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৫

৩৫ মণিকুন্তলা ভট্টাচাৰ্য। *অৰুন্ধতী*।পৃঃ ১৬

৩৬ মণিকুন্তলা ভট্টাচাৰ্য। *সন্ধ্যা*। পৃঃ ১১৬

৩৭ মণিকুন্তলা ভট্টাচাৰ্য। *বৰদোৱানী*। পৃঃ ১৫, ১৬

৩৮ মণিকুন্তলা ভট্টাচাৰ্য। *অৰুন্ধতী*। পৃঃ ২৬

৩৯ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৩২

৪০ মণিকুন্তলা ভট্টাচাৰ্য। *সন্ধ্যা*। পৃঃ ৮৯

৪১ মণিকুন্তলা ভট্টাচাৰ্য। *চামিয়ানা* ।পৃঃ ৩২

৪২ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬৩

৪৩ মণিকুন্তলা ভট্টাচাৰ্য। *মুক্তি*। পৃঃ ৩৬

৪৪“There are as many archetypes as there are typical situations in life. Endless

repetition has engraved these experiences into our psychic constitution, not in the form of images filled with content, but at first only as forms without content, representing merely the possibility of a certain type of perception and action.When a situation occurs which corresponds to a given archetype, that archetype becomes activated and a compulsiveness appears, which, like an instinctual drive, gains its way against all reason and will, or else produces a conflict of pathological dimensions, that is to say, a neurosis.''– C.G.Jung. *The Archetypes And The Collective Unconscious*.Trans. R.F.C Hull.পৃঃ ৬২

৪৫"Since neuroses are in most cases not just private concerns, but social phenomena, we must assume that archetypes are constellated in these case too. The archetype corresponding to the situation is activated, and as a result those explosive and dangerous forces hidden in the archetype come into action, frequently with unpredictable consequences.There is no lunacy people under the domination of an archetype will not fall a prey to.''–পূৰ্বোক্ত গ্ৰন্থ,পৃঃ ৬১

৪৬ মণিকুন্তলা ভট্টাচাৰ্য। *সন্ধ্যা*। পৃঃ ১৪৯

৪৭ মণিকুন্তলা ভট্টাচাৰ্য। *যমুনা*। পৃঃ ১০০, ১০১

৪৮ মণিকুন্তলা ভট্টাচাৰ্য। *চামিয়ানা* । পৃঃ ৯

৪৯ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

৫০ "It comes as a great surprise therefore to learn that there are man whose sexual object is a man and not a woman, and women whose sextual object is a woman and not a man. People of this kind are described as having 'contrary sexual feelings', or better, as being 'inverts', and the fact is described as 'inversion'. The number of such people is very considerable, though there are difficulties in establishing it precisely,''–Peter Gay. Ed. *The Freud Reader*. পৃঃ ২৪০, ২৪১

৫১ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

৫২ মণিকুন্তলা ভট্টাচাৰ্য। *মুক্তি*। পৃঃ ১০৬

৫৩ ভট্টাচাৰ্য, মণিকুন্তলা। ব্যক্তিগত সাক্ষাতকাৰ। ০৯ ফেব্ৰুৱাৰী ২০২১ ।

৫৪ মণিকুন্তলা ভট্টাচাৰ্য। *বন্ধ ঘৰৰ খিৰিকী* ।পৃঃ ২০৪

৫৫ "Little girls do not resort to denial of this kind when they see that boys' genitals are formed differently from their own. They are ready to recognize them immediately and are overcome by envy for the penis— an envy culminating in the wish. Which is so important in its consequences, to be boys themselves. – Peter Gay. Ed. *The Freud Reader*, পৃঃ ২৭১

৫৬ মণিকুন্তলা ভট্টাচাৰ্য। *স্বাভিমান* ।পৃঃ ২৫